কমতাপুৰ ধ্বংস কাব্য

আৰু

বিৰহিণী বিলাপ কাব্য ।

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

শ্ৰীহিতেশ্বৰ বৰবৰুৱা প্ৰণীত ।

যোৰহাট, আসাম

চন ইং ১১১...

GOVERNMENT OF ASSAM
Call No.................
DISTRICT LIBRARY.

মূল্য পকা বন্ধা ১৮০ সাত সিকা । কেচা বন্ধা ... পাঁচ সিকা মাত্ৰ

১৫৫নং বহুবাজার ষ্ট্রীট, কলিকাতা

মেডিকেল প্রেস

শ্রীনাড়িকলিন আচার্য্যের দ্বারা

ছাপা করা হল।

কমতাপুৰ ধ্বংস

(কাব্য)।

"Hold fast thy truth, Young Soldier,
Gentle Maiden, keep you your
promise, plight, leave age
its subtleties."
———The Trial.

শ্ৰীহিতেশ্বৰ বৰবৰুৱা প্ৰণীত।
যোৰহাট, আসাম।

সমৰ্পণ।

"Dear Mother, let thy tender care
Be graven on my heart——————"

——————***Anonymous.***

মৰমৰ আইতা,

তোমাৰ স্নেহৰ ইটো নহয় সুজনি ;
"মমতাৰ স্মৰণ" মাথোঁ পুৰণি কালৰ
আভা মাত্ৰ সোঁৱৰণি। ই যে বনফুল,
তলসৰা ফুলে গঁথা মালা পলাশৰ ;
তোমাক যদিও দিওঁ হাৰ সুবৰ্ণৰ
মণি মুক্তাময় মালা গজ মুকুতাৰ
ধন ৰত্ন হীৰকাদি, হয় কি সুজনি
বাৎসল্য স্নেহৰ মাতৃ ?—স্নেহৰ তোমাৰ ?
সকলো কৰিব পাৰে,—শুনা নাই ক'তো
ঋণমুক্ত হয় পুত্ৰ শুজি মাতৃ-ঋণ !
নহয় 'কমলা' মোৰ নহয় সুজনি,
মাতৃ স্নেহৰ মাথোঁ আভা মাত্ৰ চিন ॥
সাদৰে হাতত তুলি লোৱা মালাধাৰ,
চিৰাশ্ৰিত হ'ব সকমইনা তোমাৰ ॥

——সকমইনা।

ইতি। ১লা জানুৱাৰী ১৮৯৯।

প্ৰস্তাৱনা ।*

এনে এটি জন প্ৰবাদ আছে, এজন বামুনৰ এটা ঘৰ দুষ্ট
গৰখীয়া লৰা আছিল। এদিন সেই লৰাটো পঠাৰৰ পৰা
ঘৰলৈ উভতি নহাত বামুন জনে বিচাৰি গই দেখিলে, সি এজোপা
গছৰ তলত শুই আছে আৰু মুখত অলপ ৰদ পৰাত এটা ফেটী
সাপে ফেঁট মেলি তাক ছাঁ দিছে। বামুন জনে ইয়াক
খি বৰ ভয় খালে। তেওঁক দেখা পাই সাপটো লৰমাৰি পলাই
। ছু বামুন জনে লৰাটোৰ ওচৰলৈ গই দেখিলে, তাৰ
ত পদ্ম ত্ৰিশূল আৰু পদ্ম ৰেখা আছে। ইয়াকে দেখি
লৰাটোক জগাই ঘৰলৈ লই গল আৰু 'আৰু সেই দিন'
পাই ৰথ, ইত্যাদি হীন কৰ্ম্ম বিলাক তাক কৰিবলৈ
ৰলে। পাছে এদিন তেঁও তাক এই বুলি প্ৰতিজ্ঞ
যদি সি কেতিয়াবা ৰজা হয় তেনেহলে তেঁওক মন্ত্ৰী
কালক্ৰমে সেই বামুনৰ মন্ত্ৰণাতেই পালবংশৰ শেষ জন, ৰজা
তশয় দুৰ্ব্বল হোৱাত তেওঁক ভাঙ্গি সেই গৰখীয়া লৰাটোৱেই
। হ'ল।

এইটি সম্পূৰ্ণ কাল্পনিক কথা। প্ৰকৃত পক্ষে ভাবি চাবলৈ
, ৰাজ্যৰ দুৰ্ব্বলতাৰ বাবে আৰু প্ৰজা বিলাক পৰস্পৰ বিৰোধা-
ৰোধি হোৱাত এজন অজ্ঞাত-কুলশীল মানুহ ৰজা হোৱা কথাই
ট কাহিনীৰ মূল বুলি বিশ্বাস হয়।

এই জনা ৰজাই পূৰ্ব্বৰ প্ৰতিজ্ঞা অনুসাৰে সেই বামুন জনকে
পাতিলে আৰু নিজে নীলধ্বজ নাম লই, 'কমতাপুৰ' নামে

* ৺ৰায় গুণাভিৰাম বৰুৱা বাহাদুৰৰ 'বুৰঞ্জী' চাওক।

নগৰ স্থাপন কৰিলে। কামৰূপৰ পশ্চিম অঞ্চলত ১২৫০—৬০ শকত এই নগৰ স্থাপন হোৱাৰ অনুমান হয়। নগৰৰ নাম অনুসাৰে নিজে "কমতেশ্বৰ" উপাধি লই সেই ৰজাই আপোনাৰ কুলীয়া "খেন" (১) বিলাক "সচ্ছূদ্ৰ" বা ভাল শূদ্ৰৰ বুলি প্ৰকাশ কৰি দিলে। নীলধ্বজৰ পাছত ক্ৰমান্বয়ে চক্ৰধ্বজ আৰু নীলাম্বৰ ৰজা হয়। নীলাম্বৰ ৰজাৰ মন্ত্ৰীজন এজন বামুন। এই নীলাম্বৰেই আমাৰ বৰ্ত্তমান কাব্যৰ প্ৰধান নায়ক। এওঁকেই "নিলাম" আৰু কেতিয়াবা "নীলৰজা" ও বোলে আৰু এওঁৰ কুঁৱৰীয়েই আমাৰ কাব্যৰ প্ৰধান নায়িকা। সম্ভৱতঃ ১৩৮৮—৯০ শকত নীলাম্বৰ ৰজাই ৰাজত্ব কৰে। এওঁ আহোমৰ "চুচেন্‌ফা" ৰজাৰে সম-সাময়িক ৰজা। এই সময়ত আহোম ৰজাই উজান খণ্ডত ৰাজত্ব কৰে।

নীলাম্বৰ ৰজাই তেওঁৰ ৰানী ৰ সৈতে মন্ত্ৰীৰ পুত্ৰেকৰ আসক্তি আছিল বুলি সন্দেহ হোৱাত এদিন মন্ত্ৰীৰ পুতেকক ধৰাই বধ কৰালে, আৰু তাৰ মাংস পছুৰ মঙহ বুলি মন্ত্ৰীক খাবলৈ দিলে।

---

(১) এই "খেন" বংশৰ বিষয়ে "গেইট" চাহাবে তেওঁৰ History Assam ত এই দৰে লিখিছে :—

"To what race the Khens belonged it is impossible to say. The great majority of them have now been absorbed in the ranks of other communities. The few who still retain the tribal names claim to be kayasths, and are said to betray in their physiognomy a considerable infusion of Aryan blood, but this was probably received after their rise to power and affords no clue to their origin.

Gait's "History of Assam" page 41.

তাৰ পাছত, ৰজাই মন্ত্ৰীক মতাই আনি পুতেকৰ মুৰটো উলিয়াই দেখুৱালে আৰু মন্ত্ৰীয়ে কি খালে আৰু পুতেকৰ অপৰাধৰ কথা ভাঙ্গি পাতি কই দিলে। পাছে মন্ত্ৰীয়ে শোকে বেজাৰে, পতিসংসৰ্গৰ নিমিত্তে প্ৰায়শ্চিত হই, সেই পাপ মোচনৰ অৰ্থে গঙ্গাতীৰ লৈ গ'ল।

এই তীৰ্থ যাত্ৰা কেৱল ছল মাত্ৰ আছিল। মন্ত্ৰীয়ে গৌৰ নগৰৰ নবাব হুচেন ছাৰ তালৈ গই মিছামিছিকৈ ৰাজ্যৰ দুৰ্ব্বলতা জনাই, পুত্ৰহন্তা নীলাম্বক প্ৰতিফল দিবৰ নিমিত্তে ভালেমান মুছলমান সেনা লই আহিলগৈ। সেই সৈন্যৰে সতে নীলাম্বৰ ৰজাৰ ঘোৰ যুদ্ধ হল। বাৰ বছৰ এই ৰণ থাকে, তথাপি মুছলমান বিলাকে কমতা সেনাক পৰাস্ত কৰিব নোৱাৰিলে।

পাছে মুছলমান বিলাকে কেতবিলাক দোলাৰ ভিতৰত অস্ত্ৰে সইতে বহুত চিপাহি সুমাই থই' নীলাম্বৰ ৰজালৈ এই বুলি কই পঠালে, বোলে, "এতিয়া আমি ৰণ এৰি ভাটীলৈ যাওঁগৈ, কিন্তু যোৱাৰ আগতে আমাৰ তিৰুতা বিলাকে ৰাণীৰে সইতে চিনা পৰিচয় হব খোজে।"

নীলাম্বৰে এই কথাত মান্তি হোৱাত পাছ দিনা নগৰৰ ভিতৰলৈ দোলা বোৰ আহিবলৈ আজ্ঞা দিয়া হ'ল। পাছে যেতিয়া সকলো বিলাক দোলা আহিল তাৰ পৰা অস্ত্ৰধাৰী সৈন্য বিলাক ওলাই একেবাৰে নগৰ অধিকাৰ কৰি ৰজাক বন্দি কৰি পেলালে। ৰজাৰ লগে লগে কমতাপুৰ ধ্বংশ পালে। ১৪২০ শকত কমতাপুৰত মুছলমানৰ জয় পতকা উঠিল। বিভীষণৰ দোষত লঙ্কা আৰু ৰাক্ষস বংশ ধ্বংশ পোৱাদি, মন্ত্ৰীৰ দোষত কমতাপুৰ আৰু "খেন' বা "কমতেশ্বৰ' বংশ ধ্বংশ পালে। ঠিক এই দৰেই

১৭৩৮—৩৯ শঁকত (ইং ১৮১৬—১৭ খ্ৰীঃ) বদনচন্দ্ৰ বৰফুকনৰ দোষত আহোম ৰাজ্য ধ্বংশ পালে।

এই ঐতিহাসিক প্ৰকৃত ঘটনাটিকে অবলম্বন কৰি "কমতাপুৰ ধ্বংশ বা সাদৰী" কাব্য ৰচনা কৰা হল। নীলাম্বৰ ৰজাৰ ৰাণীৰ নাম সাদৰী। সময়ত, বহুত কথা নতুনকৈ সৃজন কৰা হৈছে।

কিমধিকমিতি।

শ্ৰীহিতেশ্বৰ বৰ বৰুৱা।

পাতনি।

পুথি লিখিলেই বোলে পাতনি লিখিব লাগে। আমিও পাতনি স্বৰূপে কেই শাৰী মান লিখিলো, মৰমীয়াল পাঠক পাঠিকা সকলে যেন দাই দোষ নধৰে, ইয়াকেহে গোহাৰী কৰিলো।

"বিৰহিণী বিলাপ কাব্য'ৰ "উপলব্ধি" আৰু "সমৰ্পন" অংশটী বাদ দিলে, "তলসৰা ফুলৰ" সমুদায় খিনি লিখোঁতাৰ চেঙ্গেৰা কালৰ লিখা। "বিৰহিনী বিলাপ কাব্য" ইং ১৮৯৬ চনত, আৰু "কমতাপুৰ ধ্বংস কাব্য" ইং ১৮৯৯ চনত।

অসমীয়া সাহিত্যত এনেকুৱা পুথিৰ কিবা বিশেষ আৱশ্যক আছেনে নাই, সেইটো লিখোঁতাই এতিয়ালৈকে থিৰাং কৰিব পৰা নাই। সেই কাৰণে ইমান দিনে তেওঁৰ "তলসৰা ফুল" প্ৰকাশ কৰিবলৈ আগবঢ়া নাছিল। সম্প্ৰতি তেওঁৰ কেইজন মান পঢ়াশলীয়া বন্ধুৰ বিশেষ আগ্ৰহ দেখি "তলসৰা ফুলৰ ছুটী" প্ৰকাশ কৰিলে। এই সম্পৰ্কে আমাৰ পঢ়াশলীয়া বন্ধু সৰুচৰাই বাগিছাৰ ম্যানেজাৰ শ্ৰীযুত শিবপ্ৰসাদ বৰুৱাৰ নাম বিশেষকৈ উল্লেখ যোগ্য। মৰমীয়াল পাঠক পাঠিকা সকলৰ পৰা এই ছুটীয়ে মৰম চেনেহ পালে, 'তলসৰা ফুলৰ" বাকি কেইটীও লাহে লাহে প্ৰকাশ কৰা যাব।

বৰ্ত্তমান সময়ত লিখোঁতা পৰাধীন, সময়ৰ বৰ নাটনি; পুথি

থনি দুবাই আকৌ এবাৰ চাবলৈ নাপালে এই বিষয়ে তেওঁ শেষ দুখিত।

লিখোঁতা সাহিত্য সমাজত একেবাৰেই নতুন আৰু এই বণৰ কাব্যও সম্ভৱতঃ বৰ্ত্তমান যুগৰ অসমীয়া সাহিত্যত এয়ে [illegible] বিদেশত ছাপা হওঁতে, তেওঁ নিজে আহি কাকত চাব নোৱাৰাত, [illegible] ছাপা হই থকা অৱস্থাতে লেখকৰ পত্নী বিয়োগ ঘটি [illegible]শান্তিৰ ব্যাঘাত [illegible] বিশেষ মনোযোগ দিব নোৱাৰাত, পুথি [illegible]নিত অনেক খুঁত থাকি গল। সেই বিষয়ে মৰমীয়াল পাঠক পাঠিকা সকলে যেন দাই দোষ ক্ষমা কৰে, ইয়াকেহে খাটিলো।

শেহত কওঁ যে, কলিকতাত ছাপা হওঁতে "তলসৰা ফুল দুটী"ৰ লগত শ্ৰীযুত বোধনাথ পটঙ্গীয়া বি, এ, ডাঙ্গৰীয়াই অনেক পৰিশ্ৰম কাৰছিল। তেখেতৰ যত্ন নথকা হলে "তলসৰা ফুল দুটী"য়ে এনেকুৱা অৱস্থা বোধ হয় কেতিয়াও নাপালে হেতেন। সেই নিমিত্তে লিখোঁতা তেওঁৰ ওচৰত চিৰঋণী থাকিল।

ইতি।

চকলাটিঙ্গা [illegible] । ১২

শ্ৰীহিতেশ্বৰ।

To The Muse.

"— — — I sing

'Tho with faltering voice aid Great Muse,

In this unequal task ; but one kind word

O Goddess, from thy lips, hath power to lead —

* * * * *

Inspire my song, thy blessing I invoke.

O strengthen where I fail."

— ——— R. V. R.

VICTORIA JUBILEE LIBRARY
PLEASE HANDLE THE BOOK CAREFULLY

কমতাপুৰ ধ্বংশ কাব্য ।

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR

প্ৰথম সৰ্গ ।

"Poesie, thou sweet'st content,
That are Heaven to mortals lent :
***   *   *   ***
Though, thou be to them a scorn
That to nought but earth are born :
Let my life no longer be
Than I am in love with thee."

—Dryden.

দুখময় সংসাৰৰ দাৰুণ দুখত
জলা কলা প্ৰাণ মোৰ,—আই বীণাপানি !
কি ৰাতি কি দিন হায় ! সৰে দুচকুত
শোকৰ চকুলো ঘনে তিয়াই পৃথিবী ।
জ্বলিছে নিতউ জুই হিয়াৰ মাজত
দপ্ দপ্ কৰি, যাত্ নাপাওঁ তৰণী !
তোমাৰ কাষত মই ললোঁহি আশ্ৰয়
সিকাৰণে, দয়াময়ি ! চোৱাঁ চকু মেলি ।

তেনে, সেই ঠাই কৰিছে বিৰাজ মাথোঁ।
তোমাৰ কাষতে—তব পদৰ ছঁয়াত।
কবিৰ ঈশ্বৰী তুমি,—কবিৰ ছলনা,—
শোকাকুল হিয়া যেৱে তৃষ্ণা কবিৰ
কান্দে বিয়াকুল হই,—তুমি সে কালত
ঢালি দিয়া শান্তিপানী,—শোকভৰা হিয়া
হয় পুন শান্তি ভৰা,—শান্তিৰ নিজৰা।
শান্তিৰ ঝৰণা, দেবি। তোমাৰ কৰুণা
কুল, কুল, কুল, কৰি বয় চিৰকাল;
অনন্ত অক্ষয় তাৰ শান্তিৰূপা পানী
তাপিত নৰৰ কৰে শান্ত মনপ্ৰাণ।
চেপিছে সঘনে ঢৌ টু দাসত্বৰ দোলে,
সাঁতনাৰ গুণ বুলি নাচায় কমলা
চকুমেলি মোক, মাতৃ!—জ্বলিছে হিয়াত
“দৰিদ্ৰ-দুখৰ জুই,”—বিৰহ-অগনি
ভাই ভনী বান্ধৱৰ,—চেনেহী মাতৰ;
কি ৰাতি, কি দিন, হায়! নাপাওঁ তৰণী।
কৰুণা চকুৰে মাতৃ! চোৱাঁ চকুমেলি
দীনহীন প্ৰবাসীক, অযোগ্য পুত্ৰক।
দিয়াঁ ঢালি কৃপা কৰি শান্তি ৰূপী পানী
তাপিত হিয়াত মোৰ,—জ্বলে যি ঠাইত
দুখ শোক খিকাৰৰ দাৰুণ অগনি।
বিতৰাঁ কৰুণা, আই! এওঁ নুমুৱাই
অন্তৰৰ জ্বলা জুই— ভুলি দুখ শোক

শান্তিৰে ভৰাও মোৰ বিয়াকুল হিয়া।
কৰা মাতৃ! কৃপা মোকো, যুচো দুচকুৰ
দুধাৰি চকুলো আজি,—হৰিষ মনত
দেশীয় বনৰ পৰা তুলি বন ফুল,
কাব্যৰূপী সূতে গাথোঁ মালা আনন্দৰ।
নহওঁ মালায়া আই! নাজানোঁ গাঁথিব
ভালকই মালা মই,—নাজানোঁ গাঁথনা
মনপ্ৰাণ-মুগ্ধকৰ। তুমি দয়া কৰি
শিকাই দিয়াহে, আই! মই যাও গাঁথি।
গাঁথিম নতুন মালা, যদি কৃপা কৰা
তুমি আজি অধমক। কওঁ সকাতৰে,—
কৰা মাতৃ! কৃপা মোকো,—মোকো সি চকুৰে
চোৱা,—চালা যি চকুৰে কবিকুল-গুৰু
বাল্মীকিক, আৰু মাতৃ! চাদি, হাফেজক।
দিয়া আই। সেই সুধা,—যি সুধা ঢালিলা
কালিদাস চেক্সপীৰ কবিৰ মুখত
অতি চেনেহৰে সতে,- মাকে যেনেকই
স্তন দিয়ে সন্তানক সন্তোষ মনত।
যদিও অযোগ্য মই,—যদিওবা মোৰ
নাই তেনে গুণ আই। কিন্তু যে তোমাৰ
মাতৃ স্নেহে ভৰা হিয়া, সকলো পুত্ৰতে
সম স্নেহ জননীৰ,—জ্ঞানী বা অজ্ঞানী।
নানা জাতি গছে গছ নইৰ পাৰত
কোনো দিয়ে সুধাফল,—কোনো বিষময়,—

কোনো স্নগন্ধেৰে ভৰা,—কিন্তু চোৰা,—নই
ৰস দিবলই কাকো হুয় কি বিমুখ ?
হীন ভাবি যদি দেবি ! দয়া নকৰিবা
আজি মোক,—হায় ! তুমি ৰাখিবা কি কৰি
"সন্তান-বৎসলা" নাম ? দিবা কি প্ৰমাণ
মহত গুণৰ তযু ? মহতৰ হিয়া
নোহে ভৰা পক্ষপাতে,—সকলো সমান।
চোৱা মা'! চন্দ্ৰ সূৰ্য্য জ্বলিছে নিতউ
আকাশ-মাৰ্গত, আহা ! ঢালিছে কিৰণ
সমভাবে সকলোতে (ৰাজ-মন্দিৰত,
দৰিদ্ৰৰ চোতালত,—সুন্দৰ ফুলনী,
কিম্বা হায় ! মৰিশালী, অগাধ বননী,
সকলোতে একে ভাবে)। মলয়া বতাহ
ৰিব্ ৰিব্ ৰিব্ কৰি বলে যেনেকই
ফুলনী মাজত দেবি ! সেই একেদৰে
ধীৰে ধীৰে থাকে বলি গহীন শ্মশানে।
সিকাৰণে কওঁ মাতৃ ! কৃপা কৰা তুমি,
পুৰণী কলীয়া কথা আজি মই গাওঁ
নানা ছন্দময় সুৰে কমতা পুৰৰ।
নোগোৱালে তুমি আই ! গাম কেনেকই ?
মই যে নাজানো একো,—কবিৰ ঈশ্বৰি !
অধমক কৃপা কৰা চাই চকুমেলি।

দ্বিতীয় সৰ্গ।

"Nor hath love's mind of any judgment taste,
Wings, and no eyes, figure unheedy haste;
And therefore is love said to be a child,
Because in choice he is so oft beguil'd.

—Shakespeare.

ৰিব্ ৰিব্ ৰিব্ কৰি বলিছে মলয়া
কমতাপুৰৰ সেই ৰাজ-উদ্যানত।
গোলাপী সখীয়ে স'তে সাদৰী কুঁৱৰী
লইছে সন্ধীয়া-বায়ু আনন্দ মনত।
ফুলৰ গোন্ধেৰে আজি ভৰিছে ফুলণী,—
কুঁৱৰীয়ে চিঙ্গে ফুল এপাহি দুপাহী,—
গোলাপ, মালতি, জাতি, বকুল বন্দুলী,
গাঁথে মনোৰম মালা অন্তৰ উলাহি।
মিচিকীয়া হাঁহি মাৰি সুৰলা মাতেৰে
গোলাপী সখীৰে স'তে কৰিছে ধেমালী;—
আনন্দেৰে ভৰা ৰাণী,—বয়স কোমল,—
বিষাদৰ ৰেখা তাত নেদেখি সমূলী।
   ৰাণীত আজিও আহা! কৰিছে বিৰাজ
ছোৱালী কালৰ সেই সৰল হৃদয়;—

সৰলতা ভৰা মুখ আজিও শোভিছে,—
কালৰ চক্ৰতো একো হোৱা নাই লয় ।
ছোৱালী কালৰ ৰঙ্গ এতিয়াও আছে,—
ফুল চিঙ্গি, মালা গাঁথি পিন্ধালে গছক
ঠালে মূৰে, গোট গাই ধাৰ ধাৰ কৰি,—
অপূৰ্ব্ব সাজেৰে গছ ৰমক-জমক ।
সজালে-পৰালে গছ,—বহিল তলতে
সখীয়ে সইতে দুয়ো হৰিষ মনত,—
উলিয়ালে "দৰা-কন্যা" (ওমোলা পুতলি !)
বিয়া দিলে দুয়োটীৰ কত আনন্দত ।
কুঁৱৰী "কন্যাৰ" মাক,—গোলাপী "দৰা"ৰ,—
সখী হৈও, দুয়ে আজি "বিয়ণী" পাতিলে ;
বহু হাবিয়াস কৰি, অতি যতনেৰে
"কণীয়া দানৰ ভোজ" বালিৰে ৰান্ধিলে ।
ৰান্ধি বাঢ়ি "বালি-ভাত" সাদৰী কুঁৱৰী
জী-জোঁৱাই দুয়োটীকে খুৱালে-মেলিলে,—
জীয়ৰী দিবৰ হলে, মাকে যেনেকই
কান্দে,—সেই দৰে ৰাণী বহুত কান্দিলে ।
এৰি দিলে "মায়া-কন্দা" হাঁহিলে মিচিকি,—
হাঁহি এৰি পুনু, তেওঁ ক'লে গোলাপীক,—
"আজলী ছোৱালী মোৰ, জানিবা বিয়ণি !
শিকাই-বুজাই তুমি ল'বা বোৱাৰীক ।
একোকে নেজানে মোৰ কোমল ছোৱালী,—
পুতেৰাক ক'বা, যেন নামাৰে নাকাটে,—

যদিহে মাৰিব, মই পাম বিৰগতি,
তোমাকো পাৰিম গালি, য'তে পাওঁ তাতে।
আনিম ছোৱালী কাঢ়ি,— নাক কান কাটি
পুতেৰাক সাৰ মেলি থ'ম দলনীত ;
তেতিয়া জানিবা মই কেনুৱা বিয়নী ;
নকৰিবা অভিমান মোৰ ছোৱালীত।"
এই বুলি— হাঁহি পুন্ত কলে কণীযাক
(পুতাল জীয়াৰীটাক)—"নাকান্দিবি,—আই !
না হ'লে যে দিব লাগে শাস্ত্ৰৰে যুগুত,
নোৱাৰে মাৰিব তোক ভেকোলা জোঁৱাই।
এই বুলি খিল্ খিল্ হাঁহিলে কুঁৱৰী,
খিল্ খিল্ শব্দে ভৰিলে ফুলনী ;
উলাহেৰে ভৰা বাণী,—কিন্তু গোলাপীৰ
নোলাল মুখত হাঁহি অলপো একনি।
নহ্ৰা নমতা দেখি চেনেহী সখীক
শুধিলে ৰাণীয়ে,—"সখি ! কোৱঁ। কিনো হ'ল ?
হাঁহা দেখোঁ আনকাল, কিয় আজি নাই
সেই হাঁহি ? চকু দুটা কিয় ছল-ছল ?
কান্দো-কান্দো কিয় মুখ ? কোৱঁা সখি ! কোৱঁা,—
কি দুখত হ'ল আজি বেজাৰ মনত ?
নেভাবিবা, বধ লাগে ! কোৱঁা সঁচাকই
কি শোকৰ ছবি আজি খেলে অন্তৰত ?
"কিনো ক'ম, সখি ?" দুখে ক'লে গোলাপিয়ে,
"জানা সকলোটী তুমি,—কি ক'ম তুনাই ?

ক'বলই লাগে লাজ, হৃদয়ৰ পৰা
নন্দৰ ছবিটী মোৰ আঁতৰি নাযায় ।
কিনো যে মোহণী মোৰ মোহিলে নন্দই,—
নোৱাৰোঁ বৰ্ণিব, সখি ! কতনো যতন
কৰিছোঁ ৰাতিয়ে দিনে তেওঁক ভূলিব,
নোৱাৰি ভূলিব,—ভূলি, নাথাকে জীৱন" !
এই বুলি টোপাটোপে টূকিলে চকুলো
দুখেশোকে গোলাপীয়ে হুমুনীয়া কাঢ়ি ।
ৰাণীৰ কোমল হিয়া,—সখীৰ দুখত
বিষাদে পৰিল ভৰি, শুনি কথা সাৰি ।
বিষাদ মনেৰে তেঁও ক'লে গোলাপীক,—
"কিয় কান্দা সখি ? তুমি দুখ নকৰিবা,—
নকলোঁ তোমাক মই সেই দিনা খনে,—
পাহৰাঁ তেওঁক তুমি আৰু নাভাবিবা ।
নন্দ যে বামুণ, সখি ! মন্ত্ৰীৰ পুতেক,
অতুল ঐশ্বৰ্য্যে-ভৰা, তুমি শুদ্ৰিৰনী,—
বিশেষত ধনহীনা ; পাবা কেনেকই
তাক তুমি ? কিয় সখি ! এনুৱা ভাবনী ?
তুমি যে বাওনা সখি ! কিয় আশা কৰা
ধৰিব' আকাশী জোন ? লেঙ্গেৰা সে ভৰি,
পৰ্ব্বত লঙ্ঘিব তুমি খোজা কেনেকই ?
মিছাতে দুৰাশা এনে কিয় থাকা কৰি ?
প্ৰণয় পৰমধন, স্বজাতীয়ে স'তে
যদি হয়,—নতু সখি ! বিহ হলাহল !

নন্দৰে সইতে প্ৰেম পবিত্ৰ নহয়,
তাকে ভাবি কিয় তুমি এনুৱা চঞ্চল ?
নন্দ যে বামুণ সখি ! তুমি শুদিৰণী,
তোমা-দুয়োটীৰ প্ৰেম পানীৰ লিখন
নাথাকে সদাই ইটো,—শেষ হব সখি !—
নাকান্দিবা অকথাত,—নহবা বিমন।"
"গালি পাবা, পাবা সখি ! মাৰা যদি মাৰা,"
দুখে দুমুনীয়া কাঢ়ি গোলাপীয়ে কয়,—
"নকবা কিন্তু হে সখি ! ভুলিব তেওঁক
(প্ৰাণৰ নন্দক মোৰ) হৃদয়ে নসয়।
তেঁওক ভুলিম সখি ? কিৰূপে খুলিলা ?
শেল মাৰি কিয় মোৰ হৃদয় বিন্ধিলা ?
দেখুৱাব পৰা হ'লে হিয়া খনি ফালি
কৰিলোঁ হেতেন আজি হৃদয় বাঙ্গলী।
দেখালোঁ হেতেন, তুমি পালা হয় দেখা,
তেওঁৰ ছবিটী মোৰ হাৰে হাৰে লেখা।
নলিনীয়ে ভুলে যদি দেৱ দিবাকৰ,
যদি ভুলে কুমুদিনী জোন মনোহৰ,
ভুলিব তথাপি সখি ! নোৱাৰোঁ নিশ্চয়,
প্ৰাণৰ নন্দক ভুলি পৰাণ নৰয়।
কি ঘটিব মোৰ সখি ! নন্দকেই যদি
ভুলিব নোৱাৰোঁ ? হায় ! কিবা হব গতি ?"
"নোৱাৰিবা যদি সখি ! ভুলিব নন্দক"
সখীলই চাই ধীৰে কুঁৱৰীয়ে কয়,—

"কান্দিব লাগিব তুমি চিৰ জীবনত,
নোপোৱা তেওঁক কিন্তু, জানিবা নিশ্চয়।
শূদ্ৰনী তুমি সখি! বামুনক পতি
নোপোৱা; তোমাৰ হব তপোবনে গতি,—
কিম্বা মৃত্যু (আত্মহত্যা); জ্বলিব হিয়াৰ
বিৰহৰ জুই, হব অৰণ্যে তোমাৰ
গতি, তপস্বিনী বেশে আশ্ৰম-স্থলত
কটাব লাগিব কাল শোক সঙ্গীতত।
সাধ্বী যি উপেক্ষা কৰি সুখ ভোগ-ধ্বনী
সিদৰে সাজিব পাৰে যৌবনে যোগিনী।
জগতত ধন্য সেই, যি পুষ্প ৰতন
নিৰ্জ্জনে বনত ৰহি
নিজে ফুলি, নিজে ঝৰি
গোন্ধত মোহিত কৰে মানুহৰ মন।
কিন্তু সখি! কথা শুনা, পাহৰা নন্দক,
নেলাগে পিন্ধিব তুমি বেশ যোগিনীৰ;
কেচুৱা নোহোৱা তুমি, বঢ়া-বুজা সখি!
কিয় হোৱা বিয়াকুল, এনুৱা অধীৰ।
কিয় অত চিন্তা কৰা? আপোনা-আপুনি
চিন্তা পিশাচীৰ তুমি কিয় হোৱা বলি?
চিন্তা অগণিত কিয় পেলোৱা লেৰেলা
অকালত হায় সখি! ফুল ঢোপাকলি?"
"হায় সখি! কোনে বাক"—কয় গোলাপীয়ে,—
"নিজে ইচ্ছা কৰি দিয়ে আপোনাক বলি

চিন্তারূপী পিশাচীৰ ভয়ঙ্কৰ মুখে ?
কোনে পৰে অগণিত নিজে নিজে হলি ?
কিন্তু সখি ! মন মোৰ নহয় অধীন,
মনৰ অধীনী মই ; নোৱাৰোঁ ভুলিব
একোতে নন্দক হায় ! পাওঁৱা নাপাওঁ,
তেওঁৰ ছবিটী মোৰ নিতউ থাকিব ।
যি যি ক'লা তুমি সখি ! মিছাও নহব,
নেগানে মাথোন মোৰ অবোধ হৃদয়
শুনিছিলোঁ কিন্তু হায ! তাহানি কালত
কইছিলে তেওঁ মোক ফুলনী মাজত
প্ৰণয়ে মনেৰে চাব চকুৰে নাচায়,
কামদেৱ জানে অন্ধ চকু তাৰ নাই ।
নাই প্ৰণয়ৰ ৰুচি, নাই সুবিচাৰ,
পাখী আছে, চকুনাই আকৃতিটী ত'ৰ,
কেচুৱা লবাৰ দৰে প্ৰণয় সবল,
বাচি লোৱা শক্তি তাৰ নিচেই দুৰ্ব্বল ।
বিধতাৰ বিধি সখি ! বুজিব নোৱাৰোঁ,
ইতিহাস, উপন্যাস, যেতিযা যি পঢ়োঁ,
যতে চাওঁ ততে পাওঁ নিতউ প্ৰমাণ
প্ৰকৃত প্ৰেমৰ সোঁত নবলে সমান ।
নপৰে সমান বংশ কিম্বা জাতিকুল,
প্ৰকৃত প্ৰেমত সখি ! চিৰকালে ভুল।
তুমিও যে পঢ়িছিলা তাহানি কালত,
প্ৰকৃত প্ৰেমত নাই ৰূপহ বুজিত,

নাই জাতি, নাই কুল, নাই ভালবেয়া
নাই তাত সৰু বৰ জ্ঞান হিতাহিত।
যদি সেয়ে হয় সখি! কিয় নাকান্দিম?
নন্দক যুঁৰিবি কিয় নহম অধীৰ?
কিয়নো এৰিম আশা? কিয় অকালত
ভাঙ্গিম স্নেহৰ মোৰ সুখৰ মন্দিৰ?
কাব্য কবিতাৰ কথা বদি সচা হয়,
কিয়নো নাপাম মই স্বোৱামী নন্দক?
কি কৰিব জাতি কুলে? পাৰিবনে সখি!
বাধা দিব কিবাৰূপে প্ৰকৃত প্ৰেমক"?
"নকৰা বিশ্বাস সখি! কাব্য কবিতাক"
সুবলা মধুৰ স্বৰে কুঁৱৰীয়ে কয়,
"কবি যে বলিয়া হায়, বলিয়াল ভৰা
চিয়া তাৰ, তাৰ কথা কোনেনো বা লয়?
মিছাৰ ভঁড়াল কবি, মিছা মিছি কই
আঁকে কত ছবি সখি! কৰি মনোহৰ,
এনুৱা সৌন্দৰ্য্য দিয়ে, নোপোৱা বিচাৰি
যেনেকুৱা শোভা হায়! ক'তো জগতৰ।
যেনুৱা প্ৰকৃত ৰূপ, তেনে শত গুণ
বঢ়াই যে আঁকে কবি মোহকৰী ছাব।
তেনৱা ছবিত তুমি কিয় ভুলা সখি?
কবি যে বলিয়া হায়! মিছলীয়া কবি—
বৰ্ণাব এনুৱা সুখ, অমৰা পুৰতো
নাই যিটো ক'তো; সখি! কবি মিছলীয়া!—

তেনুৱা সুখত তুমি কিয় যোৱা মোহ ?
জনা-বুজা তুমি সখি ! থিৰ কৰা হিয়া।”
কুঁৱৰীৰ কথা শুনি কলে গোলাপীয়ে
“যি যি ক'লা তুমি সখি, সকলো বুজিলোঁ,
কিন্তু যে কিৰূপে মই ভূলিম নন্দক,
তাৰে মাথোঁ একো হায় ! বুদ্ধি নেদেখিলোঁ।
যিমানে বুজোৱা সখি, যিমানে শিকোৱা,
নুবুজে, নিশিকে একো অথিৰ হৃদয়ে।
পাওঁ বা নাপাওঁ হায় ! স্বোৱামী তেঁওক,
পৰাণ ত্যজিম মই সেই নাম লৈয়ে।
নির্জ্জন বনত ফুলি নীৰলে ভজিম,
কঙ্গালিনী বেশে কান্দি বনত ফুৰিম।
তথাপি ভুলিব মই নোৱাৰো তেঁওক,—
যিমানেই হক সখি ! মোৰ দুখ ভোগ।
একো হানী নাই সখি ! নেদেখিব বিয়া
জগতে তেঁওৰে মোৰে, অন্তৰে অন্তৰে
বিয়া যে গইছে হই আমাদুয়োটীৰ !
ভাবিলে সি কথা হায় চকু পানী পৰে।
তেঁওকে স্বোৱামী ভাবি দেবী-মন্দিৰত;
চিৰ তপসিনী বেশে ভ্ৰমিম বনত।
বিৰহৰ গাম গীত শোক-তাপ হৰা;
প্ৰকৃত প্ৰণয় সখি ! বিপদেৰে ভৰা।
প্ৰেমত কাঁইট আছে, লিখা বিধতাৰ;
মিছাতে ব্যাকুল হয় হৃদয় আমাৰ।

জানিলোঁ বিপদহীন সুখ নাইকিয়া,
প্ৰেমত কাঁহইট সখি ! চিৰ লগৰীয়া।
যেতিয়া তেঁওৰে স'তে দেখা দেখি নাই,
আছিলে নগৰ মোৰ অমৰাৰ ঠাই।
নাজানোঁ প্ৰেমত কিনো আছে বিদ্যমান,
কৰিলে সি স্বৰ্গ মোৰ নৰক সমান।
কিনো যে সোমাল সখি ! অন্তৰত মোৰ,
নাই শান্তি, নাই সুখ, চিন্তা ঘোৰ-ঘোৰ।
ইয়াত নবহে মন তোমাৰ লগত
উৰোঁ উৰোঁ কৰে প্ৰাণে তেঁওৰ কাষত।
বসন্ত কালত সখি ! বলিলে মলয়
কৰিলে কুলিয়ে 'কুউ' কেনে সুধাময়।
তাতো কৰি সুমধুৰ সখি হে ! তেওঁৰ
সুৰলা সুৰলা কথা অমিয়া মধুৰ।
এতিয়াও আছে বাজি দুখনি কানত
তেনুৱা মধুৰ কথা। হৃদয়-ফলিত
আছে সেই ছবি আঁকা,—কিৰূপে ভুলিম ?
ভাবিলে "ভুলাৰ কথা" কান্দে মনচিত।
কিবা ৰাজ ভিতৰত, অৰণ্য, পঠাৰ,
শীতল ছঁয়াৰ তলে, কিম্বা নই পাৰ,
সকলোতে নিতে সখি ! তেঁও মোৰ ধ্যান,
তেঁও ইষ্টদেৱ ধন, তেওঁ মোৰ প্ৰাণ।
পৰিছে মনত সখি ! তাহানি এদিন
শুনিছিলোঁ সুখে মই সুৰলা সঙ্গীত

তেওঁৰ মুখত, বহি নইৰ পাৰত
সন্ধিয়া বেলিকা দুয়ো আনন্দ মনত।
ঠউকী-বাঠুকী ঢউ সি সুৰলা গানে
ধৰিলে প্ৰশান্ত ভাব, আকাশৰ তৰা
পৰিছিল যেন খহি উন্মত্তৰ দৰে
তেঁওৰ মুখৰ শুনি মধুৰ সঙ্গীত।
আৰু কত কথা সখি! পৰিছে মনত,—
ভাবিলে পৰাণ মোৰ বিয়াকুল হয়!
জনমে এনুৱা ভাব, লই দুটী পাখী
তেঁওৰ কাষত যেন উৰি পৰোঁ গই।
নহ'লেঁ। চৰাই সখি! হলো যে মানুহ,
নাইকিয়া পাখী হায়! নোৱাৰোঁ উৰিব।
তীৰ্থলই গই তেঁও আছে বিদেশত,—
কেনেকই পাম সখি! তেঁওক দেখিব?
গইছিলে কই তেঁও যাবৰ কালত
কুৱাই লাহৰী হাত দুখানি গালত,
চিঠি দি থাকিবা প্ৰিয়ে! যদি কাকো পোৱা,
(তীৰ্থ-যাত্ৰী কমতাৰ) গঙ্গালই যোৱা।
পমিলী বুঢ়ীয়ে কলে—কাইলই হেনো
কোনোবা কোনোবা বোলে যায় গঙ্গালই।
সিহঁতৰ হাতে সখি! দিওঁছোঁ এখন,—
চিঠি লিখি মোৰ হই দিবা ভালকই।"
"একো কথা নাই সখি!" কলে কুঁৱৰীয়ে,
দিম মই চিঠি লিখি, তুমি কই যোৱা।

কিলিখিব লাগে মাথোঁ। এটী দুটী কই ;—
অশিৰ নহবা সখি ! থিৰ হই কোৱাঁ।"
দুপাৰী চকুলো মুছি ধীৰ ধীৰ কই
গোলাপীয়ে কুঁৱৰীক কবলৈ ধৰিলে
এটী দুটী কৰি কথা, একান্ত মনেৰে
কানপাতি ৰাণীয়েও সকলো শুনিলে।
শুনি বুজি ল'লে কথা ক'লে কুঁৱৰীয়ে
"বাৰু সখি ! আজি ৰাতি মই লিখি থ'ম
চিঠি খনি,—ৰাতি পুৱা লই যাবা তুমি,—
যোৱা ঘৰলই আজি নহবা বিমন।"
এই বুলি দিহা-দিহি ল'লে দুয়ো সখী
নিজা নিজা ঘৰলই তিয়াগি ফুলনী।
যেন দুটী দেৱকন্যা আপোন ৰূপত
কৰিছিলে ফুলবাৰী ৰূপহ-শুৱনী।

তৃতীয় সৰ্গ।

"Oh! had I the wings of a dove
How soon would I taste you again,".

—Cowper.

নীৰৱ দুপৰ নিশা, কমতা নগৰ
নীৰৱতা ভৰা, নাই কাৰো ক'তো মাত,—
সকলো নীৰল, মাথোঁ নিশাৰ বতাহ,
এটী দুটী মাজে মাজে লৰাইছে পাত।
গোটেই নগৰবাসী, কি ৰজা কি প্ৰজা,
সকলোটী টোপনীৰ কোলাত মগন,
ৰজাৰ চ'ৰাত মাথোঁ আছে "নিশা-চোৰা"
ইফাল সিফাল কৰি সাবেধে দুজন।
শোৱনী কোঠাত আজি ৰজাৰে সইতে
শুই আছে কুঁৱৰীয়ে কোমল শয্যাত।
কিবা মনোহৰ শোভা, কিবা অপৰূপ,—
দেবেন্দ্ৰে সইতে শচী যেন অমৰাত।
অপূৰ্ব্ব সৌন্দৰ্য্য যদি চাব খোজা আজি,
আমাৰে সইতে তুমি আহাঁ, হে পাঠক!

চোৰাঁহি সোমাই কোঠা, লাৱণ্য মধুৰ,
চাই কৰাঁ আপোনাৰ নয়ন সাৰ্থক ।
"ৰজাঘৰ" বুলি তুমি নকৰিবা ভয়,
লেখক, পাঠক পাৰে আহিব ইয়াত ।
কি স্বৰগ, কি নৰক, কি পাতাল পুৰি,
যাওঁ আমি সকলোতে, পৰ্ব্বত-গুহাত ।
নাই ক'তো এনেকুৱা গোপনীয় ঠাই,
নোৱাৰে যলই যাব লেখক পাঠক ।
নিৰ্ভয় মনেৰে তুমি চোৰাঁহি সোমাই
মনোহৰ ৰূপ, কৰাঁ জীৱন সাৰ্থক ।
ৰাতি হ'ক দিন হ'ক, যেতিয়াই হয়,
আমি দুয়ো পাৰোঁ যাব সকলো ঠাইতে ।
কাৰো সাধ্য নাই ক'তো বাধিব আমাক,
কিয় কৰা ভয় তুমি, পাঠক ! মিছাতে ?
এনেকুৱা ভয়াতুৰ নহ'বা পাঠক !
সাহসে ভৰোৱাঁ হিয়া পুৰুষৰ দৰে ।
লেখক, পাঠক পাৰে আহিব ইয়াত
"নিশা-চোৰা" ৰখিয়াই একোকে নকৰে ।
আহাঁছো পাঠক ! তুমি সোৰা চোৰাঁহিছো,
ধীৰে ধীৰে ভয় মনে উঠিল কুৱৰী
ৰজাৰ কাষৰ পৰা, লেখনী চিয়াঁহি,
এডোখৰ সাঁচি পাত আনিলে বিচাৰি ।
জানো, ৰজা সাৰ পাই, এই ভয় মনে,
শঙ্কাৰে ভৰাই হিয়া কৰি লৰালৰি,

(গইছিলে যি যি কই গোলাপী সখী'য)
লিখিব ধৰিলে চিঠি তেনেকুৱা কৰি :—
"পৰাণৰ নন্দ মোৰ ! হৃদয় দেৱতা।
কিয় হলা প্ৰাণনাথ এনুৱা নিৰ্দ্দয় ?
নেদেখি তোমাক মোৰ কান্দিছ পৰাণ,
বিৰহৰ জুয়ে হায় ! দহিছে হৃদয় ।।
যি দিনাই গলা নাথ ! তুমি তীৰ্থলই
সি দিনা অবধি সুখ নাই অভাগীৰ !
মৰিশালী যেন লাগে এই ৰাজপুৰি,
নবহে একোতে মন হৃদয় অথিৰ !!
চৰাইৰ দৰে হায় ! যদি দিলে হয়
আমাকো ঈশ্বৰে পাখী, তোমাৰ কাষত
উৰা মাৰি গই মই পৰিলো হেতেন
আকাশত কৰি ভৰ, উলাহ মনত।
নহলো চৰাই নাথ, অবলা তিৰুতা,
কেনেকই পাম হায় ! তোমাৰ কোষৰ,
অমিয়া শান্তিৰে ভৰা সুখময় ঠাই ?
সি শোকে কান্দিছে ঘনে অথিৰ অন্তৰ।
কিন্তু যে নাজানো নাথ ! মই যেনেকই
কান্দিছো ইয়াত আজি তোমাক সুৱৰি,
কান্দিছা কি সেই দৰে ভাবি অভাগীক
তুমিও সি বিদেশত বিৰহত পৰি ?
নহয়, নহয় নাথ ! মই ভবা ভুল,
পুৰুষৰ হিয়া হায় ! শিলেৰে বন্ধোৱা

বিৰহৰ জুয়ে তাক নোৱাৰে দহিব,—
সি কাৰণে তুমি একো সঁতাপ নোপোৱা।
ভাবা বা নাভাবা মোক, পোৱা বা নোপোৱা
বিৰহৰ তাপ তুমি শিল হৃদয়ত,
সি কথা নালাগে মোক! কিন্তু মই নাথ!
তোমাকে নিতউ পূজা কৰিছোঁ মনত।
তুমি আকশৰ জোন মই যে চাকই,
চাকইক জোনে ভাল প'ক বা নপক,
চিৰকাল চাকয়েতো অন্তৰে সইতে
ভাল পাব তেওঁকেই (আকাশী জোনক)।
কোনো কোনো লোকে, সছা, কওঁতেও কয়,
চকুৰ আঁতৰ হ'লে মনৰো আঁতৰ,
কিন্তু প্ৰাণ নাথ! তুমি জানিবা নিশ্চয়,
সি কথা যি কয়, তাৰ নিৰ্ব্বোধ অন্তৰ।
যদি সেয়ে হয় নাথ! আছাতো আঁতৰি
দাসীৰ চকুৰ পৰা আজি অত দিনে
নাই হোৱা কিয় তেনে মনৰো আঁতৰ?
কিয় আনে সোঁৱৰণী সঘনে সৰনে?
মানস ফলিৰ পৰা কি কাৰণে নাথ!
নুগুছে তোমাৰ ছবি পট মনোহৰ?
কিয় কান্দে মন প্ৰাণ সুৱৰি তোমাক,
জ্বলে কিয় দিন নিশা জুই বিৰহৰ
যতে থাকা ত'তে থাকা যিমানে আঁতৰি,
নোৱাৰোঁ একোতে মই তোমাক ভুলিব;—

যেতিয়ালইকে প্ৰাণ থাকিব দেহাত,
তোমাৰেই ছবি অঁকা হিয়াত থাকিব।
আকাশত থাকে সূৰ্য্য,—চন্দ্ৰ মনোহৰ,
পদুম ভেঁটৰ ফুল থাকে মৰতত.
কিন্তু নাথ !সেই বুলি, কমিছে কি কাৰো
ভাল পোৱা কিহবাত্ কাৰো অন্তৰত ?
যত দিন ই দেহাত থাকিব জীৱন,
যত দিন মই নাথ! থাকিম মৰ্ত্ত্যত,
শিৰৰ মাজে দি' ব'ব যত দিন মোৰ
বিন্দুমাত্ৰ তেজ,—তুমি থাকিবা মনত।
আহাহা! জানিলো নাথ! বুজিলো এতিয়া,
লোৰ শিকলিত কই প্ৰেমৰ বন্ধন
শত গুণে গুৰুতৰ, যাক অনায়াসে
প্ৰেমিকে দিঙ্গিত পিন্ধি আনন্দ মগন।
লাহৰী গোলাপ ভাবি বহু হাবিয়াসে,
আজলী তিৰিয়ে তাকে পিন্ধে যে দিঙ্গিত;
মনে মনে ভাবে সুখ থাকিব নিতউ,
কিন্তু পাছে বিৰহত দহে মন চিত।
নেৰিম তোমাৰ সঙ্গ, আছিলে মনত
নিতে নিতে চাম মুখ তোমাৰ বিৰলে।
এতিয়া সি আশা মোৰ গল চিগি-ভাগি,
নেদেখি তোমাক নাথ! হিয়া নিতে জ্বলে!
তোমাৰ বিৰহ ৰূপী জ্বলা অগণিত
হিয়া পুৰি ছাই কৰি নিয়াইছো কাল।

তিল মাত্ৰো নাই সুখ খাওঁতে-শোওঁতে,
অমৃততো নাই ৰুচি,—নালাগে যে ভাল।
কিন্তু নাথ! এটী কথা,—যেই দিনা তুমি
এৰি গলা দুৰ্ভাগীক অকলে অকলে;
সি দিনা অৱধি হায়! গো'টেই জগতে
শত্ৰুৰ দৰে মোক হিংসিছে বিৰলে॥
চন্দ্ৰ বোলে সুধাকৰ, চন্দ্ৰৰ কিৰণ
সুশীতল বুলি দেখো জগতেই কয়—
কিন্তু সেই জোনে আজি দিছে নানা দুখ
ছল পাই, প্ৰাণনাথ! দহিছে হৃদয়!
জগতৰ চকু সূৰ্য্য,—গোটেই জগত
সুৰুযে পোহৰ কৰে; কিন্তু মোৰ হিয়া
ঘোৰ এন্ধাৰেৰে ভৰা; সিদিনা অৱধি
অলপো পোহৰ হায়! দেখা নাইকিয়া।
বসন্ত কালত নাথ! দুৰন্ত ঋতুত
কুউ কুউ কৰি কুলি কৰে উপহাস
চাঁহি মনে চাই মোক,—জ্বলিছে পৰাণ!
নেদেখোঁ উপায়! হলো আশাত নিৰাশ।
দক্ষিন ফালৰ পৰা বলিছে মলয়া
ৰিব্ ৰিব্ কৰে, লই সুগন্ধ ফুলৰ।
দিছে শান্তি সুধা ঢালি কাৰো অন্তৰত,
কিন্তু হলাহলে মোৰ দহিছে অন্তৰ।
মুঠতেই কওঁ নাথ! আপদ কালত
ওঁৰে থজুৱায় মোৰ অভাগীৰ গলা।

নিতউ জ্বলিছে মোৰ বিৰহ অগনি,
অথিৰ-অথিৰ মন, হিয়া জ্বলা-কলা।
বলিয়ানী মই আজি, মনো যে অথিৰ,
যিহকে আহিছে তাকে লিখিছোঁ চিঠিত,
নধৰিবা দোষ যেন এয়েই গোহাৰী
কৰিলোঁ তোমাৰ নাথ! চৰণ দুটীত।
অন্ত হল চিঠি মোৰ, আৰু কি লিখিম?
আশা কৰোঁ যেন নাথ! শীঘ্ৰে ঘৰলই
আহাঁ তুমি ভাল কালে, মোৰ অন্তৰৰ
বিৰহ এন্ধাৰ ঘোৰ আঁতৰাই থই।
নাপাহৰাঁ যেন নাথ! অভাগী দাসীক,
এয়েই প্ৰাৰ্থনা মোৰ, ইয়াকেই সাধোঁ।
জীৱনত আৰু মোৰ একো আশা নাই,
প্ৰাণৰ দেৱতা বুলি চাব খোজো মাথোঁ।"
চিঠি লিখা অন্ত হল,—ভাবিলে কুঁৱৰী
লিখোঁনে নিলিখোঁ নাম সখীৰ তলত?
দিও যদি নাম লিখি জানো বেয়া হয়,
(ৰজাই শুনিলে পাছে) সখীৰ শেষত।
নালাগে নিলিখোঁ নাম, জানিব এনেই
সখীয়ে লিখিছে বুলি মন্ত্ৰীৰ পুতেকে।
এই ভাবি কুঁৱৰীয়ে সামৰিলে চিঠি
ভয়-ভয়-ভয় কৰি, জানো ৰজা দেখে।
যদিও ৰজাৰ ৰাণী, আজলি তিৰুতা,
একালে মাথোন দেখে, নাচায় সিফালে।

না ভাবিলে আগ পাছ, ইয়ে যে কৰিব
অনিষ্ট তেওৰ হায! নিজৰ একালে।
সাৱধান হবা ৰাণী! ভবিষ্যত ভাগ্য
তোমাৰ দাৱৰে ঢকা। জানোবা সখীৰ
বেগা হগ, এই ভাবি আজনী তিৰুণা।
লিখি যে নিদিলা নাম তলত চিঠিৰ,
এয়ে যে তোমাক হায! কন্দাব এদিন,
এদিন ইযাকে ভাবি চকুলো টুকিবা,
লোকৰ লগত পাবা বেজাৰ কেলেশ,
কোমল হিযাত তাপ মিছাতে সহিবা।
সামৰি-সুতৰি চিঠি, বিহাৰ অ গত
থ'লে বান্ধি কুঁৱৰীযে, শুলে ধীৰে ধীৰে
আকউ কাষতে গই নিজা সোৱ'মীৰ,—
ধৰিলে টোপনী পুনু আহি জুৰে জুৰে।

চতুৰ্থ সৰ্গ।

"'My wife! my wife! what wife? I have no wife:
O, insupportable! O, heavy hour!
Methinks it should be now a huge eceipse
Of Sun and Moon, and that the affrighted globe
Did Tawn at alteration."

——— Shakespeare.

বসন্ত কালৰ ধীৰ পূঁৰ্বতী বতাহ
ৰিণ্ ৰিব্ কৰি বলে প্ৰাণ শীতলাই।
দেখা দিলে পুবফালে ৰঙ্গচুৰা বেলি,
সাৰ পালে জীৱ জন্তু ন পৰাণ পাই।
নিৰ্জীৱ জগত হল আকউ সজীৱ,
আকউ পোহৰ হল পৃথিবী এন্ধাৰ।
জৰিলে চৰায়ে গান সুললীত সুৰে,
শুনি সি সঙ্গীত ভাগে টোপনী ৰজাৰ॥
সাৰ পাই চকুমেলি দেখিলে ৰজাই,
এতিয়াও আছে ৰাণী ঘোৰ টোপনীত।
(নাই সাৰ নাই সুৰ, নাই কাটি কুটা।)
নিমাত অচল হই কোমল তুলিত।

আহা! কি মধুৰ ৰূপ! লাৱন্য অতুল!
মর্ত্যৰ সৌন্দর্য্য যেন একে ঠাই হই
পৰি আছে সুকোমল সুন্দৰ শয্যাত,
লাৱন্যে ভৰাই কোঠা মনোহৰ কই।
ফুলৰা সুন্দৰী যেন তিয়াগি ফুলনী
শুইছে বিভোৰ হই নীৰৱ নিমাত।
আহা! কি মাধুৰী আহা মধুৰ অতুল!
কৰিছে বিৰাজ এই শোৱনী কোঠাত।
জোন যেন মুখ খনি, ৰঙ্গচুৰা গাল,
পৰিছে মুকলি হই খোঁপা মনোহৰ,
মুদা-মুদা চকু দুটী; যদিও টোপনি
তথাপি হাহিছে যেন আনন্দ অন্তৰ॥
কোমল গাৰুত মুৰ বাঁও ফালে হলা
চন্দ্ৰহাৰ বাঁও ফালে ওলমি পৰিছে।
সোঁ কানত জিলিকিছে মিনাকৰা কেৰু,
বাঁও কানে পিন্ধা কেৰু গাৰুত লাগিছে।
আছিলে খোঁপাত বহু ফুল ঢোপা কলি,
পুৱাৰ বতাহ পাই ফুলিছে উলাহি।
কিবা অনুপম ৰূপ! আজি কুঁৱৰীৰ,
চাৰু কাষে বিৰাজিছে মিচিকীয়া হাঁহি।
ৰমক জমক কৰি জিলিকি উঠিছে
মুগাৰ দোলেৰে গঁথা বাখৰুৱা মনি
ধাৰে ধাৰে কুঁৱৰীৰ সুন্দৰ দিঙ্গিত।
আহা! কি মধুৰ ৰূপ! কেনুৱা লৱনী!

"মনিমৰা" খাৰু জ্বলে পোহৰাই কোঠা
মৃণাল সদৃশ, আহা ! হাতত ধুনীয়া।
আঙ্গুলীত জিলিকিছে লাহৰ আঙ্গঠী
জেঠি-পটা গৰু-চকু বাৰ্ৰি ফুলীয়া ॥
বদলাৰে বনকৰা পিন্ধি আছে ৰিহা
ন মেখেলা শিংখাপৰ (ভমকা ফুলায়া) ;
জিলিকিছে সেন্দুৰৰ ফোঁট কপালত,
কেনে মনোহৰ শোভা, মধুৰ, অমিয়া।
জোলাৰ-হাতৰে-বোৱা গুনাৰ-ফুলায়া
পাৰি-দিয়া কাপোৰত বুটা জিলিকিছে।
এনয়ে ধুণীয়া, তাতে কুৰবীক পাই,
সোনোৱালী বুটা আৰু দুগুনে জ্বলিছে।
মিহলি হইছে যেন সুৱগা সোনত,
কিম্বা পঙ্কমৰ গাত অগুৰু চন্দন,
কিম্বা শোভাদেৱী নিজে আহিছে ইয়াত
(ৰাণীৰ কায়ত) লই শোভা অতুলন।
দেখিছোঁ অনেক ৰূপ এই দুচকুত
বহু সুন্দৰীৰ বহু ফটোগ্ৰাফ ছবি,
পঢ়িছোঁ কাব্যত বহু নায়িকাৰ ৰূপ,
মনোহৰ কৰি যাক আঁকিছিলে কাব।
দেখিছোঁ বিয়াত কত ৰূপহী ছোৱালী
লানি লানি পিন্ধে ফুল খোঁপা ভৰি ভৰি,
ৰঙ্গাচন্দনৰ ৰেখা লয় কপালত,
সেন্দুৰ নীলৰ ফোঁট সাৰি সাৰি কৰি।

দিঙ্গি ওপছাই কত পিন্ধে মনি বিৰি,
কানলতি-চিঙ্গা কেৰু দুখনী কাণত।
মুগা, পাট, শিংখাপৰ নতুন মেখেলা
উলহ-মালহ কৰি পিন্ধে আনন্দত।
এই বয়সতে হায়! দেখিলো বহুত,
বহু ৰূপহীয়ে মুখ চাই দপোনত
তিনি ভেঙ্গুৰিয়া কৰি ভাঙ্গে পেঁছ টাৰি,
আটক-ধুণীয়া কৰি উলাহ মনত।
(নোহে কিন্তু কুভাবেৰে) ই ঘৰে সিঘৰে
দেখিলো গাভৰু বহু—মুখ সুন্দৰীৰ।
সিলোকো ৰূপহী সঁছা, লাৱণ্যেৰ ভৰা,
তুলনা একোতে কিন্তু নহয় ৰাণীৰ।
ৰাণীৰ অতুল ৰূপ স্বৰ্গীয় সৌন্দৰ্য্য,
ৰজাই আছিল বহু বেলিলকে চাই,
বিহাৰ আগত পাছে দেখিলে গাঁথিটী,
কিনো আছে বুলি তেওঁ চালে মোকোলাই
মোকোলালে বিহা-গাঁথি পৰিলে ওলাই
চিঠি খনি (কুঁৱৰীয়ে কালি ৰাতি লিখা);
পঢ়ি চালে আদি অন্ত, ক'লে মনে মনে,
"শেষ হল আজি মোৰ হৃদয়ৰ আশা।
উস্!—
পৰাণতো বেছি বুলি যাক ভাবিছিলো।"
দুখে হুমণীয়া কাঢ়ি ভাবিলে ৰজাই,
"ভাবে কি এনুৱা ভাব? এনুৱা স্বভাৱ?

তিৰুতাত নে-কি হায় ! বিশ্বাসেই নাই ?
ভোগাইছে ৰাজ-ভোগ ৰাণীয়ে এতিয়া,
আছে কত সুখে হায় ! ই ৰাজ পুৰত !
পৰাণে সইতে মই কত ভাল পাওঁ,—
তথাপিও আশা উস্ ! পৰ পুৰুষত।
ধিক্ ধিক্ ! শতধিক্ ! তিৰীৰ প্ৰেমত !
আৰু ধিক্, শত ধিক্ ! প্ৰেম শবদত !!
ধিক্ ধিক্ ! লক্ষ ধিক্ ! প্ৰণয় সলনী
আত্ম বিসৰ্জ্জন কৰা নাভাবি হুগুনি।
একমনে ৰাতি দিন যাক পুজিছিলোঁ।
হৃদয়ৰ দেৱী ভাবি হিয়া মন্দিৰত,
যাৰ মুখ খনি দেখি, লাৱণ্য সুন্দৰ,
অপাৰ আনন্দ পাওঁ জগত মাজত ॥
দুৰ্ভাগ্য ফেৰত হায় ! হৃদয়ৰ দেৱী
পিশাচিনী ! হৃদয়ত জ্বলালে অগনি !
মৰু সমনীয়া আজি শান্তি সৰোবৰ !
বুৰিলে শোকৰ মণ, নাপাওঁ তৰণা ॥
উস্ !
প্ৰকৃতি দেৱীৰ, হায় ! কোমল কোলাত
কেচুৱা লৰাৰ দৰে আছিলোঁ যে শুই !
কোনেনো জগাই মোক কিয় কন্দুৱালে
জ্বলালে কোনেনো এনে হৃদয়ত জুই ?
দিম বুলি প্ৰতিমাক সাদৰে পিন্ধাই,
জীৱনৰ তুলি ফুল গাঁথিছিলো মালা !

অকালতে হই গল, হায় ! অকস্মাত
দশমী দিনাৰ, উস্ ! সন্ধীয়াৰ বেলা !!
সবহি যে গল ফুল, শুকালে যে পাহি !
ফুল গুছি হল, হায় ! চকুলো চকুৰ !
উঘলিলে আশালতা কাল বতাহত,—
ভাগিলে লাহৰী বীনা সুৰলা মধুৰ ॥
সুখৰ সুন্দৰ ছবি দেখোতে দেখোতে
লুকালে মিহলি হই ঘোৰ অশান্তিৰ
কলা দাৱৰত হায় ! কান্দিছে পৰাণ
কিযে বিষাদত আজি ! হৃদয় অথিৰ
প্ৰাণেশ্বৰি ! প্ৰিয়তমা ! হৃদয়ৰ দেবি !
কিয়নো জ্বলালা মোৰ জুই হৃদয়ত ?
অতভাল পাওঁ মই, কিন্তু নে কি তুমি
কৰা অত আশা, হায় ! পৰ পুৰুষত ?
পতিব্ৰতা ধৰ্ম্ম প্ৰিয়ে ! এয়ে কি তোমাৰ ?
এয়েকি তোমাৰ হায় ! সতীত্বৰ ছিন ?
এয়েকি তোমাৰ, হায় ! পবিত্ৰ প্ৰণয় ?
সৰলতা-সানি-থোৱা স্বভাব গহীন ?
বামুণ নন্দক তুমি অত ভাল পোৱা ?
পৰপুৰুষত, হায় ! এনেকুৱা আশা ?
নিৰ্ম্মল হিয়াত এনে অপবিত্ৰ ভাব ?
ভাঙ্গিলা হঠাত কিয় সুখময়“ বাসা ” ?
কিনো কুক্ষণত, প্ৰিয়ে ! লিখিছিলা চিঠি ?
জ্বলালা হিয়াত মোৰ দাৰুণ অগনি !

শোক সাগৰত মোৰ বুৰিলে হৃদয়,
অনন্ত, অপাৰ, হায় ! নাপাওঁ তৰণী !
এই দ'ৰে নীলাম্বৰে (কমতা ৰজাই)
দুখে শোকে কত ভাবি আপোন মনত,
শোৱনী-কোঠাৰ পৰা আহিলে ওলাই
অথিৰ-অবিৰ হই মনৰ দুখত।
এনেতে আহিল সখী (গোলাপী আইতী)
জগালেহি কুৱাৰীক ধীৰে ধীৰে কই,
সাৰ পাই কুঁৱৰীয়ে চালে চকু মেলি,
উঠিলে সখীক দেখি হৰষিত হই।
"অত বেলি লই শুলা" কয় গোলাপীয়ে,—
"কিয়, সখি ! আজি তুমি ? শুলে বেলিকই
নালাগেনেগাটী বেয়া ? মোৰ হলে, সছা,
"লাগে দেখোঁ বৰ বেয়া গা বেয়া হয়।"
"এৰা সখি ! আন দিনা উঠোঁ সোনকালে,"
মধুৰ মিচিকি হাঁহি কুঁৱৰীয়ে কয়,
"লাগে মোৰো গাটো বেয়া, বেলি কৰি শুলে
ৰাই জাই লাগে দেখোঁ, জ্বৰ-জ্বৰ হয় !
কিন্তু, সখি ! যোৱা ৰাতি বহু পৰলৈকে
সাৰেৰে আছিলোঁ মই টোপনী গলত
মহাৰাজ, চিঠি খনি লিখিলো তোমাৰ।"
এই বুলি চালে ৰাণী বিছাৰ আগত।
বিছাৰ আগত চাই হল আচৰিত,
নাই তাত চিঠি খনি, ৰাণীয়ে মনত

কোনে নিলে, থলে কত ? এই দৰে ভাবি
বিচাৰিলে, গাৰু আৰু তুলিব তলত ।
নাপালে, নোলালে চিঠি,—কলে কুঁৱৰীয়ে,
"চিঠি খনি চুৰকৰি নিলে কোনোবাই !
নতু থলোঁ। কৰবাত,—কিন্তু পাহৰিলোঁ,
বিচাৰি নাপাওঁ দেখোঁ ! কতো সখি ! নাই।
যদি কোনোবাই পালে, বৰ বেয়া হল !
গোপনীয় কথা, সখি ! তেনেই ওলাল !
থলো যদি কৰবাত, পাহৰিহে আছোঁ,
তেনে একো কথা নাই—সেয়ে হ'লে ভাল।"
"থলা, সখি ! কৰবাত, পাহৰিলা তুমি,
পাছে বিচাৰিলে পাবা গোলাপীয়ে কয়,
নাই পোৱা কোনোবাই আছে চিঠি খনি
ইয়াতেই কেনিবাদি, নকৰিবা ভয়।
কিন্তু সখি ! পুনু মোক চিঠি লিখি দিয়া
মানুহ নাপাম পাছে, আজি দিন গলে
চিঠি দিবলই আৰু ; আজি যাব গই
সকলোটী থাই বই, পৰেকীয়া হলে।
সখীৰ কথাটী শুনি, পুনু কুঁৱৰীয়ে
লিখিলে এখনি চিঠি সেই একে কথা
লৰা-লৰি কৰি, সেই একেই দৰেই,
একে ভাব, একেদৰে পদ্য সূতে গঁথা।
চিঠি লিখা অন্তহল, শুধিলে কুঁৱৰী
নামটো তোমাৰ সখি ! দিমনে নিদিম

চিঠিৰ তলত কোৱা, যদি দিব লাগে,
নহলে নিদিওঁ নাম এনেয়ে ৰাখিম ।
নালাগে নিদিবা, সখি ! এনেয়েই থোৱা ।
চিঠিৰ তলত নাম লাগিছে কেলেই ?
পোৱা মাত্ৰে চিঠি খনি পাৰিব বুজিব,
মই দিছো বুলি তেঁও জানিব এনেই ।”
সখীৰ কথাতে ৰাণী নিলিখিলে নাম,
সাঁগৰি-সূতৰি, দিলে সখীৰ হাতত
লৰালৰি কই চিঠি ; চিঠি খনি লই
ওলাই আহিলে সখী আনন্দ মনত ।

পঞ্চম সৰ্গ।

"——— What committed?
Heaven's stops the nose at it, and the moon wink
The bawdy wind, that kisses all it meets,
Is hush'd within the hollow mine of earth.
And will not hear it, What committed."

———*Shakespeare.*

ধোঁৱা বৰণীয়া সাজ পিন্ধি দেৱী
আহি উপস্থিত হল ধীৰে মৰতত।
এটী দুটী কৰি চাকি উঠিছে উজ্জ্বলি,
উঠিলে জগত মাতি "সন্ধ্যা প্ৰসঙ্গত।"
ৰিব্ ৰিব্ কৰি বলে মলয়া বতাহ
নইৰ বুকত ধীৰে ঢৌ নচুৱাই,
নাচিছে গছৰ পাত ওলমি দালত
ঘনে ঘনে তললই মূৰটী দোঁৱাই।
আধাফুলা ঢোপাকলি মালতী জুতীৰ
গাভৰু বিলাকে মালা গাঁথে অনন্দত
হা ম্লাস কৰি কোনে অঁৰিছে দিঙ্গিত,
খোপা বান্ধি কোনোৱেবা পিন্ধিছে মূৰত।

PLEASE HANDLE THE BOOK CAREFULLY

কাউৰী শালিকা পখী বাঁহে বাঁহে গল,
হইছে মাথোন কেঁছা ধোন্দৰ বাহিৰ।
কুউ কুউ গীত আৰু নাগায় কুলীয়ে
বজায় জিলিয়ে বীনা মাপেঁ। জিৰ জিৰ।
তিয়াগি পদুমবণ অবোধ ভোমোৰা,
মধুৰ লোভত পৰে কেতেকী ফুলত।
কিন্তু মধু পাব কত? পায় মথো দুখ,
চিগিছে মাথোন পাখী পৰি কাইটত।
হৰিযত ভেঁট ফুলে চকুদুটী মেলি
আকাশৰ ফালে চায় জোন মনোহৰ,
জিকি-মিকি জ্বলে তৰা উলাহ মনত,
জোনাকী পৰুৱা দুখে তাপিত অন্তৰ।
কাজ-কৰমৰ পৰা আহিলে সকলো,
পঢ়ি শুনি আহিৰৰ পালেহি ছাতৰ।
বিমল আনন্দে তাৰ ভৰিলে হৃদয়,-
পোৱা মাত্রে ঘৰ, হল হৰিষ অন্তৰ॥
"দাইতা! দাইতা!" বুলি হাত দুটী মেলি
মউ-সনা কথা কই উঠিলে কোলাত
আনন্দ মনেৰে সোন (প্ৰানৰ ভতিজা)!
দাইতাৰ যত দুখ লুকালে হিয়াত॥
লাহে লাহে হল নিশা,-পৃথিৱী নীৰৱ,
অথিৰ-অবিৰ হিয়া হইছে সুথিৰ।
ধীৰে ধীৰে সে ৰজনী আনে তাৰ ছবি,-
যি জ্বলালে অকালত হিয়া দাইতিৰ॥"

চুবুৰীয়া, পেহী, মাহী, চিনাকী বন্ধুৱে
(হল আজি বহু দিন !) তাক পাহৰিলে।
হিয়াৰ মাজত কিন্তু, আছে দাইভিৰ
তাৰ সেই ছবি অঁকা, নাবায় ৰহিলে ॥
সুঁৱৰি লাহৰী মুখ পোৰ কাভিনীৰ
বুঢ়ী মাকে কান্দে হায় ! এনুৱা কালত !
পুত্ৰেকৰ শোকে কাঁন্দে অভাগিনী মাকে,
চকুত চকুলো টুকি শোক-বিষাদত ॥
এনে সময়তে বহি চৰাৰ মাজত
শোকে দুখে খঙ্গে ৰজা জৰ্জ্জৰিত হই,
দাৰুণ ক্ৰোধত আৰু শোক সন্তাপত
বুলিব' ধৰিলে চাই কোটোৱাললই
মন্ত্ৰীৰ পুত্ৰেক নন্দ, বিশ্বাস ঘাতক,
"নৰাধম, পাপ মতি গইছে তীৰ্থত।
উলটিছে জানো, যাছোঁ বিচাৰি তহঁতে,
যতে পাৱ কাটি তাক পেলাবি বাটত ॥
দেখিবি নোৱাৰে যাতে সোমাব ৰাজ্যত
জীয়াই থাকোতে দুষ্ট ! পাপ মুখ তাৰ
নেদেখোঁ চকুৰে যেন ; যেনে তেনে কৰি
বধিবই লাগে তাক, কুলৰ এঙ্গাৰ ॥"
এই বুলি আৰু কিবা কলে মনে মনে,
কোটোৱাল সব হল ৰজাত বিদায়
ৰজাও সোমাই গল শোৱনী কোঠাত,
বুলিব ধৰিলে ক্ৰোধে কুৰবীৰ্ক চাই ॥

"বিশ্বাস ঘাতিনী তই, কলঙ্কিনী তিৰী,
আনিলি কলঙ্ক তই পবিত্র কুলত।
পিশাচিনী তই দুষ্টা! তিকতা জাতিৰ,-
নোৱাৰ থাকিব আৰু ইৰাজ পুৰত॥
ডাকিনী সাপিনী তই মিছাতেই, হায়
গাখীৰ খুৱাই তোক পালিলোঁ যত্নত।-
এৰিব নোৱাৰি কিন্তু জাতীয় স্বভাব,
বিৰলে দংশিলি মোক হিয়াৰ মাজত॥
কলঙ্কিনী তই হায়! নকৰিবি আৰু
কলঙ্কিত ৰাজ-পুৰি পবিত্র নির্ম্মল।
আৰু নাসানিবি মলি ইৰাজ বংশত
(চিৰ গৌৰবেৰে ভৰা, উজ্জ্বল, বিমল)॥
এইবুলি, মাতি ৰজা কলে পদ্মিনীক,
(ৰাণীৰ লগৰ বেটী)"যদি লাগে ভয়,
"লইয়া মানুহ আৰু এই পাপিনীক
ৰাজ্যৰ বাহিৰ কৰি থই আহগই॥
মাটীয়ে মাটীয়ে নিবি খোজ কাঢ়ি যাব,
পাপিণীৰ মুখ আৰু নাচাওঁ চকুত।
এই মুহূর্ত্ততে যক, এই ৰাতিয়েই।
দাৰুণ ক্রোধৰ জুই জ্বলিছে বুকুত॥"
অকস্মাতে স্বোৱামীৰ এনে কথা শুনি
অজিলী কুঁৱৰী, হায়! হল বিমূর্চ্ছিত।
জ্ঞান পাই পুনু, পাছে বুলিব ধৰিলে
কাতৰে ৰজাৰ ধৰি চৰণ দুটীত;

"এনেকুৱা ভাবান্তৰ কিয় হল, নাথ ?
কি দোষত দোষী মই ! কিয় অকস্মাত
পিশাচী, সাপিনী বুলি গালি পাৱা মোক ?
কলঙ্কিনী বুলি শেল মাৰিলা হিঁয়াত !
অত দিন হল হায় ! কোনো দিনে মোক
পাই কোৱা এনে কথা তুমি, প্ৰাণনাথ ।
কেনে কলঙ্কত মই আজি কলঙ্কিণী ?
কেনুৱা দোষত মোক ত্যজিছা হঠাত ।
জ্ঞান বিশ্বাসত, নাথ, নাই কৰা দোষ,
নাই কৰা কোনো পাপ, কলঙ্কিত কাম ।
এনুৱা নিৰ্দ্দয় তুমি কিয় হলা আজি ?
কোৱা প্ৰাণনাথ ! মোৰ জ্বলিছে পৰাণ ॥"
"কোন তোৰ প্ৰাণনাথ, কুল কলঙ্কিনি ?"
কঠোৰ মাতেৰে চাই বুলিলে ৰজাই,
'যি দহিলি, সেয়ে হল আৰু সুপ্ৰবিবি
হৃদয়ৰ বন মোৰ অগনি জ্বলাই ॥
যি কৰিলি, সেয়ে হল, আৰু কলঙ্কিত
নকৰিবি দেহা মোৰ বুলি প্ৰাণনাথ, ।
পিশাচীৰ মুখে শুনি তেনুৱা শবদ,
ক্ৰোধ অগ্নি জ্বলে মোৰ তাপিত হিয়াত ॥"
"কি কৰিলোঁ প্ৰাণ নাথ ?" শোধে কান্দি কান্দি
সৰলতা ভৰা হায় । আজলী কুঁৱৰী ।
"তুমি মোৰ প্ৰাণ পতি, হৃদয়—দেৱতা,
সুবুলি তোমাক নাথ' পাকো কেনে কৰি ?

তিয়াগিলে মোক নাথ! পোৱা যদি সুখ!
একো কথা নাই, মই এই গুছি যাম,
ৰাজ্যৰ বাহিৰ হই, কিন্তু কোৱা শুনো
কি দোষ কৰিলোঁ? উস্! জ্বলিছে পৰাণ॥
শুনি যাওঁ, কোৱাঁ, নাথ! কি দোষত আজি
কৰিছা তিয়াগ মোক ভাবি কলঙ্কিনী।
মনৰ মুকুৰি ভাঙ্গি, দিয়াঁ যাবলই,—
আছে মনে খু-দুৱাই, নাপাওঁ তৰনী॥"
অতকথা আৰু তোৰ শুনিব নোখোজোঁ,
জ্বলিছে অগনি মোৰ হিয়াৰ মাজত!
চাবলই মুখ তোৰ আৰু। নাই ইচ্ছা
এই জনমত, আৰু এই নগৰত॥
যি কৰিলি, কলঙ্কিনি দেখিছে ঈশ্বৰে
নকওঁ সি কথা মই, নোলায় মুখত।
আকাশৰ চন্দ্ৰ সূৰ্য্যে দেখিছে চকুত
কবলৈ জ্বলে জুই অথিৰ বুকুত॥"
এই বুলি ক্ৰোধে ৰজা কলে পদ্মিনীক
লইযা ই পাপিনীক এই খন্তেকত
ৰাজ্যৰ বাহিৰ কৰি-কাইলই পুৰা
নেদেখো ই মুখ যেন এই নগৰত॥"
এই বুলি খঙ্গে ৰজা আহিলে ওলাই
কোঠাৰ বাহিৰ হই বুলনীৰ ফালে।
কান্দি কাটি বহু ৰানী ইনাই বীনাই
পদ্মিনীক লই পাছে যাবলৈ ওলালে॥

শোলোকালে মনি-বিৰি বাখকৰা থাক
বালী-চৰি, শিংখাপৰ সাজ বন কৰা ;
এলেধুৰা সাজ পিন্ধি, তপসিনী বেশে
সাজু হল যাবলই ৰানী শোক-ভৰা ॥
“লাহৰী দেহৰ পৰা” কলে পমিলীয়ে
“কিয়নো হৰিছা, আই ! এনুৱা সুন্দৰ
অলঙ্কাৰ, সাজ পাৰ ?এই বয়সত
যোগিনীৰ বেশ কিয় ? কান্দিছে অন্তৰ ॥
খঙত কইছে ৰজা কিবা দোষ পাই ;
মাৰ গলে খঙ তেওঁ পুনু হব ভাল।
সি কথাত খঙ খাই নালাগে ওলাব
যাবলই,-আই। পিছে ঘটিব জঞ্জাল ॥
স্বোৱামীয়ে গুৰু আই ! গুৰুৱে তোমাক
খঙত কইছে কিবা, নালাগিবা তাত।
এদিনত খঙ কৰি, যদি কাটা পেট
ছমাহ্ শুকনী দিব লাগিব মিছাত ॥
মোৰ কথা শুনা আই ! নালাগে ওলাব
যাবলই কলইকো,-থাকঁছো ঘৰত
আজি ৰাতি,-চোৰঁা ৰাক, কাইলই পুঁৱা
কয়নে নকয় কথা তেওঁ মৰমত ॥
“স্বামী মোৰ গুৰু বাই ! স্বোৱামী দেৱতা,
তিৰুতাৰ স্বামী ধন স্বামী অলঙ্কাৰ,
জানো মই সকলোটি, স্বামীৰে কাৰণে
তিয়াগিম আজি মই স্বাৰ্থ আপোনাৰ

যদি মই থাকোঁ হায় ! তেও পাব দুখ
দুখদি তেওঁক মই নাথাকো স্বৰ্গত
আতৰিলে মই যদি তেওঁ সুখ পায়
থাকি কি কৰিম আৰু ইৰাজ পুৰত ?
তিয়াগিলো সাজ পাৰ, মণি অলঙ্কাৰ,
ইটো তুচ্ছ কথা,—বাই ! পাৰোঁ তিয়াগিব
পৰাণকো আপোনাৰ, যদি পায় সুখ
স্বোৱামীয়ে মোৰ,—পাৰোঁ আত্মবলি দিব ॥
সংসাৰৰ সুখ ভোগ নিচেই অসাৰ !
তেনুৱা সুখত লাগি দিম স্বোৱামীৰ
মনত কেলেশ, বাই ! নোহোঁ তেনে মই,—
নোহে ধৰ্ম্ম তেনেকুৱা আদৰ্শ তিৰীৰ ॥
তপস্বিনী বেশে যাম তিয়াগি নগৰ,
সেই বুলি মোৰ একো দুখ নাই বাই !
কিন্তু কি দোষত আজি মোৰ এনে দশা ?
তাক যে নাপালোঁ মই শুনি যাব হায় !
এই দুখে মাথো মো'ৰ দহিছে অন্তৰ !
এই এটা কথা মাথোঁ থাকিলে মনত !
বেলি নকৰিবা আৰু বলা যাওঁ বাই—
ৰাজ্যৰ বাহিৰ হও ঘোৰ এন্ধাৰত ॥
নহয় কইছোঁ কিনো ! লাগিছে কেলেই
তোমাক লগত বাই ? তুমিতো সদাই
নাথাকিবা ৰাখি মোক ? অকলে অকলে
যাম মই,-আছে মোৰ ঈশ্বৰ সহায়

ৰাখিলে ৰাখিব তেওঁ মাৰিলে মাৰিব
ৰখা মৰা সকলোটী তেঁওৰ হাতত !
কেলেই লাগিছে ৰাই! মিছা-মিছি কই
যাব তুমি মোৰে সতে নিশা দুপৰত ?
মোত লাগি কিয় খাবা এনুৱা কেলেশ ?
চকুৰে নমনা তুমি, বুৰী হলা বাই।
অকলে অকলে যাম নালাগে তোমাক
নাই ভয় বাই ! মোৰ ঈশ্বৰ সহায় ॥”
এই বুলি শোকে ৰাণী ওলালে বাহিৰ
শোৱণী কোঠাৰ পৰা অকলে অকলে
সাজু হল যাবলই বেজাৰ মনত
চকুৰ চকুলো টুকি নীৰলে নীৰলে ॥
“অকলে নালাগে যাব, ময়ো যাওঁ আই।”
কান্দি কান্দি অতি অতি শোকে পমিলীয়ে কয়,
এই মহা নিশা হায় ! অকলে তোমাক
কিরূপে পঠাওঁ ? মোৰ পৰাণে নসয় ॥
আজলী ছোৱালী তুমি ৰজাৰ কুঁৱৰী
সজাৰ মইনা যেন থাকা ভিতৰত ’
দেখা নাই বাট পথ, যাবা কেনেকই
অকলে অকলে তুমি এই এন্ধাৰত ?
ময়ো যাম, আই মোৰ ! তোমাৰ লগত,
কাৰ মুখ চাই আৰু ইয়াত থাকিম ?
কোনেনো কৰিব আৰু বুৰীক মৰম
তোমাদৰে ? এই শোক কিরূপে সহিম ?

তোমাৰ যেনুৱা দশা মোৰো হব তেনে,
তুমি যোৱা বনলই,ময়ো তাতে যাম !
কি কৰিম থাকি মই ইৰাজ - পুৰত ?
কি সুখত ? আৰু আই ! কাৰ মুখ চাম ?
নাগিনী ৰাখিবলই লাগে শৰ জাঠি
নলাগে,- নাগিনী যদি নাই কিম্বা তাৰ
কি কৰিব শৰ জাঠি ? লাগিছে কেলেই
শৰ-জাঠি অকথাত, মিছা মিছি ভাৰ ?
তোমাক ৰাখিবলই দিছিলে লিগিৰী
তোমাৰ লগত মোক, যদি তুমি যোৱা
ইৰাজ পুৰত আৰু লাগিছে কেলেই
দুখুনী বুৰীক ? আই। ভাবি তুমি চোৱা।
দুখ হক সুখ হক, তোমাৰ লগতে
যাম মই, আহা ! মোক নেৰিবা বুৰীক।
অপুত্ৰকা মই, মোৰ কোনোৰেই নাই
যোৱা লগতেই লই বুৰী লিগিৰীক।
এই বুলি শোকে বুৰী কান্দিব ধৰিলে
ইনাই-বিনাই,, হায় ! মনৰ বেগত !
বুৰীলই চাই পুনু কলে কুঁৱৰীয়ে
ঠোকা-ঠোকি ধীৰে ধীৰে, বেজাৰ মনত;—
মাইকীৰো এনে স্নেহে, এনুৱা মৰম
জীয়েকত আছে নাই নাপালো বুজিব !
সকতে মৰিলে আই ! মাউৰী ছোৱালী।

তোমাৰ এনুৱা স্নেহ পৰজীয়ৰীত ?
চেনেহৰে ভৰা জানো তোমাৰ অন্তৰ ।
চেনেহে ভৰাই জানো গঢ়িলে বিধিয়ে
তোমাক, জানোবা তুমি মুৰ্ত্তি চেনেহৰ ।
উপৰি জন্মত তুমি জানোবা আছিলা
মোৰ আই । সেই বুলি স্নেহ এনেকুৱা
তোমাৰ মোলই বাই ! সেই বুলি জানো
অন্তৰে সইতে মোক এনে ভাল পোৱা !
বলা বাই ! যদি তুমি থাকিবা লগত
স্বৰ্গ স্নুখ ভোগ মোৰ ঘটিব বনত ।
এই বুলি কুঁৱৰীয়ে পমিলীক লই
ঘৰৰ বাহিৰ হল ধীৰ ধীৰ কই ।

ষষ্ঠ সৰ্গ ।

"We Hermia, like two artificial Gods,
Have with our needles created both one flower,
Both on one sample, sitting on one cushion,
Both warbling on one song, both in one key ;
As if our hands, our sides, voices, and minds
Had been incorporate. So we grew together
Like to a double cherry, seeming parted,
But yet a union in partition,
Two lovely berries moulded on one stem:
So with two seeming bodies but one heart,"

———Shakespeare.

গহীন দুপৰ নিশা । ঘোৰ অন্ধকাৰ,
নাই কাৰো কতো মাত নিজম, নিতাল !
নিশাৰ বতাহ মাথোঁ বলে ধীৰে ধীৰে
লৰাই গছৰ পাত, সৰু সৰু ঠাল ।
আহা কি গহীন ভাব ধৰিছে পৃথিবী
নাই কাৰো কাতো খঙ্গ নাই দ্বন্দহাই ।
নাই কতো শোক তাপ বিষাদৰ জুই
নাকান্দে শোকত কেৰে ইনাই বীনাই ।

পাহৰিছে বিৰহিনী বিৰহৰ দুখ,
পুত্ৰ শোকাতুৰা মাকে শোক পুতেকৰ !
দুৰ্ভগীয়া পাহৰিছে বিষয়ৰ জ্বালা,
দাসত্ব দোলৰ চেপা, তাপ সংসাৰৰ ।
আহা ! কি মধুৰ ভাব ! সকলো সমান,
সকলোটী একাকাৰ, নাই একো ভিন
কি অৰণ্য কি নগৰ ওখৰা ওখৰি
অনন্ত এন্ধাৰে ভৰা, সকলো অচিন
অনন্ত ব্ৰহ্মাণ্ড, আহা ! নীৰৱতা ভৰা !
জগতৰ প্ৰাণী আজি ঘোৰ টোপনীত !
নাই কতো কোনো কাৰো সবে অচেতন ।
এনুৱা কালত হায় ! এনে মহা নিশা
পদ্মিনীয়ে সতে যায় দুখুনী কুঁৱৰী
বাজ হই নগৰৰ, বিষাদ মনত
হৃদয়ৰ শোক, তাপ সুঁৱৰি সুঁৱৰি ।
আগে আগে যায় ৰাণী পাছত পদ্মিনী
পকিমুৰী কুঁজী বুঢ়ী কুঁজা কুজ কই
লাখুটীত দিদি ভেজা, ককালত বিষে
মাজে মাজে ধৰে, পুনু ৰয় পোন হই ।
কাঢ়িব নোৱাৰে খোজ, বল নাইকিয়া
হাবাথুৰি খালে বুঢ়ী ফেঁাপাই জেঁাপাই !
"বহোঁছোঁ অলপ তেনে" কলে কুঁৱৰীয়ে,
ভাগৰ লাগিছে যদি বুৰাগাত, বাই ।"
"নবহো ইয়াত আই ! বহোঁগই বলা

গোলাপ ইতৰ * তাত, পদ্মিনীয়ে কয়,
সখীক নোযোৰাঁ জানো চাই আজি তুমি ?
বলা যাওঁ গোলাপক চাই লওঁ গই।”
“এৰা বাই ! আহাঁ যাওঁ তাতে বহোঁগই
সখীক আজিয়ে দুয়ো দেখিশুনি লওঁ।
আৰুতো নাপাম ? আৰু নেদেখোঁ সখীক
হেপাহ গুছাই আজি কথাবাত্ৰা হওঁ।
এই বুলি কই ৰাণী পদ্মিনীয়ে সতে
আকউ ধৰিলে যাব’ লাহেলাহেকই ;—
অলপ দূৰই হই, অলপ পাছতে
গোলাপী সখীৰ দুয়ো ঘৰ পালে গই।
ঘোৰ টোপনীত সখী গোলাপী আইতী,
মাকো ঘোৰ টোপনীত সাৰ সুৰ নাই ”
“সখি ! সখি ! উঠাছোন !” চিয়ঁৰি চিয়ঁৰি
ৰাণীয়ে সখীক পাছে তুলিলে জগাই।
সাৰ পালে গোলাপীয়ে চালে চকুমেলি
কুঁৱৰীৰ বেশ দেখি হল আচৰিত !
শুধিলে, কি কথা সখি ! কিয় দেখোঁ আজি
এনুৱা তোমাৰ হায় ! বেশ বিপৰিত ?
হাঁহিমুৱা মুখ খনি কান্দো-কান্দো হল
কিনো বিষাদত আজি ? কোৱাঁ সখি মোক ;
কিয়নো আনন্দ, হায় ! নাই অন্তৰত ?

* গোলাপীক পদ্মিনী কুঁৱৰীয়ে গোলাপ বুলি মতে

বিষাদেৰে ভৰা কিয় ? পোৱাঁ কেনে শোক ?
তোমাক এনুৱা দেখি,-এনেকুৱা বেশ,—
কঁপিছে পৰাণ মোৰ,-থিৰেবে নৰয় !
কোৱাঁ সখি ! আজি কিয় যোগিনীৰ দৰে
আহিছাই মহা নিশা অন্ধকাৰ ময় ?"
গোলাপীৰ কথা শুনিটুকি চকু পানী
কুঁৱৰীয়ে কলে কথা এটী দুটী কৰি ;
(আদি অন্ত সকলোৰে) বিযাদ মনত
হৃদয়ৰ শোক তাপ সুঁৱৰি সুঁৱৰি ॥
শুনি কুঁৱৰীৰ কথা (সখীৰ স্নেহত)
গোলাপীয়ে দুখে শোকে কান্দিব ধৰিলে !
"এয়ে কি আছিলে, সখি, তোমাৰ ভাগ্যত"
এই বুলি টোপা টোপে চকুলো টুকিলে ॥
না কান্দিবা আৰু তুমি" কলে কুঁৱৰীয়ে,—
আছিলে ভাগ্যত যেনে, ঘটিছে তেনুৱা !
বিধতাৰ ইচ্ছা, সখি ! নোৱাৰি খণ্ডাব,
নকৰা মিছাতে আৰু শোক এনে কুৱা ॥
এৰি দিয়া শোক সখি ! মাগিছোঁ বিদায় ।
এয়ে শেষ দেখা দেখি, আৰু নেদেখিম ।
শোক দুখ বেজাৰত অৰণ্য মাজত
সুঁৱৰি তোমাক মাথোঁ বিৰলে কান্দিম ।
দুৰ্ভাগ্যৰ ফেৰ, সখি ! আজি শেষ হল
হৃদয়ৰ আশা মোৰ ! সখীৰ প্ৰেমত
বান্ধিছিলোঁ । কত কথা মিলি দুয়োজনে

কত বঙ্গে কতদিন বহি গোপনত।
কত সময়ত সখি কত যে ধেমালী
কৰিছিলোঁ দুয়ো মিলি আনন্দ মনত
একে লগে পঢ়ি পঢ়ি কত হাঁহিছিলোঁ।
ছোৱালী কালৰ হায় ! সখীৰ প্রেমত।
গন্ধৰ্ব্ব লোকৰ দুটী ছোৱালীৰ দৰে
বাঢ়িছিলোঁ একে ফুল একে কাপোৰত !
কত সুখে একে লগে বহি দুয়োটীয়ে
গাইছিলোঁ কত গীত সুৰলা সুৰত।
হায় সখি ! যেন একে হাত একে সুৰ
একে প্রাণ, একে দেহ একেই সকলো
সেই দৰে, একে লগে ধৰা ধৰি কই
আমি দুয়ো সখী সখি ! একেই বাঢ়িলোঁ !
যেন দুটি কলাপুলি সৰল কোমল,
স্বতন্ত্র, অথচ, দুয়ো গঁথা মূলে মূলে !
একোটী ঠাৰিতে যেন দুটী ফুলা ফুল,
একে প্রাণ, তথাপিও ভিনে ভিনে ফুলে !
বাঢ়িলো ইদৰে, সখি ! আমা দুয়োটীয়ে
কিন্তু সি সপোন মোৰ আজি হল শেষ !
মোত লাগি সখি ! আৰু নকৰাঁ বেজাৰ !
শেষ দেখা আজি ! মোক নিদিবা কেলেশ !"
এই বুলি কুৰঙ্গীয়ে বল মনে মনে
তপত চকুলো টুকি নীৰলে চকুত।
দুখ বেজাৰৰ তাপ সহিব নোৱাৰি

কান্দিব ধৰিলে মুখ সুমাই বুকুত।
"হায়! সখি ৰজানেকি এনুৱা নিৰ্ম্মম"
ৰানীলই চাই কান্দি গোলাপীয়ে কয়,
"নাই কি তেওঁৰ, হায়! একো বিবেচনা!
ত্যজিলে তোমাক! তেওঁ এনুৱা নিৰ্দ্দয়?
"কিয় সখি! দিছা দোষ মিছাতে ৰজাক?
আপোনাৰ ভাগ্য বেযা কিহব দোষিলে
মিছাতে লোকক সখি! আছিলে ভাগ্যত
সেই বুলি মোৰ আজি এনুৱা ঘটিলে।"
এই বুলি কঁুৱৰীয়ে ধৰিলে সাবতি
চোনহেৰে গোলাপীক কান্দি কান্দি কলে
"যাওঁ, সখি। দিয়াঁ মোক সাদৰে বিদায,
আৰু বেযা হব মোৰ ৰাতি পুৱা হলে।"
'কিয় যাবা সখি। তুমি অকলে অকলে?
তোমাৰ লগতে যাম মযো বনলই।
একে লগে হলোঁ বৰ, বাঢিলোঁ দুজনে,
এতিযাকি যোৱা তুমি মোক এৰিহাই?
তুমি এৰি গলে সখি! আজি পৰা আৰু
হৃদযৰ কথা কাক কম উলিয়াই?
কোনেনো কৰিব মোক মৰম সাদৰ
এই নগৰত? মোৰ আৰু সখী নাই।"
"অকলে অকলে থই দুখুনী মাৰাক
কিয় যাবা মোৰে সতে তুমি বনলই?
কিৰূপে থাকিব মাৰা অকলে ঘৰত?

তোমাক নেদেখি তেওঁ ৰব কেনেকই ?
তোমাক নেদেখি, সখি। কান্দিব মাৰাই
আউলি বাউলি হই দাৰুন শোকত
নালাগে, নোৱাৰা তুমি যাব বনলই
মোৰে সতে আজি সখি! মনৰ বেগত।
"আকউ আহিম, সখি।" কয় পোলাপিয়ে
"উলটি আহিম থই তোমাক বনত।"
এই বুলি, তুলি আনি টোপনীৰ পৰা
সকলোটী কলে কথা, মাকৰ আগত।
দিলে মাকে অনুমতি। চেনেহী গোলাপী
গল পদ্মিনীয়ে সতে ৰানীৰ লগত
এগুজি দুখুজি কৰি অৰণ্যৰ ফালে
শোক দুখ তাপ লই হিয়াৰ মাজত,।

সপ্তম সৰ্গ।

"Remote, unfriended, melancholy, slow
Or by the lazy Scheld or wandering Po,
*　　　*　　　*
Wherever I roam, whatever realms to see,
My heart untravell'd fondly turns to thee."
Goldsmith.

পূৰ্বতী হাঁহিছে পূবে, পলাইছে নিশা
লুকুৱাই আপোনাৰ মুখ বিষাদিত ;
দাৱৰেৰে স'তে মিলি ৰশ্মি সুকৰৰ
জিলিকিছে আকাশৰ চাৰিও দাতিত।
জুই বৰণীয়া ৰথ চলে সুকৰৰ
ধীৰে ধীৰে একে বাহে আকাশ পথত !
আঁতৰি আঁতৰি যায় বাট এৰি এৰি
মহাঘোৰ অন্ধকাৰ বিষাদ মনত
ধীৰে ধীৰে আহে যায় পুৱাৰ বতাহ
কুউ কুউ কৰি কুলি গায় মিঠা গীত !
কোনো হাঁহে কোনো কান্দে, কাৰো জ্বলে প্ৰাণ,
শুনি সি অমিয়া গীত কোনো বিষাদিত।
এনে সময়তে এটী পুখুৰী পাৰত

(কমতা পুৰৰ পৰা আঁতৰি বহুত)
বহি আছে এটী দেকা বিষাদ মনত
শোকেৰে চকুলো টুকি দুয়টী চকুত।
ভাবি ভাবি মাজে মাজে হুমুনীয়া কাঢ়ে,
তললই কৰে মুৰ বিষাদ মনত।
কৰ দেকা? কিয় এনে ভাবি বিয়াকুল?
চকু পানী টোকে কিয়? কিহৰ দুখত
প্ৰবাসী কি এওঁ হায়? নিজৰ ঘৰত
মৰমৰ বাই ভনী তিয়াগি আহিছে?
হল আজি বহুদিন, দেখা শুনা নাই,
সি দুখতেনেকি এই চকুলো টুকিছে?
হাত ধৰা ধৰি কৰি কত চেনেহত
ভাই ককায়েৰে সতে জানো উঠিছিলে।
কিন্তু আজি বহু দিন, আছেহি আঁতৰি,
সেই বুলিনে কি আজি বিষাদে ধৰিলে?
কান্দিছে হৃদয় নেকি আজি দুৰ্ভগাৰ
অতি চেনেহৰ, হায়! মাকক সুঁৱৰি,—
হিয়া ঢাকুৰাই যাক গইছে তিয়াগি
অকলে ঘৰত, প্ৰাণ শোকাকুলা কৰি?
কিম্বা দুৰ্ভগীয়া আজি টুকিছে চকুলো,
ভাবি এৰি-থই-যোৱা প্ৰতিমা প্ৰাণৰ?
পৰাণৰ প্ৰাণ বুলি যাক ভা'বিছিলে
তেওঁকেই ভাবি নেকি কান্দিছে অন্তৰ?
কৰ দেকা?-কিয় আজি এনে বিয়াকুল?—

পাঠক ! পোৱা বা চিনি ? ছোঁৱাছোঁ খন্তেক ।
যদি নাই পোৱা চিনি,-কওঁ শুনা মই,—
এওঁৰেই নন্দ নাম ,-মন্ত্ৰীৰ পুত্ৰক ॥
গোলাপী সখীৰ এওঁ প্ৰাণৰ প্ৰণয়ী ,—
গইছিলে এওঁৱেই গঙ্গাতীৰ লই ,
বিৰহৰ সাগৰৰ ঢউৰ মাজত
প্ৰনয়িণী গোলাপীক উটুৱাই থই ।
আহিছে গঙ্গাৰ পৰা উলটি এতিয়া,
কত ভাবি কত চিন্তি পুখুৰী পাৰত
বহিছে দুখে ভাগৰে, কান্দিছে নীৰলে
ভাবি আপোনাৰ দশা বিষাদ মনত ।
এটী হুমুনীয়া কাঢ়ি, দুখিত মনেৰে
তললই কৰি মুৰ ভাবিলে মনত
"ক'তা ? দেখোঁ নোৱাৰিলোঁ ভূলিব একোতে ?
মিছাতে ভ্ৰমিলোঁ মাথোঁ দেশ বিদেশত ?
কত আশা কৰি পিতা দিছিলে পঠাই
গঙ্গাতীৰলই মোক, তেঁও ভাবিছিলে,
ভূলিব পাৰিম মই সেই মুখখনি
আতৰি বহুত দিন দূৰত থাকিলে ।
ফুৰিলো ইমান দিন ! আজি এবছৰ !
ক'তা ? দেখোঁ নোৱাৰিলোঁ ভূলিব সিমুখ ?
হৃদয়ত অঁকাদেখোঁ, সেই একে ছবি ?
ভাবিলে 'ভূলাৰ কথা' বাঢে মাথোঁ দুখ !
যতে ফুৰোঁ, যতে গলো দেশ বিদেশত

সেই একে ছবি দেখোঁ হিয়াৰ মাজত ?
সেই মূৰ্ত্তি, দেখোঁ, মোৰ চিৰ লগৰীয়া ?
অলপো আঁতৰ ক'তো হোৱা নাই কিয়া।
হায় ! পিতা, মই অতি পাপী নৰাধম !—
একোতেই নোৱাৰিলো তোমাৰ আদেশ
পালন কৰিব মই ! কি ৰূপে দেখাম
তোমাক ইমুখ মোৰ ? জন্মিছে কেলেশ।
কত ক'লা, পিতা ! তুমি (ভালৰ কাৰণে)
পাহৰিব' সেই মুখ, হৃদয়ৰ পৰা
আঁতৰাব সেই ছবি, একোনোৱাৰিলো !
সেই মুখ, পিতা ! মোৰ শোক-তাপ-হৰা।
মিছা তীৰ্থ লই গ'লোঁ, মিছা অতদিন
বিদেশ ফুৰিলোঁ, পিতা ! একোকে ন'হল !
পাহৰা থাওক পৰি নিতে সোঁৱৰণী
আনি সেই মূৰ্ত্তি মোক কৰিলে বিকল।
উস !—
জলিছে হিয়াত বিষম যাতনা
পৰি প্ৰনয়ৰ ঘোৰ প্ৰমাদত !—
জ্ঞান বুদ্ধি আজি গ'ল সকলোটী ,
জলে মাথোঁ হিয়া নিতে বিষাদত।
ভুলিছোঁ জগত, ভুলিছোঁ সংসাৰ
ভুলিছোঁ আকাশ, অমৰা নগৰ !
ভুলিছোঁ অদৃষ্ট ভাগ্য আপোনাৰ,
জীৱন মৰণ নৰ জীৱনৰ,

ভূ'লিছোঁ ধৰম, ভূলিছোঁ কৰম,
ভূলিছো যে আজি আজি আপোনাৰ পৰ,
ভূলিছোঁ প্ৰতিজ্ঞা ভূ'লিছোঁ চেনেহ,
আপোন পিতাৰ কথা মৰমৰ ।
পাহাৰিছোঁ বিয়া, ভূলিছোঁ সমাজ
ভূ'লিছোঁ নিজৰ হৃদয় পৰাণ !
ভূলিছোঁ ভাইতি, ভূলিছোঁ ভনিতী,
ভূলিছোঁ সকলো জাতীয় সন্মান !!
কলঙ্কৰ থালি বোজা বান্ধি লম,
কলঙ্কৰ ভয় নকৰো মনত !
কলঙ্কিত বুলি জগতে নিন্দিব,
নিন্দোক জগতে কি হানী নিন্দাত ?
বিৰহ ৰ'ক্ষস নিজে বলি দিম,
সুখেৰে পুৰাম হেপাহ মনৰ !
গুছি যাম গই দূৰ দেশলই,
(জনম ভূমিৰ বহুত আঁতৰ !)
নিৰ্জ্জন বনত কটাম জীৱন
হিয়াৰ মাজত ভৰাই পৰাণ !
কোনেও নাজানে, কোনেও নুশুনে
আমাদুয়োটীৰ প্ৰেম ভৰা গান !"
এই দৰে কত ভাবি আপোন মনত.
আছিলে অকলে দেকা পুখুৰী পাৰত ;
এনে সময়তে, হায় ! বহু কোটোৱালে
তেঁওক ধৰিলে গই বেৰি চাক ফালে ।

বেঢ়ি ললে কোটোৱালে, ধৰিলে হাতত,
বিয়াকুল হ'ল ডেকা প্ৰাণৰ ভয়ত।
শুধিলে কাতৰ মুখে, "কিয় ধৰা মোক?
নাই কৰা একো মই, নাই কোনো দোষ।
হাতে হাতে তৰোৱাল দেখি লাগে ভয়!
কি দোষত আজি মোক কাটিব খুজিছা?
মন্ত্ৰীৰ পুতেক মই, নাই অপৰাধ,
আহিছোঁ তীৰ্থৰ পৰা, কিয়নো ধৰিছা?"
এই বুলি কই নন্দ চকু পানী টুকি
কান্দিব ধৰিলে, হায়! প্ৰাণৰ ভয়ত!
নন্দলই চাই ক্ৰোধে ক'লে কোটোৱালে,
"ৰজাৰ আদেশ তোক কাটিব বাটত।
পাপী নৰাধম তই! ব্ৰাহ্মণ কুলত
জন্ম লই, কৰ তই পৰস্ত্ৰীত আশা?
সেই দোষ নে কি তোৰ দোষেই নহয়?—
সি পাপতে আজি তোৰ এনেকুৱা দশা।
খন্তেকৰ পাচে আৰু নাথাকে পৰাণ,—
অধম দেহাত তোৰ!—ইষ্ট-দেৱ-নাম
সুঁৱৰিব খোজ যদি, সুঁৱৰি ল তই,—
নহলে, নাপাবি আৰু এনুৱা সময়।"
"বিশ্বাস নহয় মোৰ," বুলিলে নন্দই,—
"নকৰে কদাপি ৰজা ব্ৰহ্ম-বধ-পাপ!
খন্তত যদিও তেঁও কইছে সিদৰে
এতিয়া,—পাচত পাব ঘোৰ মনস্তাপ।"

"ব্ৰহ্মবধ-পাপ ? দুষ্ট !" কয় কোটোৱালে,—
"শুদিৰণী-সংসৰ্গত তেজ ব্ৰাহ্মণৰ
নষ্ট পালে তোৰ গাৰ ! পতিত ব্ৰাহ্মণ !
কলঙ্ক এতিয়া তই ব্ৰাহ্মণকুলৰ ।
তোক কাটি থ'লে, আৰু ব্ৰহ্ম-বধ পাপ
নালাগে ৰজাৰ গাত, কিম্বা কাটোঁতাৰ !
পতিত ব্ৰাহ্মণ তই ! শুদিৰণী-লোভী !
ব্ৰাহ্মণকুলৰ তই কুলৰ এঙ্গাৰ !"
'যদি সেয়ে হয়," ধীৰে বুলিলে নন্দই,—
"একো কথা নাই, যদি আদেশ ৰজাৰ,—
কাটি প'লা মোক ; আৰু নাই আশা মোৰ
এই পাপ-পৰাণত, অনিত্য, অসাৰ !
মিনতি কৰিছো, কিন্তু নাকাটি এতিয়া,—
লই ব'লা মোক মোৰ আপোন ঘৰত,—
শেষ দেখা দেখি লওঁ পিতাদেৱে স'তে,—
আৰু পৰাণৰ দেৱী, যাৰ সংসৰ্গত
কলঙ্কিত বুলি সবে নিন্দিছা নন্দক ।
হেপাহ পূৰাই লওঁ সেই মুখ চাই !—
আৰু যে নহ'ব দেখা এই জনমত !—
দেখুৱা এবাৰ মাথোঁ, আৰু আশা নাই !
মাৰা, কাটা, যেই কৰা কৰিবা পাচত,—
এবাৰ দেখুৱা মাথোঁ সেই মুখ খনি
প্ৰেমময়ী প্ৰতিমাৰ, যাৰ বিৰহত
জ্বলিছে হিয়াত মোৰ দাৰুণ অগনি ।

যদি দেখোঁ সেই মুখ এবাৰ মাথোন
যমো যদি নিজে আহে, নকৰোঁ যে ভয় !
নৰকতো পৰোঁ যদি, তাতো পাম সুখ
সেই মুখ খনি ভাবি,-ব'লা মোক লই ।"
কত ক'লে এই দৰে,- কিন্তু কোটোৱালে
একো নুশুনিলে, হায ! শিলাময় মন !
দাঙ্গি ল'লে তৰোৱাল ! "অষ্টমীৰ দিনা "
কাটে যেনেকই ছাগ, কাটিলে ব্ৰাহ্মণ !
ইকি ভয়ঙ্কৰ দৃশ্য ! পুখুৰীৰ পাৰ
তেজেৰে ৰাঙ্গলী হ'ল ! নিষ্ঠুৰ কোটাল !—.
ব্ৰহ্মবধ কৰি হায় ! নালাগেনে বেয়া ?
মানুহক কাটি নে কি পাব বৰ ভাল ?
শিলেৰে বনাই নে কি পঠালে ঈশ্বৰে,
নিৰ্দ্দয় নিষ্ঠুৰ হায় ! হিয়া তইঁতৰ ?
নালাগে পাপৰ ভয়, করুণা মনত
অকালত প্ৰাণ বধ কৰোঁতে নৰৰ ?
আহা নন্দ ! কান্দে প্ৰাণ ! ভাবিলে তোমাৰ
এনেকুৱা দশা আজি পুখুৰী পাৰত !
বিদেশৰপৰা তুমি কত আশা কৰি
আহিছিলা দেশলই কত হেপাহত !
আছিলে হেপাহ কত পাম বুলি সুখ
আকউ দেশত দেখি প্ৰণয়িনী মুখ ;
কিন্তু সেই আশা হায় ! নউ পুকতেই
ৰাক্ষসৰ হাতে প্ৰাণ এৰিলা নিজেই !

এনুৱাই ঘটে যদি প্ৰকৃত প্ৰেমত
প্ৰেমক বিচাৰি কিয় ফুৰে জগতত
নিৰ্ব্বোধ মানুহে হায়! নাভাবি সুগুণি।
এয়েনে কি প্ৰতিফল প্ৰেমৰ সগনী?
ই কি কাণ্ড ভয়ানক! নিষ্ঠুৰ কোটালে
কুটি বাচি ল'লে হায় মাংস ব্ৰাহ্মণৰ!
যুৱতীও ল'লে বান্ধি! নৰমাংস খোৱা
আছে কি মানুহ হায়! ক'তো জগতৰ?
এতিয়াও আছেনে কি লঙ্কাৰ ৰাক্ষস?
ৰকাসুৰ, বঘাসুৰ ঘোৰ অৰণ্যত?
সিহঁতৰে পো-নাতিনী নে কি কোটোৱাল?—
কাটিলি বামুন আজি মাংসৰ লোভত?
পঢ়িছোঁ পুথিত বহু আগৰ কালৰ,
(ইতিহাস পুৰাণত প্ৰাচীন যুগৰ)
বহু আচৰিত কথা,-সত্য-দ্বাপৰত
পশুৰ সন্তান হয় নাৰীৰ গৰ্ভত।
তইঁতেও নে কি হায় নিৰ্দ্দয় কোটাল!—
পশুৰ সন্তান?-মাথোঁ সাজ মানৱৰ?
পশুৰো যে আছে দয়া মায়া অন্তৰত;—
নাই মাথোঁ কনামাত্ৰো দয়া তইঁতৰ!
যুৱতীয়ে স'তে লই মাংস ব্ৰাহ্মণৰ
নগৰৰ ফালে গ'ল বেগে কোটোৱাল।
পৰেকীয়া সময়ত পালেগই গই
ৰজাৰ নগৰ, আৰু ৰজাক কোটাল

দেখুৱালে উলিয়াই মুৰটো নন্দৰ,
মাংসৰ টোপোলা থলে ৰজাৰ আগত !
মাংস দিলে খাবলই মন্ত্ৰীৰ ঘৰত
হৰিণাৰ মাংস বুলি !
মুৰটো সুমাই থ'লে লুকাই ৰজাই,
আহাহা ! আকাশ !!
বজ্ৰহীন আজি তই !—নতুবা বজ্ৰত
নাই সেই তেজ আজি, যি তেজেৰে স'তে
ত্ৰিলোক কঁপাইছিলে তাহানি কালত !

অষ্টম সৰ্গ।

"There is no union here of hearts
That finds not here an end:
*　　　*　　　*
Beyond the flight of time,
Beyond this vale of death,
There surely is some blessed clime
Where life is not a breath,
*　　　*　　　*
There is a world above
where parting is unknown;
A whole eternity of love,
Form'd for the good alone."
——Montgomery.

"ক'তা সখি! এতিয়াও নাহিলে পমিলী?
পুৰাতেই গ'ল বুঢী, কিয় অত বেলি?"
কমতাপুৰৰ পৰা বহুত দূৰই
এখন বনত ধীৰে গোলাপীয়ে কয়।
"এৰা সখি! অত বেলি পাব লাগিছিল,—"
ধীৰে ধীৰে কুঁৱৰীয়ে গোলাপীক কয়,—

‘জানোঁ সখি ! আহি নন্দ নাই পোৱাহি বা ?
সি কাৰণে, জানো বুঢ়ী আছে তাতে ৰই ?”
“কিয় সখি ! নাপাবহি তেওঁ আহি ঘৰ ?
কে’বা দিনো হ’ল আজি, দেখিছিলে হেনো
তেওঁক ৰহুতে সখি ! বাটত এদিন;—
কিয় বুঢ়ী অহা নাই ? তাকে মাথোঁ শুণো।
নে, সখি ! খুজিছে তেওঁ আহিব সন্ধীয়া
পখিলীবে স’তে ভ্ৰুযো এই বনলই ?
দেখা নাই বাট-পথ ক’ত ঝাচোঁ আমি,—
সি বুলি বা বুঢ়ী সখি ! আছে তাতে ৰই ?”
“জানোঁ সখি ! ৰ’বাছোন” ক’লে কুঁৱৰীয়ে,—
“গধূলি হ’লেতো বুঢ়ী আহিব উলটি ?
উতলা নহ’বাঁ সখি ! থিৰভাবে ৰোৱাঁ,—
নহবা মিছাতে তুমি বিয়াকুল অতি।”
এই বুলি কুঁৱৰীয়ে-ৰ’ল মনে মনে ;—
স্বকযক চাই থঙ্গে গোলাপীয়ে কয় ;—
“যোৱাঁ দেৱ ! যোৱাঁ তুমি, পুকুৱাঁ আঁৰত
আকাশ পথৰপৰা বেগা বেগি কই।
তোমাৰ ৰথৰ ঘোৰা খেদোৱাঁ বেগাই ,—
জুই ৰৰনীয়া চঁৰা পৰোক মেঘত ;
ঘোৱাঁ দেৱ। যোৱাঁ তুমি, নাথাকিবা আৰু
আকাশ মাৰ্গত ; যোৱাঁ অস্ত-অচলত।
ৰথৰ সাৰথী তুমি নিজেই, অৰুণ !—
কোবাই কোবাই ঘোৰা কিয় নেখেদোৱাঁ ?

পলম্ কিয়নো কৰা ? বেগা-বেগি কই
সুকযক লই তুমি কিয়নো নোযোৱা ?
নিতে নিতে তুমি পথি ! চলাইছা ৰথ,—
বিষাদে বা হাত যোৱা খেদোতে-খেদোতে ?
অৰুণ ! তোমাৰ নে কি লাগিছে ভাগৰ
সুকযে সইতে নিতে ফুৰোতে-ফুৰোতে ?
এদিনো আজৰি নাই,—নিতে পুঁৱা হ'লে,
এহাতেৰে দোল ধৰা,—এহাতে আচাৰি;—
'এক চক্র ৰথ' খনি নিতউ চলোৱঁা
আকাশে দি,—পশ্চিমৰ ফালে মুখ কৰি।
সি বুলি অৰুণ ! যদি লাগিছে ভাগৰ,—
সোনকালে যোৱঁা আজি অস্ত গিৰিলই,—
জুড়োৱঁা খন্তেক তাতে, পলোৱঁা ভাগৰ,
আকউ আনিবা ৰথ ৰাতিপুৱা কই !
আহাঁ হে সন্ধিয়া সখি.! দিয়া ঢালি তুমি
ধোৱা বৰণীয়া আহা ! শীতল কিৰণ !
দেশ-এৰা প্ৰবাসীয়ে ভূলক খন্তেক
হৃদয়ৰ শোক, তাপ. বিৰহ দহন !"
এনে সময়তে আহি পালেহি পদ্মিলা
শোকত চকুলো টুকি কান্দো কান্দোঁা হুই !—
পদ্মিলাক এনে দেখি শুধিলে গোলাপী,—
"কিয়, বাই ! চকু-পানী টোকা এনেকই ?
সৰ্ব্বনাশ নে কি, বাই ঘটিছে তেওঁৰ ?
আহি তেও নেকি ছায় ! পোৱাহিয়ে নাই ?

অথিৰ-অবিৰ মোৰ হইছে হৃদয়,—
কি ঘটিছে ? কিয় কান্দা ? কোৱা মোক বাই !
"অদৃষ্ট তোমাৰ আই !" ক'লে পদ্মিনীয়ে,—
"মুখত নোলায় কথা, তেওঁ আৰু নাই !
সাৰিলে সংসাৰ-হাত ! তেওঁৰ শোকত
নাকান্দিবা মিছা-মিছি আৰু তুমি আই !
ফাটি যা হৃদয়" কান্দি গোলাপীয়ে কয়,
ঈশ্বৰো কি হায় বাই ! এনুৱা নিৰ্দ্দয় ?
আধাফুলা চোপাকলি চিঙ্গে বজ্ৰাহত,
দয়া মায়া, বাই ! তাৰ নাইনে মনত ?
"নহয় ঈশ্বৰ আই ! মানুহে কৰিলে !"
চকু প্ৰাণী টুকি টুকি পদ্মিনীয়ে কয়,
"অকাল মৃত্যুত তেঁও এৰিলে সংসাৰ !
কিৰূপেনো কওঁ আই ! প্ৰবাদে নসয় !"
পদ্মিনীৰ কথা শুনি কয় গোলাপীয়ে
হৰিণীৰ চকু যেন দুচকু পকাই ;
"পিশাচিনি ! দিছ কিয় দুখ নৰকৰ !
দয়া, মায়া, স্নেহ তোৰ একোৱে কি নাই !
নন্দনে কি আত্মঘাতী হল তেনে বুঝি ?
কছোঁ মোক মাথোঁ হায় ! হয়নে নহয় ?
যদি কৰ হয় বুলি, তেনেহলে তোৰ
বিন্দু মাত্ৰো নাই দয়া, নিৰ্দ্দয় হৃদয় ।
হয় কথা বিষময়, তক্ষকৰো বিষ
অতি তুচ্ছ তাৰ ঠাই নানিবি মুখত।

যদি কৰ হয় বুলি, পিশাচিনী তই!
জিবা জ্বলি যাব তোৰ দাৰুন বিষত॥"
"কিয় কৰা খঙ্গ মোক," কয় পদ্মিনীয়ে
"কিবা দোষ মোৰ আছে? যদি খঙ্গ কৰা
নকঁও একোকে আৰু মনে মনে থাকা;
মিছাতে ফুৰিলো মাথোঁ ৰাতি-পুৱা পৰা॥"
"ৰেজাৰত কও কিবা, নালাগিবা তাত"
ইমাই বীনাই কান্দি গোলাপীয়ে কয়,
কোৰাঁ শুনে কি, বাই হল আত্মঘাতী?
নকৰিবা বেলি, মোৰ দহিছে হৃদয়।
"আত্মঘাতী নাই হোৱা" কয় পদ্মিনীয়ে,
"কিবা দোষ পাই হায়! কটালে বজাই,
কিন্তু কি দোষত হায়! নাপালো শুনিব।
শুনা হলে, ক'লো হয় তাকো মই আই!"
এই বুলি পদ্মিনীয়ে টুকিলে চকুলো!
হিয়াভুৰ ভুকুৱাই গোলাপী কান্দিলে!
বাৰিষা কালত যেনে বৰষুন পাণী,
চকু পাণী দুচকুত সিদৰে সৰিলে!
"ফাটি যা হৃদয়!" কান্দি কয় গোলাপীয়ে
"ফাটি যা দুচিটা হই! হতভাগ্য প্ৰাণ
সৰ্ব্বস্ব ধুকালি তই কালৰ চক্ৰত!
যা বাহিৰ হই! তোৰ নলওঁ যে নাম!
অসাৰ অনিত্য দেহা! যা মিহলি হই
মাটীৰে সইতে! আৰু কিয় থাক তই

বল শক্তি শৰীৰৰ? শ্মশান মাজত
যা অ দেহা! তেঁবে স'তে আনন্দ-মনত।"
বিষাদত কান্দি কান্দি ক'লে কুবৰীয়ে
সখীলই চাই ধীৰে, "নাকান্দিবা সখি!
কান্দিলে নোপোৱা আৰু দেখিব সি মুখ;
এই জগতত আৰু তেওঁক নেদেখি!
নেদেখা ৰাজত সখি তেঁও আছে গই
কান্দিলে নুশুনে তেও, নোপোৱা তেঁওক!
যেনুৱা ভাগ্যত, সখি! তেনেকুৱা হ'ল!
নাকান্দা মিছাতে, আৰু নকৰিবা শোক!"
সখীক ইদৰে বুলি সাধ্বী কুৰৰী
পদ্মিনীৰ ফালে চাই শোধে ধীৰে ধীৰে,
"ইকি কথা বাই! হায়! কিহল ৰজাৰ?
হিতাহিত নিবিচাৰি ব্ৰহ্মবধ কৰে?
উস! কোনে জানে কালসৰ্প থাকিব ফুলত?
ৰাক্ষসে কৰিব বাস দেব মন্দিৰত!
মুখনি সুন্দৰ যাৰ—হিয়া এনেকুৱা?
কোনে জানে জুই-বদ হব বাতি-পুৱা?
"কেৱলে কি ব্ৰহ্মবধ?" কয় পদ্মিনীয়ে,
"তাতো বেছি পাপ আই কৰিলে ৰজাই,
হৰিনাৰ মাংস বুলি মাংস পুতেকৰ
মন্ত্ৰীক খুৱালে উস্! ছল কৰি আই!
খাই-বই উঠিলত অমোৰালে মাতি
ৰজাই মন্ত্ৰীক হেনো ৰাজ সভাকই

পুতেকৰ মুৰ আনি দেখালে মন্ত্ৰীক
মাৎসৰো যে কথা হেনো দিলে ভাঙ্গি কই !
কান্দিলে মন্ত্ৰীয়ে হেনো বহুত কীনাই ;
বহু ধনভাণ্ডি বোলে হল পৰাচিত !
এতিয়া ৰাজ্যত নাই, গ'ল তীৰ্থলই ;
নাহিব উলটি ; হেনো থাকিব কাশীত !"
পমিলীৰ কথা শুনি, শুধিলে গোলাপী
কান্দি কান্দি,-"কছো বাই ! সঁচা-সঁচি কই
আছেনে তেঁওৰ মুৰ ৰজাৰ হাতত ?
এতিয়া তালই গ'লে দেখিমনে মই ?"
"এতিয়াও আছে আই ! ৰজাৰ হাতত"
চকুপানী টুকি টুকি পমিলীয়ে কয়,
"যদি যোৱা, পাবা দেখা, যদি চাব খোজা,
সোনকালে যোৰাঁ আই ! ৰজাৰ তালই।"
কথা শুনি পমিলীৰ, ইনাই-বীণাই
গোলাপীয়ে ক'লে কান্দি ৰাণীলই চাই
"দশা বেয়া মোৰ সখি ! বিহ'ৰৰ হ'ল !
ভুপৰ নষ্ট হওতে বেলি মাৰ গ'ল !
যি আছিলে সেয়ে হ'ল ! কান্দিছোঁ মিছাতে !
পমিলীয়ে স'তে আজি থাকাছোঁ বনত।
আহোঁছোঁ মই এবাৰ নগৰৰ পৰা,
আকউ আহিম ; চিন্তা নানিবা মনত।"
"এনে বেজাৰত সখি ! মনৰ বেগত
নালাগে তালই যাব, যদি যোৰাঁ সখি !

হৃদয়ৰ জলাজুই উজ্জ্বলি উঠিব
(ভাবিলে পৰাণ কান্দে !) সেই দৃশ্য দেখি !
যোৱা যদি, পাছে যাবা আন দিনলই ;
এতিয়া নালাগে যাব, কথা শুনা, সখি !
কটাঘাত চেঙ্গা তেল দিলে কিবা লাভ ?
জ্বলিব পৰাণ মাথো, হ'বা মাথোঁ দুখী ॥"
"আঃতোকই আক সখি কি জ্বলিব জুই ?"
কান্দি কান্দি গোলাপীয়ে কুঁৱৰীক কয়,
"জ্বলিবৰ আছে যদি, চাওঁ জ্বলায়েই ;
নাবাধিবা সখি ! মোৰ জ্বলিছে হৃদয় !"
এই বুলি গোলাপীয়ে নগৰৰ ফালে
বেগেৰে ধৰিলে খোজ, সন্ধীয়া লগাত
পালেহি নগৰ আহি, দেখিলে ৰজাক
ৰহি থকা দুখ মনে অকলে চৰাত !
"মহাৰাজ ! পতি ঘাতী তুমি অভাগীৰ !"
কান্দি কান্দি গোলাপীয়ে বুলিলে ৰজাক,
"ফুলতে কৰিলা মোক অনাথ বিধৱা ;
শিলেৰে গঢ়িলে নেকি ঈশ্বৰে তোমাক ?
এপাত পাণৰ বহ নউ পাওতেই
স্বোৱামীক বধি মোক বিধৱা কৰিলা।
এয়ে কি ৰজাৰ ধৰ্ম্ম ? ব্ৰহ্মবধ কৰি
পবিত্ৰ বংশত কিয় কলঙ্ক আনিলা ?
সেই যেই হক ৰাজা ! কৰিছোঁ মিনতি,
দিয়া অভাগীক মোক যুৱটী স্বামীক।

হেপাহ পূৰাই লই হিয়াৰ মাজত,
জুড়াও হৃদয় মোৰ অথিৰ-অধিৰ ॥
বেলি নকৰিবা, ৰাজা! মাতিছোঁ তোমাক
মুৰটী তেওঁৰ মোক দিয়া উলিয়াই!
শেষ চোৱা লওঁ চাই এই জনমত
লও দেখি আজি মই হেপাহ পূৰাই!"
"কি কইছা সখি! তুমি একো বুজা নাই!"
গোলাপীক ধীৰেধীৰে বুলিলে ৰজাই,
বিয়া নউ দিওতেই, বাৰী হলা তুমি!
মানে কি ইয়াৰ, সখি? নাপালো যে গুণি!"
নাই দিয়া বিয়া সছা! বিয়া দেশাচাৰ
নিদিলেও বিয়া; তেওঁ স্বামী অভাগীৰ
বৰিছিলো মনে মনে মিলিছিলে মন
অন্তৰে অন্তৰে ৰাজা! আমা দুয়োটীৰ!
দেশাচাৰ মতে হায়! দেখনিক্কা বিয়া
যদিও নহল ৰাজা আমা দুয়োটীৰ,
ইটে সিটে দুয়োটীকে ভাল পাইছিলো,
নহলেও বিয়া, তেঁৱে স্বামী অভাগীৰ!
তেওঁকেই ভাবি ভাবি নিয়াম জীৱন,
বেলি নকৰিবা, দিয়া মুৰ উলিয়াই;
হিয়াৰ মাজত লই শাঁত কৰো প্ৰাণ,
হেপাহ পূৰাই হায়! লওঁ আজি চাই!
"ইকি আচৰিত সখি?" বুলিলে ৰজাই
"তোমা দুয়ো সখী নেকি একেই বিলীয়া?

গুপ্ত প্ৰেম তাৰে সতে দুয়োৰে আছিলে ?
আছিলে কি নন্দ’হায়’! এনুৰা পপীয়া।
একে কলঙ্কৰে নেকি দুয়ো কলঙ্কিনী ?
দুয়ো সখী একে দৰে পাপত মজিলা ?
চিৰ পবিত্ৰতা ভৰা কমতা পুৰত
কলঙ্কৰ পানী দুয়ো সখীয়ে ঢালিলা ?”
“কি কইছা তুমি ৰাজা ! দুয়ো সখী বুলি ?
একো নুবুজিলোঁ হায়।” গোলাপীয়ে কয়,
মই ৰাক কলঙ্কিনী আৰু কোন সখী
আছে এই নগৰত কলঙ্কিনী হই ?
মোৰ সতে ভাল পোৱা আছিলে তেওঁৰ,
গুপ্ত প্ৰেম তেঁৰে সতে আৰু কাৰো নাই !
তোমা দুয়ো সখী বুলি কোৱা কি ভাবত
একো বুজা নাই মই দিয়াছো বুজাই।
“কিয় কোৱা মিছা কথা” ? বুলিলে ৰজাই
“জানা তুমি সকলোটী নন্দৰ লগত
কুৱঁৰীৰো গুপ্ত প্ৰেম আছিলে নিশ্চয়
কিয় মিছা কোৱা তুমি মোৰ সন্মুখত ?”
“এনুৰা মিছা সন্দেহ কিয় কৰা ৰাজা ?”
আৰ্চৰিত হই শোকে গোলাপীয়ে কয় :—
“কিহত জানিলা তুমি ? কিয় অবিশ্বাস ?
সতী পতিব্ৰতা ৰানী, অসতী নহয় ॥”
“অসতী নহয় ? সখি ! অসতী কুঁৱৰী,
প্ৰমাণ দেখালে তুমি পাৰিবা বুজিব,”

এই বুলি চিঠি খনি (মোকলাই লোৰা
বিহাৰ গাঁথিৰ পৰা) ধৰিলে পঢ়িব।
চিঠি পঢ়া অন্তহল—কলে গোলাপীক
"ইমানতো নেকি তুমি বিশ্বাস নকৰা
ৰানীকো তোমাৰ দৰে বামুণ নন্দৰ
গুপ্ত প্ৰণয়িনী বুলি কলঙ্কেৰে ভৰা?"
"কি কাম কৰিলা ৰাজা?" কয় গোলাপীয়ে
দুখে হুমুনীয়া কাঢ়ি ৰজালই চাই;
"এই চিঠিয়েই নেকি দুৰ্দ্দশা ৰানীৰ?
ইয়াতেই নেকি তেওঁ বনলই যায়
এয়েই প্ৰমাণ নেকি আৰু আছে ৰাজা?
ইয়াতে ৰানীক নেকি ভাবিছা অসতী?
আৰু যদি পোৱা নাই একোতে প্ৰমাণ,
তেনে কুৱৰীৰ হল মিছাতে দুৰ্গতি।
"প্ৰমাণ চিঠিত বাজে আৰু মোৰ নাই।"
বিয়াকুল মনে ৰজা গোলাপীক কয়,
"কিবা যদি জানা সখি, কোৱাঁ শীঘ্ৰে মোক
কুৱৰীক ভাবি মোৰ কান্দিছে হৃদয়।"
"বহুদিনাবধি মোৰ আছিলে প্ৰণয়
মন্ত্ৰীৰ পুতেকে সতে" গোলাপীয়ে কয়,
"পাছে হায়! সেই কথা গম পালে গই
নন্দৰ বাপেক মাকে লাহে লাহে কই।
কত চেষ্টা কৰিছিলে কত যত্ন কৰি
নোৱাৰিলে একবাৰ কিন্তু পুতেকক,

সেই বুলি, ছল কৰি দিলে পঠিয়াই
গঙ্গাতীৰলই হায়! পাছত নন্দক।
তীৰ্থলই গ'ল তেওঁ থাকিলোঁ ইয়াতে
বিৰহৰ অগ্নিজুই ফুঁৱাই ফুঁৱাই।
তেওঁল'কে দিবলই এই চিঠিখনি
লেখোৱাইছিলোঁ মই সখী-হতুৱাই।
তুমি দেখা বুলি ৰাণী ভয় ভয় কৰি,
লিখিছিলে চিঠি তুমি টোপনী গ'লত;
লিখি এতালত, পাছে থইছিলে ৰাখি
সামৰি-সুতৰি হায়! বিহাৰ আগত।
পাছ দিনা ৰাতিপুৱা চিঠি খুজিছিলোঁ,
বিচাৰি নেপালে তেওঁ বিহাৰ আগত।
এতিয়া জানিলোঁ ৰজা! তুমি চিঠি-চোৰ;
মোকোৱলাই নিলা তেওঁ টোপনী গ'লত!
এতিয়া জানিলোঁ তুমি মিছা সন্দেহত
ব্ৰহ্মবধ মহাপাপ কৰিলা বংশত।
মিছাতে ৰাণীক দিলা দুখ দুৰগতি,
নিশ্চয় জানিবা ৰাণী নহয় অসতী।"
"সত্য কৰি কোৱাঁ সখি!" বুলিলে ৰজাই,
"কান্দিছে হৃদয় মোৰ দাৰুণ শোকত!
নোহে কি অসতী ৰাণী? চিঠি কি তোমাৰ?
ত্যজিছোঁ তেওঁক নেকি মিছা সন্দেহত?
ইচ্ছাময়! জগদীশ! গুচুৱাঁ সন্দেহ
হৃদয়ৰ পুৰা মোৰ। কয় দৈৱৰাণী,

অসতী নহয় ৰাণী, নাই চোৰা পাপে
কু ৰবীৰ দেহা, সতী পতিব্ৰতা ৰাণী।
গুচুৱা সন্দেহ মোৰ পুনু আজি যাওঁ
আনোগই মাতি-বুলি দেবী হৃদয়ৰ,—
কমতাৰ ৰাজলক্ষ্মী, যাৰ সদ্‌গুণত
মোহিত আছিলে হায়! কমতা নগৰ।
মই অতি নৰাধম! নাভাবি নাচাই,
সতী তিকতাক দিলোঁ দুখ হৃদয়ত।
হৃদয়ৰ ৰত্ন হায়! দিলোঁ দলিয়াই;
ঠাই আৰু নাই মোৰ কতো নৰকত।"
"সত্য কৰি কও ৰজা।" গোলাপীয়ে কয়
"সতী পতিব্ৰতা ৰাণী অসতী নহয়।
সাক্ষী আছে মহাৰাজ! সৌৰ জোন তৰা!
সেই চিঠি মোৰ, ৰাণী সতীত্বৰে-ভৰা।
সেই যেই হ'ক হায়! যিহকে কৰিলা,
উলিয়াই দিয়া মোক মুৰ স্বোৱামীৰ!
হেপাই পুৰাই লই হিয়াৰ মাজত
শান্ত কৰো মন প্ৰাণ, হৃদয় অথিৰ।"
এই বুলি গোলাপীয়ে কান্দিব ধৰিলে,
ৰজাই নন্দৰ মুৰ দিলে উলিয়াই।
ইনাই-বিনাই কান্দি অতি হেপাহত
হিয়াৰ মাজত ল'লে অভাগী সুমাই।
"প্ৰাণেশ্বৰ! প্ৰাণনাথ! অভাগীত লাগি
অকালতে হায়। তুমি ত্যজিলা পৰাণ।

নাকান্দো সি বুলি আৰু। সুখী তাত দাসী
ত্যজিম পৰাণ আজি সইতে তোমাৰ।
বলা নাথ! বলা যাওঁ দুয়ো একে লগে,
জুমাও দুয়োৰে আজি হৃদয়ৰ জুই।
বিষময় ই সংসাৰ এৰি বলা নাথ,
নিত্য ধামলই ৰাওঁ, সেই স্বৰ্গপুৰ।
পৃথিবীৰ ভাল পোৱা দুদিনীয়া মাথোঁ
নহয় চিৰকলিয়া প্ৰেম সংসাৰৰ।
কিন্তু নাথ! আছে তাত সিপাৰে মেঘৰ
স্বৰ্গ নামে দেশ এক অনন্ত সুখৰ।
নাই ভিন সি দেশত বামুণ শুদিৰ,
নাই তাত জাতী কুল ধনী ধনহীন!
বিৰহ বিচ্ছেদ তাত নাই শোক তাপ,
কি ৰজা কি প্ৰজা তাত নাই একো ভিন।
ব'লা নাথ! দুয়ো আজি যাও সি দেশত,
—ভিন-পৰ ঘিনা-ঘিনি থকা ঠাই এৰি,
তিয়াগি সংসাৰ ঘোৰ শোক-তাপ ভৰা—
যত নাই শোক-তাপ সন্তাপ এফেৰি।
সি ঠাইত দুয়ো আমি নোহোঁ এৰা-এৰি,—
বিৰহৰ গো ন্ধো নাই;—নিতউ মিলন।
'কলঙ্কিত' বুলি নাথ নোৱাৰে নিন্দিব,—
প্ৰকৃত প্ৰেমত তাত সবেই মগন।
মহাৰাজ!
অকলে আইতা আছে ঘৰত দুখুনী।

দেখা যদি পোৱা হায় ! কৌভিয়াবা তুমি,—
কৰা (মোৰ হই) হেনে,—তিয়াগি সংসাৰ
নন্দই সইতে গ'ল গোলাপী তোমাৰ !
যদি শোধে কুঁৱৰীয়ে—প্ৰাণৰ সখীয়ে—
ক'বা মহাৰাজ হেনে আজি শেষ হ'ল।
তোমাৰ সখীটী সেই ছোৱালী কালৰ
নন্দে স'তে দুৰ্ভাগিনী, স্বৰ্গলই গল।
অনুৰাগ সুখে হায় ! মাধই লতাই
ভুজ-ফাঁহে তমালক বিৰূপে মেৰাই,
বিৰহ-ব্যাকুলা হায় ! দুখুনী গোলাপী
নন্দকেই মেৰিয়াই সি দৰে পলায়।"
এই বুলি গোলাপীয়ে ল'লে উলিয়াই
হাতৰ কটাৰী খনি ফুলাম দাবৰ !
আপোনাৰ দিঙ্গিতেই দিলে তিনিবেপ !
লুটি খাই পৰি হায় ! কৰে ধৰ ফৰ।
ইকি কাণ্ড হায় ! দেখি কান্দে যে পৰাণ,
তেজেৰে বাঙ্গলী হল দুখুনী গোলাপ।
নাই মাত নাই বোল নিমাত অচল।
ভুলিছে দুখুনী আজি বিৰহৰ তাপ।
প্ৰণয়ীৰ মৃত্যু শোক ভুলিছে দুখুনী
ভুলিছে দুখুনী ছবি শোক বিষাদৰ।
প্ৰণয়ীত লাগি কৰি আত্ম-বিসৰ্জ্জন,
দেখুৱালে আজি ছিন প্ৰকৃত প্ৰেমৰ।
যোৱাঁ তুমি সুখে যোৱাঁ গোলাপী সুন্দৰি।

প্ৰণয়ীৰে স'তে আজি যোৱা স্বৰ্গলই,
গুছাই মনৰ দুখ বেজাৰ সন্তাপ,
বিৰহৰ জ্বলা জুই নুমুৱাই থই।
প্ৰকৃত প্ৰেমৰ তুমি দেখুৱালা ছিন
প্ৰণয়ত লাগি দিলা আত্ম-বিসৰ্জ্জন।
সুন্দৰি! তোমাৰ দৰে প্ৰেমৰ নিমিত্তে
জগতত প্ৰাণ দিব পাৰে কেইজন?
বলিয়ানী, উন্মাদিনী বুলিব জগতে
তোমাক সুন্দৰি! কিন্তু যদি প্ৰণয়ত
আপোনাকে পাহৰিব নোৱাৰে প্ৰেমিকা,
কিবা সুখ ভাল পোৱা তেনুৱা প্ৰেমত?
নিজৰ অস্তিত্ব যদি নোৱাৰে ভুলিব,
প্ৰেমিক-প্ৰেমিকা যদি পগলা নহয়,
সেই প্ৰেম ভাল পোৱা নিতান্ত অসাৰ
তেনুৱা প্ৰেমক কোনে প্ৰেম বুলি কয়?
আহাহা জানিলে হায়! যেতিয়া জুলীয়া (১)
ৰোমিওৰে স'তে হব নোৱাৰে বিবাহ।
—মণ্টাগো কেপুলেটৰ শত্ৰু চিৰকাল
উভয় বংশৰে কাৰো নাই আহ্‌যাহ;—
হৃদয়ৰ বেগ হায় সহিব নোৱাৰি
জুলীয়া ধৰিলে ক'ব নিজকে পাহৰি,—
"ৰোমিও! ৰোমিও! কোৱাঁ ৰোমিও! নোহোৱা
বিপক্ষৰ পুত্ৰ তুমি; অন্য নাম লোৱাঁ।

(১) Juliet

শলাব 'ৰোমিও' নাম যদিহে নোখোজা,
কোৱাঁ মাথোঁ তুমি মোক বুলি ভাল পাওঁ,
তেন্তে এই খন্তেকতে পিতৃ-মাতৃ এৰি
নিজৰে 'জুলীয়া' নাম আপুনি গুছাওঁ।"
প্রেম-বলিয়ানী হায় জুলীয়া সুন্দৰী
নোৱাৰিলে পাহৰিব ৰোমিও ধনক।
শেহত দুয়োটী গই দিলে বিসর্জ্জন
প্রণয়ত লাগি হায় আপোন প্রাণক।
আহাহা পৰাণ কান্দে! আজলী ওফিলী (২)
শুনিলে দুখুনী যবে প্রাণ পৰাণৰ
হেমলেটে আৰু বোলে নকৰে বিবাহ,—
কান্দিব ধৰিলে কত দুখিত অন্তৰ।
উন্মাদিনী হ'ল হায় শুনিলে দুখীনী
হেমলেট আৰু বোলে নাই সংসাৰত
কত কান্দি কত নাচি উন্মাদিনী দৰে
ত্যজিলে পৰাণ গই লাগি প্রণয়ত!
প্রণয়ত লাগি কৰে আত্ম বিসর্জ্জন।
সি দৰে তুমিও আজি গোলাপী সুন্দৰি!
পাহৰিলা আপোনাক অস্তিত্ব নিজৰ,
ত্যজিলা পৰাণ নিজে প্রণয় সুঁৱৰি!
আত্মঘাতী হ'লে বোলে কাৰো মুক্তি নাই,
কোনে কয় এনে কথা? কেনুৱা শাস্ত্রত?
যদি সেৱে হয় হায়! প্রকৃত প্রণয়

(২) Ophelia

নেদেখিব কোনোৱে যে আৰু জগতত।
মিছা কথা! যোৱা তুমি গোলাপী সুন্দৰি!
মন সুখে যোৱা তুমি বৈকুণ্ঠ পুৰত,
কৰিব ঈশ্বৰী আৰু লক্ষ্মীয়ে সইতে
বিৰাজিছে যত প্ৰভূ সন্তোষ মনত।
আযে বজাইছে বীণা, গাইছে সঙ্গীত
মনি মৰকত আদি পিন্ধি অলঙ্কাৰ;
মাহা আয়ে শুৱাইছে সোণালী দুৱাৰ।
সুন্দৰি! তালই তুমি গুছি যোৱাগই
বিৰহৰ জ্বলাজুই নুমুৱাই থই,
নন্দৰে সইতে তাত কৰা স্বৰ্গ ভোগ
আতৰাই দুখ তাপ, সংসাৰৰ শোক।

নৱম সৰ্গ।

"Ah what a life were this ! how sweet ! how lovely !
Gives not the hawthorn bush a sweeter shade,
To shepherds looking on their silly sheep,
Than doth a rich embroidered canopy
To kings that fear their subjects treachery ?"
————Shakespeare

ওলাইছে ৰঙ্গা বেলি পুব আকাশত
নিশাৰ এন্ধাৰ ঘোৰ দূৰতে খেদাই।
জুৰিলে চৰায়ে গান মধুৰ সুৰত,
সাৰ পালে সকলোটী নপৰাণ পাই।
শোৱা ধাৰি পাটী এৰি উঠিল সকলো ;
গাঁৱালী তিৰুতা উঠি কৰে বাহিবন,
ঠাই সাৰে পানী আনে, বিচাৰিছে শাক,
ৰঙ্গা বেলি দেখি লৰা আনন্দিত মন।
কাষত কলহ লই ধলে ধলে যায়
গাঁৱালী গাভৰু হঁত নই ঘাটলই ;
কোনোৱেবা গাধুইছে, কোনো ভৰাইছে
কলহত পানী, কোনো আছে তাতে ৰই।
খিল্ খিল্ খিল্ কৰি হাঁহে কোনোজনী
অন্তৰৰ গোপনীয় ভাব উলিয়াই ;
কোনো নাচে কোনো বায় দুহাতে চাপৰি,

কোনোৱেৰা ৰঙ্গমনে প্ৰেমগীত গায়।
কি ৰজা, কি প্ৰজা, হায়! কি ধনী দুখীয়া,
কমতাপুৰৰ আজি সবে সাৰ পায়;
ঘনৰ মাজত কিন্তু ৰাণী স'তে থকা
পমিলী বুৰীৰ সাৰ এতিয়াও নাই।
অচেতন ভাবে বুৰী আছে টোপনীত,
উঠি লে বহুত বেলি সাহকে নাপায়।
পাছে কাষলই গই সাদৰী ৰাণীয়ে
ধীৰে ধীৰে পমিলীক তুলিলে জগাই
কুঁৱৰীয়ে জগালত সাৰ পালে বুৰী
চকুমেলি চাই ধীৰে কলে কুঁৱৰীক;
"লৰা'লৰি কৰি মোক কিয়নো জগালা?
দেখিছিলোঁ মই আই! এটী সমাজিক।"
"কিনো দে'খিছিলা বাই কেনুৱা সপোন?"
বুৰীলই চাই ধীৰে কুঁৱৰীয়ে কয়,
"কিনো হল জগালত? কিয় পালা বেয়া?
কোৱা বাই! কি দেখিলা, শুনোঁছোন মই।"
"ৰাতি পুৱাইছে যেন" পমিলীয়ে কয়,
"আহিছে ৰজাই হেনো এই বনলই,
আনিছে দোলা, ঢুলীয়া, ঢুল্গীয়া, গায়ন,
মানুহে পৰিলে ভৰি যেন এই বন।
সুঁৱৰি সুঁৱৰি যেন অকাৰ্য্য নিজৰ
তোমাৰ আগত ৰজা কান্দিলে বহুত,
সাদৰে তোমাৰ ধৰি দুটী হাত আই।

উলিয়াই চকুপানী দুয়োটী চকুত।
তুমিও কান্দিলা হেনো চকুপানী টুকি,
সাদৰে ৰজাৰ ধৰি দুটী চৰণত,
তাৰ পাছে যেন তুমি উঠিলা দোলাত
ৰজাই সইতে হেনো আনন্দ মনত।
আৰু নেদেখিলোঁ। একো জগাই তুলিলা
টোপনীৰ পৰা মোক তুমি আহি আই!
ইয়াকে প্ৰভূক থাটো, সমাজিক মোৰ
আজি যেন তালেতিলে শীঘ্ৰে ফলিয়ায়।"
সপোনৰ কথা শুনি বুৰীৰ মুখত,
হুমুনীয়া কাঢ়ি কলে ৰাণীয়ে শোকতঃ—
"সি সুখৰ দিন নেকি আৰু বাই হব?
মৰুৰ মাজত মোৰ নই নেকি কব?
ভেকুলী পিঠিত হায়! গজিব কি নোম?
বেলি কি ওলাব মোৰ ভাগ্য আকাশৰ?
দুখৰ কলীয়া মেঘ থই আঁতৰাই,
ৰাঙলী ৰ'দেকি আৰু কৰিব পোহৰ?
ভাগ্য-ফুল আৰু বাই! ফুলিব কি মোৰ?
সেই সুখ আৰু নেকি পাম জীৱনত?
ফুটা কপালৰ মোৰ গুচিব কি দুখ?
পাম কি বহিব আৰু স্বামীৰ কাষত?"
এই বুলি কুঁৱৰীয়ে কান্দিব ধৰিলে,
বুকুৰ মাজত হায়! মুৰটী সুমাই।
ৰাণীৰ কান্দন দেখি বিয়াকুল হই,

বুলিব ধৰিলে বুৰী দুহাত ফুৰাই ;—
"নকৰিবা শোক আই ! নাভাবিবা তুমি
সমাজিক মিছা বুলি, ফলিয়াব পাৰে।
আছিলেও পাৰে ৰজা আছিব ইয়াত,
কেতিয়া কি ঘটে, কব কোনেও নোৱাৰে।
অকস্মাতে খঙ্গ কৰি, না ভাবি নাচাই
ত্যজিলে তোমাক হায় ! মহাৰাজে আই !
অনুতাপ বেজাৰত আকউ এতিয়া
কান্দিব ৰজাৰ পাৰে মন প্ৰাণ হিয়া।
আকউ তোমাক তেওঁ নিব পাৰে আই !
নিব যে নোৱাৰে এনে অসম্ভৱ নাই।
তোমাৰ ভাগ্যৰ ফুল ফুলিবও পাৰে,
ফুলিলে কোনেও আই ! জপাব নোৱাৰে।
পুৱাৰ সপোন দেখোঁ, সছা বুলি কয়,
ঘটিব তোমাৰ ভাল সেয়ে যদি হয়।
সমাজিক মিছা বুলি নাভাবিবা আই !
কেতিয়াবা সমাজিক ঠিক ফলিয়ায়।"
"সপোন মনৰ ভ্ৰান্তি," কয় কুঁৱৰীয়ে
"সছা হোৱা হলে, কত অভাগীয়ে বাই !
পালে হয় ওলোটাই প্ৰাণৰ পুতেক
গইছে যি অকালত হিয়া-ঢাকুৰাই।
কত বিধৱাই হায় পালে হয় পতি
(গইছে যি অভাগীক থই কন্দুৱাই)
কত বিৰহীয়ে, পালে হেতেন প্ৰণয়ী

সমাজিক যদি সচা হল হয় বাই !
কত দীন দুখী হায় ! হল হয় ৰজা
সপোনত পোৰা সেই ৰাজ্য-ভাৰ লই ;
কত ৰজা হল হয় দৰিদ্ৰ-কঙ্গাল
সপোনত ৰাজ ভোগ হেকৰাই থই।
হায় বাই :—
সপোনত পোৰা সুখ খন্তেকীয়া মাথোঁ,
যি পায় তেন্তৰা সুখ, কিবা সুখ তাৰ ?
টোপনীত যত বেলি, তত বেলি সুখ,
সাৰ পাই কান্দে টুকি চকুলো দুধাৰ।
বিজুলীয়ে যেনেকই খন্তেক পোহৰি
ডকা-ডোমা কৰি পুনু বঢ়ায় এন্ধাৰ ;
খন্তেক লগাই ৰঙ্গ, সপোনে সিদৰে
বেছি কৰে মানুহৰ সন্তাপৰ ভাৰ।
সপোন মনৰ ভ্ৰান্তি ;—একেবাৰে মিছা,
সেই মুখ আৰু মোৰ নঘটে ভাগ্যত !
নিতে যাকে ভাবি থাকা সেই বুলি বাই ;
তাকেই দেখিলা তুমি যুৰি সপোনত।
সাপোন মনৰ ভ্ৰান্তি ! অকস্মাতে দেখে,
যদিও বা মাজে মাজে কেতিয়াবা হায় !
ফলিওৱা যেন দেখি ; কিন্তু প্ৰকৃততে,
ভ্ৰান্তি মাথো একো ঠিক সপোনত নাই।"
"হওতেও হয় আই ! নিতে তাকে ভাবোঁ,
যোগীৰ নিচিনা কই তাকে কৰো ধ্যান,

তাকেই দেখিলো আজি বুৰি সপোনত,
ফলেকি নফলে আজি চাওঁ পৰিমান।"
এই বুলি কই বুৰী বল মনে মনে,
কুঁৱৰীয়ে দুখে শোকে বহিলে কাষত
আপোন ভাগ্যৰ আৰু সপোনৰ কথা
ভাবি ভাবি মনে মনে ব্যাকুল মনত।—
ভাগ্যৱতী তুমি অতি; যিহকে খিঁয়োৱা,
যিহকে মনত ভাবা, তাকে দেখা ঘুৰি
সপোনত তুমি, মোৰো ভাগ্য থনি তেনে
হোৱা হলে, কত সুখী হলো হয় বুৰি!
হল আজি বহু দিন! হেৰুৱালো এটী
পৰাণৰ ৰত্ন মোৰ (ভতিজা স্নেহৰ)
কত তাকে ভাবি থাকো কতনো খিয়াওঁ
দেখিম দেখিম বুলি মুখনি সুন্দৰ!
এদিনো নেদেখো কিন্তু হায়! সপোনতো,
সেই মুখ খনি মোৰ লাহৰী সোণৰ!
দেখোঁ মাথোঁ কিবা কিবি, আৰ তাৰ মুখ,
যাৰ মুখ চাব মোৰ নোখোজে অন্তৰ।
যাক চাবলই কৰোঁ মনত হেপাহ,
সপোনৰ পৰা সিটো থাকে আঁতৰত;
যাক দেখি নাই লাভ (বৰঞ্চ হানী হে)!
সিটো মাথোঁ দেখা দিয়ে আহি সপোনত!
যাক ভাবোঁ, তাৰ ছবি, মুৰ্ত্তি মনোহৰ
দেখালে হেতেন যদি আনি টোপনীত,

সকলোকে এৰি আজি পুজিলো হেতেন
স্বপ্নকে দেৱতা ভাবি, হই একচিত।
কিন্তু হায! সমাজিক নহয় দেৱতা,
কিবা কিবি দেখুৱায় পগলালী কৰি;
সপোন মনৰ ভ্ৰান্তি,—পগলা মগজ
টোপনীত ভাও দিয়ে নানা মুৰ্ত্তি ধৰি!
ইনো কি আকউ! দেখোঁ গোটেই অৰন্য
ঢুলিয়া-গায়নে আহি পৰিলেহি ভৰি!
আহে দোলা, আহে হাতী, বহুত ছোৱালী
কপালত ফোঁট পিন্ধা সাৰি সাৰি কাৰ।
এনে আড়ম্বৰ কৰি কোন আজি আহে
অকস্মাতে এই মহা অৰন্য মাজত?
যেয়েই আহোক,—কিম্বা পাছেও শুনিম,—
এটী কথা শুধি মাগোঁ চাওঁ প্ৰথমত।
গাভৰু সকল! মোক নাপাৰিবা গালি,—
কোৱাঁহোঁ খন্তেক ৰই, লেহেৰী খোপাত
কিয় পিন্ধা অত ফুল খোঁপা ওপছাই?
ভাৰ যেন নালাগেনে লাহৰী দেহাত?
ধৰিছা গাভৰু বল, নালাগিব পাৰে
ভাৰ যেন,—মুৰ জানো নাই কৰা ভৰ?
কিন্তু কি কৰিবা যদি চিগি পৰে খোপা
সহিব নোৱাৰি ভৰ ইমান ফুলৰ?
'ইউদিকোলন' আৰু 'লেভেণ্ডাৰ' তেল
চিচাই চিচাই যদি খঁহাহি নিতউ,—

PLEASE HANDLE THE BOOK CAREFULLY.

গজিবনে চুলি আৰু ? নগজে, নোপোৱা
লেহেৰী খোপাটী হায় ! মুৰত আকউ ।
জীয়াৰী কালতে ল'ব লাগিব ওৰণী ;
চকু বন্ধা ঘোৰা যেন ফুৰিবা বাটত ।
পিন্ধিব নোৱাৰি ফুল কান্দিবা তেতিয়া,
উলিয়াব নোৱাৰিবা মুৰটী লাজত ।
দিঙ্গি ওপছাই অত মণি ৰিৰি পিন্ধা
দুধাৰি পিন্ধিলে জানো গাটীকে নৰয় ?
ধুনত পিন্ধোতে মণি যদি ভাগে দিঙ্গি,
তেতিয়ানো কি কৰিবা কি হ'ব বিলয় ?
কোৰ নাল যেন কেৰু পিন্ধিছা কাণত,
কাণ লতি চিগে যদি কেৰুৰ ভৰত,
কি কৰিবা তেতিয়ানো ? কিৰূপে পিন্ধিবা
বাখৰুৱা কেৰু আৰু ? এনেই থাকিবা ।
বিয়ালই নিবলই যি দৰে হাতীক
সেন্দুৰ পিন্ধাই দিয়ে আঁক বাঁক কৰি,
আঁকিলা কপাল খনি সি দৰে দেখোন ?
কপাল ভৰাই লোৱা ফোঁট সাৰি সাৰি ?
কিয় এনেকই আঁকা লাহৰী কপাল ?
পখৰা-পাখৰী কৰি পোৱানেকি ভাল ?
ভাৱনাত ভাও দিকি আহিছা ওলাই ?
যদি সেয়ে হয় ফেঁাট পেলোৱাঁ গুছাই ।
ইনোকি আকউ ! দেখোঁ কমতাৰ ৰজা
নামিলে দোলাৰ পৰা ধীৰ ধীৰ কই,—

সন্তাপ মনেৰে চাপি ৰাণীৰ কাষৰ,
ধৰিলে চকুলো টুকি কথা ক'বলই :—
প্ৰাণেশ্বৰী ! প্ৰিয়তমা ! ক্ষমা কৰঁা দোষ,
নাভাবি নিচিন্তি দিলো তোমাক কেলেশ !
মই অতি নৰাধম ! তোমা হেন সতী
তিকতাক দিলো হায় ! যাতনা অশেষ !
কমতাৰ ৰাজলক্ষ্মী ! তিয়াগি কমতা
আছাহি বনত তুমি,—ব'লা ঘৰলই
ক্ষমা কৰি অপৰাধ মই অধমৰ,
হৃদয়ৰ শোক তাপ অঁাতৰাই থই।
এই বুলি শোকে ৰজা কান্দিব' ধৰিলে,—
বুলিব ধৰিলে ৰাণী সাদৰে ৰজাক :—
"কিয় কান্দা প্ৰাণনাথ ! নকৰিবা শোক ;
নোৱাৰে বাধিব কেৱে প্ৰভুৰ ইচ্ছাক।
ঈশ্বৰৰ ইচ্ছা নাথ ! দুখ পাব লাগে,
দুখ পালো দুখুনীয়ে,—কি দোষ তোমাৰ ?
কিয় কান্দা ? কিয় তুমি টুকিছা চকুলো ?
পেলোৱঁা মুছি হে নাথ ! চকুলো দুধাৰ।
কিন্তু নাথ !
সকলো আহিছে আজি দেখিছোঁ সবকে,
কিয়নো নাহিল সখী এনুৱা কালত ?
শোকবিষাদতো তেওঁ আছিলে লগতে,
কিয়নো নাহিল তেওঁ এনে আনন্দত ?
সখীক নেদেখি মোৰ কান্দিছে হৃদয় ;

কোন্বা নাথ! কিয় মোৰ সখীটী নাহিলে?"
এই বুলি কুঁৱৰীয়ে বল মনে মনে,
কিবা ভাবি টোপা টোপে চকুলো টুকিলে।
কুঁৱৰীৰ কথা শুনি বুলিলে ৰজাই,—
"নাকান্দিবা প্ৰিয়তমা! কালি শেষ হ'ল
তোমাৰ সখীটী সেই ছোৱালী কালৰ।
নন্দ সতে দুৰ্ভাগিনী স্বৰ্গলই গ'ল।
অনুৰাগ সুখে হায়! মাধই লতাই
ভুজ-ফাঁহে তমালক যিৰূপে মেৰাই,
বিৰহ-ব্যাকুলা হায়! দুখুনী গোলাপী
নন্দকেই মেৰিয়াই সিদৰে পলায়!"
এই বুলি ধীৰে ধীৰে কলে সকলোটী,
আদি অন্ত সকলোৰে,—তেও কেনেকই
কটালে নন্দক আৰু কি কৰি সখীয়ে
তিয়াগিলে প্ৰাণ বায়ু আত্মঘাতী হই।
"এয়েই আছিলে সখি! ভাগ্যত তোমাৰ!"
চকুপানী টুকি শোকে কুঁৱৰীয়ে কয়,
"বিৰহ-জুইত নউ ছাই হওতেই,
প্ৰণয়ীৰে সতে তুমি গ'লা স্বৰ্গলই
আত্ম-বিসৰ্জ্জন কৰি প্ৰণয়-ললনী,
আনন্দ মনেৰে সখি! গ'লা স্বৰগত,
জগতত ৰাখি কীৰ্ত্তি অমূল্য অমৰ,
তোমাৰ নিমিত্তে আৰু নাকান্দো মনত;
একে থিৰে চাম নিতে সি দেশৰ ফালে,

প্ৰণয়ীয়ে সতে তুমি যত আছা সখি!
জীৱনৰ সাঁজ মোৰো লাগিব যেতিয়া,
তুমিয়ে সইতে পুনু হম দেখা দেখি।"
এই বুলি কুঁৱৰীয়ে টুকিলে চকুলো,
দুহাত ফুৰাই কলে সাদৰে ৰজাই,—
"নাকান্দিবা আৰু প্ৰিয়ে! বলা ঘৰলই,
শোক তাপ হৃদয়ৰ থোৱাঁ আঁতৰাই।"
"তুমি ইষ্টদেৱ নাথ!" বুলিলে ৰানীয়ে,
"তোমাক যেতিয়া আজি পালো ওলোটাই,
কিবা দুখ আছে আৰু বেজাৰ সন্তাপ?
সকলোটি আজি মই থলো আঁতৰাই।
মায়াৰ অধীন কিন্তু মানৱৰ হিয়া,
দুদিন থাকিলে জন্মে মায়া অন্তৰত;
যতে থাকে সেয়ে ঘৰ তেনে ভাব হয়,
জনমিছে মায়া মোৰো এই অৰণ্যত।
শোক বেজাৰত টোকা নাই চকু পানী,
লাগিছে মনত বেয়া এৰি যাবলই
এই বন খনি নাথ!—সুন্দৰ নগৰ
ইয়াৰে সইতে যেন তুলনা নহয়।—
সুৱলা সুৰেৰে পখী কত গান গায়;
অপেস্বৰী গাব নেকি পাৰে তেনে গীত?
পাৰেনে কি সেই গীতে মোহব পৰাণ,
পখীৰ গীতত কৰে যি দৰে মোহিত?
কুউ কুউ কৰি কুলি মিঠা গীত গায়,

ফুউৰ সুৰত সুৰ মিলাই মিলাই ;
কত গীত গাই ৰহোঁ। গছৰ ছঁয়াত
বুৰী বায়ে সতে কৰোঁ মণ প্ৰাণ শাঁত
চিৰ্ চিৰ্ চিৰ্ কৰি বয় সক জান,
শীতল বতাহ বলে ৰিৰ ৰিৰ কৰি ;
ৰঙ্গা বগা ভেট ফুলে কত কোৰোকত,
মনোহৰ কত ফুল দাল ভৰি ভৰি ।
কত গছে কেউ কালে ফেৰ মেলি মেলি,
ঘৰ যেন ছঁয়া দিছে পেলাই তলত !
তাত ৰহি যেনে সুখ, পাযনে কি নাথ !
তেনে সুখ নগৰৰ সুন্দৰ ঘৰত ?
ঠায়ে ঠায়ে কত গছ ধৰিছে মেৰাই
দালপাত নাইকিয়া আকাশী লতাই ;
ঘৰৰ চালত যেন উজ্জ্বল সুন্দৰ
মেৰাই থইছে বহু শিকলি সোণৰ ।
গছতেই গছ গজি, কত ফুলি ফুল
কৰিছে বনৰ শোভা সুন্দৰ অতুল ।
তল ভৰি ভৰি সৰে ৰূপহী মদাৰ
গুছাই বনৰ নাথ ! দোৰ্ঘোৰ এন্ধাৰ।
গোন্ধত আমোল-মোল মাধই ফুলিছে ;
হিতেশা লতাই কত জোপা মেৰাইছে ;
নাই পাত, নাই ফুল, মাথোঁ ঠাৰি দালি,
বতাহত কেউফালে থাকে হালি-জালি।
কতদিন ৰহি ৰহি অউৰ (১) তলত

(১) অউৰ্—ঔৰ অৰ্থাৎ ঔটেঙ্গাগছৰ।

অউ-টেঙ্গা পাৰি পাৰি কত খাইছিলো !
ঠোপাঠোপে পকা জামু, লেতেকু কঠাল,
লেলেঙ্গ টেঙ্গাৰ গুটি কত যে চুপিলো।
কপউ ফুলৰ গছ দ'াড়েৰে খহাই
চাপৰত কলো আনি গছৰ থাঁকিত ।
কি সতেৰে ত্যজো আজি এনেকুৱা বন !
তাকে ভাবি মাথোঁ নাথ ! হইছো চিন্তিত ।
ভাবিলে বনৰ শোভা এনে ভাব হয়,
নাযাম উলটি যেন ঘৰলই মই ;
সংসাৰৰ শোকতাপ নাথাকে যনত,
ভালেতো যোগীয়ে নাথ ! থাকে অৰণ্যত ।"
"যিটো কঁলা প্ৰিয়তমা ! সচাঁ প্ৰকৃততে,
যদি ক'তো থাকে শোভা,—তেনে অৰণ্যত ;
আৰু যদি শান্তি বুলি আছে ক'তো কিবা,
তেন্তে, সেই শান্তি প্ৰিয়ে ! বনৰ মাজত ।
কিন্তু যে সংসাৰী আমি ; আমাৰ নিমিত্তে
নহয় বনৰ শোভা, শান্তি অৰণ্যৰ ;
সি কাৰণে, ব'লা প্ৰিয়ে ! বেলি নকৰিবা,
যাও ব'লা ঘৰলই সন্তোষ অন্তৰ ।"
ধীৰে ধীৰে কুঁৱৰীও উঠি ঠিয় হ'ল ;
তুলিলে দোলাত, ধৰি ৰজাই হাতত ।
আছিল পদ্মিনী বুৰী দোলা-কাষলই
আনন্দ মনেৰে আজি আনন্দ-দিনত ।
দুপৰ ভাটী দিয়াত পালেহি নগৰ,

(কমতাৰ ৰাজ লক্ষ্মী পাগেহি কমত)।
গোলাপীৰ মাক আহি এনে সময়তে
শুধিলে ৰাণীক, "আই! আই মোৰ ক'তা?
তোমা স'তে গইছিলে বনলই আই,
উলটি আহিলা তুমি, আই কিয় নাই?
আইক নেদেখি মোৰ বিয়াকুল হিয়া;
কোৱা আই! আই কিয় অহা নাইকিয়া?"
সখীৰ মাকক দেখি এনে বিয়াকুল,
চকুপানী টুকি ৰাণী কান্দিব ধৰিলে;
মাঘৰ মাহত যেনে টোপা নিয়ঁৰৰ,
চকুপানী টোপাটোপে সি দৰে পৰিলে।
ধীৰে ধীৰে ক'লে ৰজা,—'নাকান্দিবা আই!"
তোমাৰ গোলাপী আৰু জগতত নাই!
প্ৰণয়ত লাগি হায়! ত্যিয়াগি সংসাৰ
নন্দই সইতে গ'ল গোলাপী তোমাৰ।
এই বুলি আদি অন্ত কলে সকলোটী;
বিমুৰ্চ্ছিত হই বুঢ়ী পৰে ধাল খাই!
নাই মাত, নাই বোল, নাই কাটি কুটা;
প্ৰাণপখী উৰি হায় গলগৈ পলায়!
ত্যিযাগিলে পুত্ৰশোকে প্ৰাণ দশৰথ;
জীয়েকৰ শোকে এবে বুঢ়ীয়ে পৰাণ!
চেঁচা পানী কুৰবীয়ে দিলে ঢালি ঢালি,
নামাতিলে আৰু বুঢ়ী হেৰুৱালে প্ৰাণ।

দশম সৰ্গ ।

"———O Conspiracy !
Sham'st thou to show thy dangerous brow by night,
When evils are most free ? O, then, by day
Where wilt thou find a cavern dark enough
To mask thy monstrous visage ?"

———Shakespeare

গউৰ নগৰ অতি মনোহৰ
দেখিলে সন্তোষ মন ।
কিনো চাবা ঘৰ, কি চাবা দুৱাৰ
কি চাবা ফুলনী বন ॥
বাটৰ কাষত সাৰি সাৰি গছ
দাল ভৰি ভৰি ফুলে ।
কিনো চাবা দাল কিনো চাৰা পাত
বতাহত হালে জুলে ॥
ৰাজ-সভা খনি কিনো চাই যাবা,
দেখিয়ে দুচকু তধা !
প্ৰতি খুটাটীতে শোভে ফুল-মালা
'বেচেমী' দোলেৰে গঁথা ॥
ওপৰে ঢাকিছে বগা চন্দ্ৰতাপে
ইন্দ্ৰজালে চাক কাৰে ॥
তলে দি শোভিছে দলিছা-বানতে

মিহি পাটী আশে-পাশে ॥
এসুৰা সভাত বহিছে নবাব (১)
চাৰিওকাষে 'উজিৰ'।
ৰাজনীতি সবে কৰে আলোচনা
কৰি মণ প্ৰাণ থিৰ ॥
এনেতে দুৱৰী আহি কৰিলে 'চেলাম
তাৰ পাছে ধীৰে ধীৰে বুলিব ধৰিলে,—
"খোদাবাণ্ডা! কমতাৰ ৰাজমন্ত্ৰী আহি
আছে দুৱাৰতে ৰই, আনো আজ্ঞা দিলে।
হুজুৰে সইতে দেখা হবৰ কাৰণে
অকলে অকলে তেওঁ আহিছে ইয়াত,
আজ্ঞা পালে আনো মাতি ৰাজসভালৈকে;
কৰিবহি পাৰে তেওঁ ইয়াতে সাক্ষাত।"
"মাতি আনা তেনেহলে এই সভালৈকে"
দুৱৰীক ধীৰে ধীৰে নবাবে বুলিলে,
"ইয়াতেই তেৰে সতে কথা বাত্ৰা হওঁ,
অকস্মাতে গৌৰলই কিয়নো আহিলে।"
এই বুলি মনে মনে থাকিলে নবাব,
দুৱৰী মন্ত্ৰীক আহি নিলে সুমুৱাই,
মন্ত্ৰীও সোমাই গল ধীৰে সভালই,
বিষাদৰ চকুপানী ধাৰি উলিয়াই।
"বিষাদিত কিয় মন্ত্ৰী? শুধিছে নবাবে
কিয় চকু পানী আজি টোকা দুচকুত?
আহিলা গৌৰলৈ কিয় অকলে অকলে?

কি দুখ মনত মন্ত্ৰী ? জ্বলিছে বুকুত
কেনুৱা শোকৰ জুই ? অৱস্থা ৰাজ্যৰ
কোৱাঁ কেনেকুৱা ? ৰজা আছে নে কুশলে ?
আছে ভালে সকলোটী ঘৰতো তোমাৰ ?
কিন্তু, কি শোকত আজি চকুপানী ব'লে ?
"নবাব চাহাব !" ধীৰে বুলিলে মন্ত্ৰীয়ে,
"কিনো ক'ম আৰু হায় ! ঘৰৰ কুশল ?
ভুলিছিলো এটী ল'ৰা, তাকো হেৰুৱালোঁ !
অকালত সিও মোক এৰি গুছি গ'ল !"
এই বুলি শোকে মন্ত্ৰী কান্দিব ধৰিলে,
চকুৰ চকুলো টুকি. (বাপেকিৰ মন !)
"কিনো হইছিলে মন্ত্ৰী ?" শুধিলে নবাবে,
"কি ৰোগত তিয়াগিলে পুতেৰে জীৱণ ?"
"নাই হোৱা একো ভাৰ, নবাব চাহাব !
পাপীষ্ঠ ৰজাই তাক কটালে মিছাত !
অদোষত ; সেই বুলি জ্বলিছে অগণি
পুৰি দেই আজি মোৰ ব্যাকুল হিয়াত !
ঘোৰ অত্যাচাৰী হ'ল নীলাম্বৰ ৰজা,
উপদ্ৰৱ কৰে নিতে মিছাতে প্ৰজাক !
আঁতৰিলে শান্তিদেবী নগৰৰ পৰা ;
হৰিলেহি ক'লা মেঘে সুখৰ জোনাক !
মিছা অত্যাচাৰ আৰু সহিব নোৱাৰি,
সকলো প্ৰজাই মোক দিছে পঠিয়াই,
অশেষ মিনতি সতে জনাব তোমাত,

ৰাখিব কমতাপুৰ নতু ধ্বংশ পায় !"
"তোমাৰ নিজৰ ৰজা কৰে উপদ্ৰৱ,"
বুলিলে নবাবে ধীৰে মন্ত্ৰীলই চাই,
"কি কৰি ৰাখিম মই ? কিৰূপে ৰাখিম
উপদ্ৰৱ পৰা মন্ত্ৰী ! হাত সকৱাই ?"
"নবাব চাহাব !" ধীৰে বুলিলে মন্ত্ৰীয়ে,
"কিয় নোৱাৰিবা ? যদি তুমি ইচ্ছা কৰা
ফউজ পঠাই দিয়া সেনাপতি স'তে,
কাঢ়ি লোৱাঁ ৰাজ্যভাৰ নীলাম্বৰ পৰা ।
অত্যাচাৰী খেন-ৰজা ধোৰাঁ বন্দী কৰি,
ৰাজ্যভাৰ লোৱাঁ তুমি নিজ হাতলই
আপুনি চলোৱা ৰাজ্য, নিজে কৰা ভোগ ;
কৰা যদি তাকে, তেন্তে ৰাজ্য ৰক্ষা হয় ।"
"কমতাৰ সৈন্য সেনা অতি পাৰগত"
মন্ত্ৰীলই চাই পুনু নবাবে বুলিলে,
"আমাৰ ফউজে জয় নোৱাৰে কৰিব ;
হ'ব পাছে অতি লজ্জা, যুদ্ধত হাৰিলে !"
"নবাব চাহাব ! যুদ্ধ হবই বা ক'ত ?
কোনেনো কৰিব ৰণ নীলাম্বৰ হই ?
তলে তলে সৈন্য সেনা, সকলোটী প্ৰজা,
সকলোটী নীলাম্বৰ ঘোৰ বিপক্ষই ।
তুমি সৈন্য পঠিয়ালে, কিম্বা তুমি গ'লে,
কমতা নগৰ বাসী সকলোটী প্ৰজা
স'বহি তোমাৰ পক্ষ, কৰিব সহায় ;

তিয়াগিব আপোনাৰ খেনবংশী ৰজা।"
"কি কৰি বিশ্বাস মন্ত্ৰী! কৰিম তোমাক?
পুত্ৰ শোকে তুমি আজি আছা জৰ্জ্জৰিত?
সেই শোক যেজাৰতে জানোবা আছিছা
নিবলই সৈন্য? জানো, ঘটে বা অহিত?"
"সত্য কৰি কওঁ মই, নবাব চাহাব!"
ধীৰে ধীৰে নবাবক মন্ত্ৰীয়ে বুলিলে,
"সকলো প্ৰজাই মোক দিছে পঠিয়াই;
নীলাম্বৰ অত্যাচাৰে কমতা ভৰিলে।
কমতা নগৰ বাসী ৰিয়াকুল প্ৰাণ,
সহিব কিমান আৰু? নসহে পৰাণ;
সৈন্য পঠিয়াই যদি নাৰাখা প্ৰজাক,
সকলো পলাই যাব এৰি কমতাক।"
মন্ত্ৰীৰ কথাতে মাতি অনালে নবাবে,
জামাল সেনাপতিক ফউজেৰে স'তে।
ধীৰে ধীৰে ক'লে, তুমি "যোৱাহে, জামাল!
কমতাপুৰলৈ এই মন্ত্ৰীৰ লগতে।
নীলাম্ব ৰজাই বোলে ঘোৰ উপদ্ৰৱ
কৰিছে ৰাজ্যত নিজা আপোন প্ৰজাক।
যোৱা তুমি সেনা লই, ৰাজ্য কৰি জয়
গৌৰলই ধৰি বান্ধি আনিবা ৰজাক।
কমতাৰ প্ৰজা আৰু সৈন্য সেনাদিয়ে
কৰিব তোমাক বহু সহায় জামাল!
নকৰিবা একো শঙ্কা, যোৱা সেনা লই,

বেলি মকৰিণা আক কৰা সোনকাল !"
নবাবৰ কথা মতে পিন্ধি যুদ্ধ সাজ
ফউজে সইতে শীঘ্ৰে ওলাল জামাল !
বান্ধি বান্ধি ল'লে জাঠি, পছা, ধেনুকাঁৰ
চক্ মক্ কৰি জ্বলি থকা তৰোৱাল !
মন্ত্ৰীয়ে সৌতে ল'লে কমতাৰ ফালে
গোৰীয়া সেনাই খোজ ঘোৰ উৎসাহত।
হায় মন্ত্ৰি ! কি কৰিলা ? চৰাইয়ে যেনে
মাতি আনে কালসৰ্প আপোন বাঁহত ;
গৰুড় পখীক যেনে সাপে মাতি নিয়ে
নিজৰে অনিষ্ট হেতু আপোন গাতত ;
কিম্বা ভেকুলীয়ে যেনে ৰঙ্গে নিয়ে মাতি
কাল সৰ্প নিজে থকা গভীৰ নাদত।
কি কাম কৰিলা মন্ত্ৰী ! এয়ে কি তোমাৰ
সুমন্ত্ৰণা ? দেশলই শত্ৰুক মাতিলা ?
লাগিছে ভিতৰি হাই আপোন ঘৰত,
শতুৰুক দেখুৱাই কিয় আশ দিলা ?
ভায়ে-ভায়ে ঘৰতেই যদি লাগে হাই,
মৰা মৰি যত হয়, কৰিব ঘৰত !
পৰে কিন্তু আহি যদি মাৰে কোনোটীক,
আনটীৰ সিটো হায় ! সহে কি প্ৰাণত ?
ইটে-সিটে ভায়ে-ভাঙ্গে কৰে মৰামৰি
সি বুলি এৰি কি দিব পাৰে পৰলই ?
মই যত মাৰোঁ, বাক মাৰিম আইক,

আনে যদি মৰা শুনোঁ, সহে কি হৃদয় ?
কিম্বা, তুমিনেকি মন্ত্রি ! হলা বিভীষণ ?
ত্ৰেতাযুগে যি কৰিলে ধ্বংশ জ্ঞাতীবোৰ ?
সংহৰিলে নিজ বংশ; পুত্ৰ আপোনাৰ;
লঙ্কাৰ অতুল শোভা অমিয়া-মধুৰ।
আহা ! প্ৰাণ উঠে জ্বলি ভাবিলে সি কথা,
জ্ঞাতী–দ্ৰোহী বিভিষণে ছল বুদ্ধি কই
সংহৰিলে জ্ঞাতী, বন্ধু লঙ্কা নগৰৰ ;
তুমিও কি দেশ-দ্ৰোহী হলা তেনেকই ?
বিভীষণ ধৰ্ম্মী হেনো, কয় সকলোৱে,
জ্ঞাতী হিংসা কেনে ধৰ্ম্ম বুজোঁ কেনেকই ?
যদিও বা ধৰ্ম্ম হায় ! কিবা আছে কাম ?
নৰ'ল জ্ঞাতীয়ে যদি ধৰ্ম্মনো কেলেই ?
তেনেকুৱা লাখ ধৰ্ম্ম পাৰি তিয়াগিব,
জ্ঞাতীৰ নিমিত্তে, যদি জ্ঞাতী ভালে ৰয় ;—
লাখ ধৰ্ম্ম তেনেকুৱা পাৰি এৰি দিব,
দেশৰ মঙ্গল যদি ঘটে কিবা কই।
নালাগে তেনুৱা ধৰ্ম্ম যি ধৰ্ম্ম কৰিলে
জ্ঞাতী বন্ধু পায় নাশ, দেশ আপোনাৰ ?
তেনুৱা ধৰম কৰি কিবা হব লাভ ?
জলে মাথোঁ পাছে হায় ! অগণি হিয়াৰ।
কোৰোধত ভাহি জ্ঞাতী-দ্ৰোহী বিভীষণে
কৰালে সবংশে নাশ বংশ আপোনাৰ ;
কিন্তু, কিবা পালে লাভ? পাছে সন্তাপত,

টুকিলে জীৱন ব্যাপী চকুলো তুধাৰ।
প্ৰতিহিংসা! প্ৰতিহিংসা! প্ৰতিহিংসা হেতু
আনিছিলে মাতি 'মান' আহোম বংশৰ
কোবোধত অন্ধ বৰ-ফুকনে তাহানি ;
কিবা লাভ কিন্তু হায়? কি হ'ল দেশৰ?'
পৰে মাথোঁ বুজি ল'লে ভিতৰুৱা বল ;
শত্ৰুৰে মাথোঁ আশ পালে আহোমৰ!
বাৰে বাৰে আহি 'মাণে' লুটি নিলে দেশ ;
নিলে যত ধন ৰত্ন ঐশ্বৰ্য্য দেশৰ!
এয়ে সূত্ৰপাত! শেষে ধ্বংশ আসামৰ!—
গল আহোমৰ ৰাজ্য স্বাধীনতা ধন!
সি দৰে নিশ্চয় মন্ত্ৰী! এই সূত্ৰতেই
কমতাৰ ধ্বংশ পাব ঐশ্বৰ্য্য ৰতন।
কমতাৰ স্বাধীনতা পৰে নিব কাঢ়ি ;
পৰৰ ঐশ্বৰ্য্য হ'ব ধন কমতাৰ!
পুৰুষানুক্ৰমে ৰ'ব কলঙ্ক মহত'
ঘোষিব জগতে মন্ত্ৰী! তুৰ্যশ তোমাৰ!
মনে মনে আহি আজি কৰিছাহি তুমি
ষড়যন্ত্ৰ বিনাশিব, নিজ জন্মভূমি?
কিন্তু এই কথা মন্ত্ৰি! হৱতো প্ৰচাৰ?
জগতে ঘোষিব হায়। কলঙ্ক তোমাৰ!

একাদশ সৰ্গ।

————Being fed by us, you use us so,
As ungentle gull, the cuckoo's bird
Useth the sparrow : did oppress our nest,
Grew by our feeding to so great a bulk."
————Shakespeare

বাণীৰ কাষত বহি আকউ ঘৰত
আছে কমতাৰ ৰজা সন্তোষ মনত
গছৰ দালত যেন শালিকীক লই
শালিকা চৰাই বহে আনন্দিত হই।
যেনুৱা সুখত সুখী আজি দুয়োজন,
কিৰূপে বৰ্ণাব কখি? নাই এনে মুখ,
বৰ্ণাব যি মুখে পাৰে হৃদয়ৰ ভাব,
আনন্দ নইৰ ঢউ, দুয়োটীৰ সুখ!
এনেক্তে আহিলে এটী নগৰ ৰখীয়া,
আঠু কাঢ়ি, সেৱা কৰি কবলই ধৰেঃ—
"ঘোৰ্ঘোৰ বিপদ ৰজা! দুৱাৰত শত্ৰু!
দুৰ্দ্ধন গোৰীয়া সেনা আক্ৰমণ কৰে!
শীঘ্ৰ কৰি সৈন্য সেনা দিয়া পঠিয়াই,
নভুৰা, কমতাপুৰ আজি ধ্বংশ পায়!

শুনা ৰজা! শুনা কৰে শত্ৰুৱে গৰ্জ্জন
হৰি নিব' কমতাৰ স্বাধীনতা ধন!"
এই বুলি কয়ে বল নগৰ ৰথীয়া,
ৰাণীলই চাই পাছে বুলিলে ৰজাইঃ—
"দুৱাৰত গৰ্জ্জে আহি দাৰুণ শত্ৰুৱে,—
যুদ্ধ লই যাওঁ মই, দিয়াহে বিদায়।
জনা বুজা তুমি প্ৰিয়ে! ৰজাৰ কুঁৱৰী,
ৰাজধৰ্ম্ম সকলোটী বিদিত তোমাৰ;
ৰখাব নোৱাৰোঁ যদি স্বাধীনতা ধন,
কি বিলই হব হায়! পাছত আমাৰ!"
সোৱামীৰ কথা শুনি ক'লে কুঁৱৰীয়ে
"বুজাব নালাগে মোক, জানোঁ নাথ! মই
যোৱাঁ যুদ্ধলই তুমি, বিপক্ষক জিনি
অতি শীঘ্ৰে জয়ী হই ঘূৰি আহাঁ গই।
যোৱাঁ নাথ! যোৱাঁ তুমি, ৰাখিব ঈশ্বৰে
মঙ্গলে তোমাক যোৱা শত্ৰুৰ মাজত!
ৰক্ষা কৰাঁ কমতাৰ স্বাধীনতা ধন,
নতুবা কলঙ্ক হায়! থাকিব মৰ্ত্ত্যত।"
"যেহুৱা উৎসাহ বল দিলা হৃদয়ত"
ৰাণীলই চাই ধীৰে বুলিলে ৰজাইঃ—
"নিশ্চয়ে শত্ৰুক জিনি ৰণজয়ী হ'ম,
সন্দেহ ইয়াত প্ৰিয়ে! আৰু একো নাই।"
এই বুলি ৰণ সাজ পিন্ধিলে ৰজাই,
বেগা বেগিকই গ'ল সেনাৰ কাষত।

সাজি পাৰি সৈন্য সেনা সবে সাজু হ'ল
বুলিব ধৰিলে ৰজা উৎসাহ মনতঃ—
"কমতাৰ সৈন্য সেনা! কমতাৰ আশা!
সাজু হোৱা সবে, লাগে যুদ্ধ দিবলই
গৌৰীয়া সেনাৰ স'তে; পাপীষ্ঠ যৱনে
আহিছে ৰাজ্যৰ লক্ষ্মী হৰি নিবলই!
অকালত উঠে আজি কলীয়া দাৱৰ!
বীৰ বেশে কমতাত পাপীষ্ঠ যৱন!—
মনত বাসনা জানো, পৰাজয় কৰি
কমতা সেনাক, হৰে স্বাধীনতা ধন!
সাজু হোৱাঁ, সৈন্য সেনা! নতু, জন্মভূমি
মাতৃ সম কমতাক লুঠিব যৱনে!
পুত্ৰ সম তোমালোকে কি কৰি সহিবা
মাতৃৰ কেলেশ? হায়! হৃদয়ে স'বনে?
হেৰুৱাই স্বাধীনতা, দাস যৱনৰ
হ'বলই নেকি হায়! কাৰো ইচ্ছা যায়?
স্বৰ্গাদপি গৰীয়সী জনম ভূমিক,
মাতৃসম কমতাক শোকত বুৰাই?
সৈন্য সেনা সবে চাই বুলিলে ৰজাক,
বীৰোচিত স্বৰে কৰি গভীৰ গৰ্জ্জনঃ—
স্বাধীনতা মহাৰত্ন, তেনে ৰতনক
পাৰেকি শত্ৰুৱে নিব থাকোতে জীৱন?
কমতাবাসীৰ নাম থাকে যত বেলি,
যেতিয়ালইকে প্ৰাণ থাকিব আমাৰ,

পাৰে কি গৌৰীয়া সেনা লুটিব মাতৃক,
বীৰ পুত্ৰ এতিয়াও ভৰি আছে যাৰ ?
বলা মহাৰাজ ! যাওঁ এই মুহূৰ্ত্তত
গৌৰীয়া সেনাৰ নাম সমূলে সুমাওঁ !
শিয়াল পোৱালী হই সিংহে স'তে যুজে ?
কোন সাহসত মাথো ভাবিয়ে নাপাওঁ।"
"কৃতজ্ঞ সন্তান যদি হোৱা কমতাৰ"
সেনালই চাই পুনু বুলিলে ৰজাই
"ৰাখিব খোজাহে যদি জাতীয় সন্মান,
সাজু হোৱা আজি হিয়া সাহসে ভৰাই।
ৰাখিবৰ মন যদি স্বাধীনতা ধন,
যৱনক কৰা ধ্বংস কৰি প্ৰাণপণ।
ৰাখা মান, জন্ম ভূমি কমতা নগৰ,
নতুবা, কমতা আজি হ'ব যৱনৰ।
"কি বুলিলা মহাৰাজ ! হ'ব যৱনৰ
স্বৰ্গাদপি গৰীয়সী কমতা নগৰ ?
যেতিয়ালইকে ব'ব তেজ শৰীৰত,
নোৱাৰে সোমাব শত্ৰু নগৰ মাজত।
ইচ্ছা কৰিনেকি হায় ! দিম মহাৰাজ !
কলঙ্কৰ ছাই সানি কুল-গৌৰৱত
স্বাধীনতা মহাধন অমূল্য ৰতন ?
দিম'নেকি তেনে ধন শত্ৰুৰ হাতত ?
পৰাধীনতাৰ হায় ! বিষাক্ত শিকলি
কমতা বাসীয়ে নেকি পিন্ধিব দিন্দিত ?"

নাভাবিবা এনে বুলি তুমি মহাৰাজ !
কমতা সেনাৰ নোহে এনেকুৱা চিত।
সকলো সুখৰ ঠাই জনমৰ ভূমি
ৰাখিব নোৱাৰোঁ যদি ,কিয় হাতে হাতে
লইছোঁ মিছাতে আমি চোকা তৰোৱাল ?
ভুখনি যে আছে হাত, সিও কি মিছাতে ?''
এই বুলি সৈন্য সেনা সবে সাজু হ'ল,
উঠিলে শবদ " জয় ! কমতাৰ জয় ! "
গ'ল সবে যুদ্ধলই ৰজাৰে সইতে
ত্যাগ কৰি আপোনাৰ পৰাণৰ ভয়।
নগৰৰ বাজ হই পালে যৱনক
ইদলে সিদলে হ'ল বহু বেলি ৰণ,
মৰা-মৰি, কটাকটি হ'ল দুদলৰে
তিষ্ঠিব নোৱাৰি পাছে পলাল যৱন।
শত্ৰুৰ মাজত দেখি আপোন মন্ত্ৰীক,
আচৰিত হই ৰজা ধৰিলে বুলিব,—
"এতিয়া জানিলো মন্ত্ৰী! কেনেকই পালে
কমতা পুৰত আজি যৱন আহিব !
তীৰ্থলই যাওঁ বুলি গ'লা গৌৰলই,
শত্ৰুক দেখালা আনি আপোনাৰ ঘৰ ?
এয়ে কি তোমাৰ মন্ত্ৰী ! ভাল বিবেচনা ?
দেশদ্ৰোহী হ'লা-ল'লা পক্ষ বিপক্ষৰ ?
অনাবুজা তুমি মন্ত্ৰী ! পবিত্ৰ ব্ৰাহ্মণ
কুলত তোমাৰ জন্ম ; কিন্তু কি কাৰণ

দেশদ্ৰোহী হই, কৰা ধ্বংস জন্ম ভূমি ?
এনুৱা ধৰম হায় ! ক'ত পালা তুমি ?"
বজাৰ কথাটী শুনি বুলিলে মন্ত্ৰীয়ে,
"নিন্দিছা যে মোক তুমি দেশদ্ৰোহী বুলি,
তুমি কি নোহোৱা বজা ! ব্ৰহ্ম-বধী পাপী ?
তোমাক সি পাপে নেকি নোচোৱে সমূলি ?
বিপদত পৰি আজি বিচাৰিছা ধৰ্ম্ম ?
নিবিচাৰি তুমি কিন্তু বামুণ মাৰিলা !
নিশ্চয় জানিবা তুমি, সি মহা পাপত
আপোনাৰ সুখ শান্তি আপুনি নাশিলা।"
"নিবিচাৰি সচাঁ মন্ত্ৰী। মাৰিলো ব্ৰাহ্মণ,
সি পাপৰ প্ৰতিফল আপুনি ভুগিম
কিন্তু কি কাৰণে তুমি আনিলা বিদেশী।"
কমতা পুৰত ? হায় ! কিৰূপে সহিম ?
মই পাপী ব্ৰহ্মবধী, মোক বজা ভাঙ্গি
আন এজনক বজা কিয় নাপাতিলা ?
এটাৰ দোষত লাগি, কিয় জন্মভূমি
শত্ৰুৰ হাতত আজি ধ্বংসিব খুজিলা ?
মোৰ পাপতেই কিয় যাব কমতাৰ
স্বাধীনতা মহাধন, — অমূল্য ৰতন ?
এনে নীতি পালা কত ? কেনুৱা শাস্ত্ৰত ?
এয়ে কি তোমাৰ হায় ! পবিত্ৰ ধৰম ?
বিপদত পৰি আজি বিচাৰিছোঁ ধৰ্ম্ম,
কিয় এনে ভাব মন্ত্ৰী ! ভাবিছা মনত ?

পলাইছে শত্ৰু-সেনা তিষ্ঠিব নোৱাৰি ;
নাহঁ পৰা আজি মই একো বিপদত।
কিন্তু প্ৰকৃততে তুমি অকাৰ্য্য কৰিলা,
ঘৰুৱা দ্বন্দত মাতি শত্ৰুক আনিলা ;
দেশ-দ্ৰোহ মহাপাপ কৰি আচৰণ,
কলঙ্কিত কৰি ল'লা পবিত্ৰ জীৱন।
যাৰ খাই হ'লা তুমি দাঙ্গৰ দীঘল,
কোমল কোলাত যাৰ হ'লা অত বৰ,
তেনুৱা জন্মভূমিৰ চিন্তিলা অহিত ?
এয়ে কি তোমাৰ মন্ত্ৰী ! চিন ধৰমৰ ?
নাভাবিবা মন্ত্ৰী ! তুমি মই ভয় পাই
কইছো ইদৰে আজি ; মোৰ শঙ্কা নাই ;
নাই ভয়, নাই চিন্তা, থাকোতে জীৱন
কমতা কৰিব জয় নোৱাৰে যৱন।
মোৰ দোষতে যে তুমি শত্ৰুক মাতিলা ;
জনম ভূমিৰ হিযা শেলেৰে বিন্ধিলা !
সি কাৰণ মাথোঁ মন্ত্ৰী ! পাইছোঁ বেজাৰ,
মোৰ দোষতেই কিয় দুখ কমতাৰ ?'
"নোদোষিবা ৰজা ! মোক ; ৰজাৰ দোষত
ৰাজ্য নাশ, অমঙ্গল ঘটেই ৰাজ্যত।
উলুৰ লগত পোৰে জুটুলা বগৰি ;
কি হ'ব এতিয়া আৰু নিয়ায় বিচাৰি ?"
"বিধতাৰ ভূল মন্ত্ৰী ! যদি সেয়ে হয়,"
ধীৰেৰে মন্ত্ৰীক চাই নীলাম্বৰে কয়,

"বিধতাৰ অবিচাৰ! লোকৰ লগত
পুৰি-দেই চাই হ'ব লোকে অদোষত!"

*   *   *   *

আকউ গৌৰীয়া সেনা আহিল উলটি,
ৰজাক ধৰিলে আহি চাৰুকাষে বেৰি;
কমতা-সেনাৰ কিন্তু জাঠিৰ খোঁচত
তিষ্ঠিব নোৱাৰি তাত, পুনু গ'ল এৰি।

*   *   *   *

আকউ পলাই গ'ল যৱনৰ সেনা;
পাছে পাছে নিয়ে খেদি কমতা-সেনাই।
এই দৰে শত্রু সেনা ঘনে ঘনে হাৰে;
প্ৰাণৰ ভয়ত যায় সৱনে পলাই।

দ্বাদশ সৰ্গ।

"I will not yield,
To kiss the ground before young Malcolm's feet,
And to be baited with the rabble's curse,"
——Shakespeare.

নীৰৱে নীৰৱে যায় নিতউ সময়
একেবাহে, নাই যেন আমনি ভাগৰ,
কত দিন, কত পক্ষ, কত মাহ যায়
এমাহ দুমাহ কৰি কতনো বছৰ।
তথাপি খন্তেক ৰই ক'তো নুজুৰায়,
আমনি ভাগৰ জানো অলপকে নাই।
কাকুতি মিনতি কৰি কত মাতে নৰে,
অলপো নৰয়, জানো, কানতো নপৰে।
যেনেকই বলে নই নিতে একেবাহে,
সময়ৰো গতি, হায়! যায় তেনেকই,
নইৰো ভাগৰ নাই, নাই সময়ৰো,
সময়ো নৰয় ক'তো, নইও নৰয়।
সময়, নইৰ গতি একেই বিধৌয়া,
কিন্তু ভেটা দিলে পাৰি নইক ৰখাব;
নাই কিয়া মাথোঁ ভেটা বুদ্ধি এনেকুৱা
সময়ক যিটে হায়! পাৰিব ভুলাব।

নষ্টও নিতউ যায়, সময়ো নিতউঃ,—
নষ্ট যায় একেৰাহে ফালে সাগৰৰ ;
বুজিব নোৱাৰোঁ মাথোঁ সময়ৰ গতি,
কোন ফালে যায় ? চাপে কিহৰ কাষৰ ?
কোন আছে সময়ৰ ? কোন ফালে ? কেনি
নিতে একেৰাহে যায় ? অলপো নৰয় ?
কাৰ কাষলই যাওঁ ? কোনেনো বুজাব
সময় কলই যায় ? কোনে দিব কই ?
কালৰ গৰ্ভত যায় সময়ৰ গতি,
এই কথা মাথোঁ হায় ! ল'ৰাক ভূলোৱা।
কেনি আছে কাল গৰ্ভ ? নিতে চাই থাকো
নেদেখিলো কেনি যায় ! মিছা হল চোৱা।
দিনৰ পাচত ৰাতি, ৰাতিৰ পাছত
আহিলে আকউ দিন ; এনেকুৱা কৰি
কত দিন, কত পক্ষ, কত মাহ গ'ল,
কত যুদ্ধ হই গ'ল বছৰি বছৰি।
বহু যুদ্ধ হই গ'ল বাৰ (১২) বছৰত
কমতা সেনাৰে স'তে গৌৰীয়া সেনাৰ,
কমতা কৰিব জয় নোৱাৰি যৱন,
সকলোৰে বহি আজি কৰিছে বিচাৰ।
খঙ্গমনে ক'লে এটা যৱনৰ যোদ্ধাঃ—
পূৰ্ব্বে কইছিলে মন্ত্ৰী—"কমতাৰ প্ৰজা,
কৰিব সহায় বহু আমাৰ সেনাক,
ত্যাগ কৰি আপোনাৰ খেনবংশী ৰজা।

আৰু কইছিলে, বোলে সকলো প্ৰজাই
ৰজাৰ বিপক্ষ হই, পঠাইছে মোক
কবলই নবাবক কমতা বাসীয়ে
সহিব ৰাতিয়ে দিনে আৰু কত দুখ।
কমতা পোৱা মাত্ৰকে ফউজে আমাৰ,
কইছিলে মন্ত্ৰী, বোলে, সকলো প্ৰজাই
ত্যজিব আপোন ৰজা, নকৰে কদাপি
আমাৰ বিপক্ষে যুদ্ধ, কৰিব সহায়।
কিন্তু চোৱা সেনাপতি! ভাবাছোঁ এতিয়া,
সকলো কমতাবাসী লই তৰোৱাল,
অতুল বীৰত্ব আৰু সাহসে সইতে,
কৰিছে আমাৰে যুজ আজি অতকাল।
এই বাৰ (১২) বচৰত জানিব পাৰিলোঁ
প্ৰজাই মন্ত্ৰীক দিয়া নাই পঠিয়াই ;
আপোনাৰ স্বাৰ্থ মাথোঁ পূৰাবৰ মনে,
মিছাতে আমাক দুষ্টে আনিলে ভুলাই।
পঠিয়াই দিছে মোক সকলো প্ৰজাই,
এই বুলি কোৱাতেহে পঠালে আমাক
নবাবে, নহলে, তেওঁ নপঠালে হয়,
কেতিয়াও কমতাত যৱন সেনাক।
যি হবৰ হই গ'ল ; অত যুদ্ধ হ'ল,
এতিয়া মন্ত্ৰীক কোৱাঁ, মিতাই দিয়ক
যেনে তেনে উপায়েৰে, ভালেৰে বুজাই
কমতা ৰজাৰে স'তে আমাৰ সৈন্যক।

সেনাপতি নিমিতালে কমতা বজাবে,
ন'হব আমাৰ ৰক্ষা, জানিবা পাছত।
অত সেনা ধ্বংস পালে ! যি কেইটা আছোঁ
সি কেইটাৰো নষ্ট পাব প্ৰাণ অকালত।"
এই বুলি যোদ্ধাজন বল মনে মনে,
একেষাৰে সকলোৱে দিলে তাতে ৰাই ;
বহু পৰ ৰই থাকি, বুলিলে জামালে,
"মিতা য'ক তেনেহলে ; একো কথা নাই।"
"আপোনাৰ স্বাৰ্থ মন্ত্ৰি ! পূৰাবৰ মনে"
মন্ত্ৰীক মতাই আনি বুলিলে জামালে,
"ছলেৰে ভুলাই আনি আমাৰ সেনাক
বহু কষ্ট বহু ক্লেশ দিলা অতকাল !
তোমাৰ কথাতে কৰি সবাৰে বিশ্বাস,
আমাক পঠাই দিলে কমতা পুৰত !
তোমাৰ ছলতে মোৰে বহুত সৈন্যই
তিয়াগ কৰিলে প্ৰাণ শত্ৰুৰ হাতত।
যি হবৰ হই গ'ল ! যোৱা ঘটনাৰ
নিমিত্তে সকবেঁ। মন্ত্ৰি ! সন্তাপ মনত
কিন্তু মিলা-প্ৰীতি তুমি দিয়া কৰোৱাই
কমতাৰ নীলাম্বৰ বজাৰ লগত।
শিকাই বুজাই তুমি কোনো উপায়েৰে,
বজাৰে সইতে দিয়া আমাক মিলাই।
সকলো আকউ যুদ্ধ কি হব মিছাতে
নিজে নিজে যুদ্ধ কৰি ? মিছা, কাজ নাই।"

"বীৰ পুৰুষৰ ৰীতি নহয় এনুৰা"
জামালৰ ফালে চাই মন্ত্ৰীয়ে বুলিলে
"শত্ৰুৰুক আশ দিয়া নহয় যুগুত
উপহাস সকলোৱে কৰিব মিত্তিলে ।
আশঙ্কা মনত তুমি নকৰা জামাল !
কমতা সেনাই আৰু যুজিব কিমান ?
লাহে লাহে বৰ ভয় পাইছে সিহঁতে
এদিন পলাই যাব, চোৱাছোঁ প্ৰমাণ ।
পলাব এদিন সবে ৰজাক তিয়াগি,
ৰাজ্য এৰি যাব গুছি আন দেশলই ;
পৰিব এদিন ৰজা আমাৰ হাতত
নালাগে মিত্তিব ব'লা যুদ্ধ কৰাগই ।"
"কাফেৰ ! যুদ্ধৰে কথা মাথোঁ থাক কই,
মিতাৰৰ কথা ক'লে নোখোজ মিতাৰ ;
তোৰ-ইচ্ছা মাথোঁ তোৰ স্বাৰ্থ পূৰাবৰ,
নতু অকালত হায় আমাক মৰাব ।
অভিসন্ধি তোৰ দুষ্ট ! পাৰিছো বুজিব,
কিন্তু তেজস্বী তোৰ নাথাটে আমাত
যি ৰূপে লগালি যুদ্ধ, আজিও সিদৰে
মিতাই দে, নতু, প্ৰাণ নাথাকে দেহাত ।
পৰাণৰ আশা যদি কৰহে কাফেৰ !
মিতাই দে কোনোমতে ৰজাৰ লগত ।
নহ'লে, নহ'ব তোৰ কোনোমতে ৰক্ষা,
মৰিবি নিশ্চয় আজি মোৰ ওচৰত ।"

"মাৰা যদি মাৰঁা মোক" বুলিলে মন্ত্ৰীয়ে
"ৰজাৰে সইতে মই নোৱাৰোঁ মিতাব
ই মুখৰে আৰু মই নকৰো কাৰউ,
পুত্ৰ হন্তা নীলাম্বৰ নোৱাৰো বুজাব।"
মন্ত্ৰীৰ উত্তৰ শুনি, জ্বলিলে জামাল
খঙমনে ক'লে চাই এজন যোদ্ধাক,
"লই যোৱঁা বেগে চুজা (১) এই কাফেৰক।
শাস্তি কৰি মাৰঁাগই এই পাপাত্মাক।
টুকুৰা-টুকুৰে কাটি মাংস দুৰাত্মাৰ,
মাতি মাতি কুকুৰক দিবা খাবলই।
বলেৰে খুৱাবা ধৰি গোমাংস দুষ্টক
এনে কাম যেন আৰু নোহে আপলই।
মুঠামুঠে খেৰ বান্ধি পাছে গোট গাই,
অগনি লগাই দিবা জীয়াই জীয়াই।
এনেকই শাস্তি কৰি মাৰিবা দুষ্টক,
ৰাজ-দ্ৰোহী, দেশ-দ্ৰোহী নীচ কাফেৰক।"
জামালৰ কথা শুনি, ধৰিলে মন্ত্ৰীক
যোদ্ধা কেইজন মানে হাত দুখনত,—
আঁতৰাই লই গল বুলিলে চুজাই
মন্ত্ৰীলই চাই পাছে অতি কোৰোধতঃ—
"আপোনাৰ স্বাৰ্থ তোৰ পূৰাবৰ মনে,
দেশ-দ্ৰোহী, ৰাজ-দ্ৰোহী হ'লি দুৰাচাৰ।
লোকলই হুল পাতি নিজেই পৰিলি,
এনুৱাই প্ৰতিফল ঘটে এনুৱাৰ!

নানা শাস্তি কৰি তোৰ বধিম পৰাণ,
নকৰে কোনেও যেন আৰু এনেকুৱা
আগ্নলই দেশ দ্রোহ পাপ আচৰণ,
ৰাজ-দ্রোহ যেন আৰু নহয় এনুৱা।
এই বুলি গাৰ মাংস কাটিলে মন্ত্রীৰ,
টুকুৰা-টুকুৰ কৰি দিলে কুকুৰক।
কটাঘাত দিলে সানি লোন জলকিয়া।
আৰু কত শাস্তি নানা দিলে বামুনক ;
সেই ঘোৰ কথা আৰু কি কৰি লিখিম ?
লেখনী নিলিখে নিজে কঁপিছে হাতত !
হিন্দুৰ পৰান মাত্রে কান্দি কান্দি উঠে
অমানুষি অত্যাচাৰ দেখি বামুনত ;
গোট গাই খেৰ বান্ধি জীয়াই জীয়াই
মাৰিলে মন্ত্রীক পাছে অগনি লগাই !
পবিত্র কুলত জন্মি, যৱন হাতত
এৰিলে পৰান মন্ত্রী আপোন দোষত !
কোনে ক'ব পাৰে হায় ! কোনেবা দেখিব,
স্বৰ্গল'কে যাব নেকি, যাব নৰকত
দেশ-দ্রোহ মহাপাপ কৰি আচৰণ
মন্ত্রীয়ে পৰাণ এৰি যৱন হাতত।
মলইকে য'ক হায় ! নালাগে সি কথা,
কিন্তু ৰ'ব দেশ জুৰি কলঙ্ক মন্ত্রীৰ !
ইতিহাস লেখকেও লিখিব কলঙ্ক,
অমানুষি অত্যাচাৰ ৰাজ বিদ্রোহীৰ

মাতিলে চুজাক পুনু বুলিলে জামালে,
"যোৱা তুমি চুজা ! পুনু ৰজাৰ কাষত,
কোৱা গই মিত্ৰকৰো তেওৰে সইতে
একো কাজ নাই আৰু যুদ্ধ বিগ্ৰহত।
আৰু ক'বা ভালকই বুজাই ৰজাক,
আমালোক দেশলই গুছি যাওঁগই।
যোৱাৰ কালত কিন্তু ৰানীয়ে সইতে,
আমাৰ বেগমে যেন দেখা দেখি হয়।
ক'বা তুমি আছে বহু তিৰুতা লগত,
সি সকলে কুঁৱৰীক খোজে চাই যাব;
যদি দিয়ে অনুমতি মিত্ৰ ভাব কৰি,
তেনে হলে, নবাবেও বৰ ভাল পাব।
যোৱা তুমি, যোৱা চুজা ! বেগাই তালই,
কোনোমতে নীলাম্বক কৰিবা সন্মত,
যদি মান্তি হই তেওঁ মিত্ৰ ভাব কৰি,
দেখা হ'বলই কয় ৰানীৰ লগত,—
ভাল ভাল যোদ্ধা বহু বাচি বাচি লই,
তিৰুতাৰ সাজ পাৰ পিন্ধাই দেহত
দোলাত ভৰাই দিম তালই পঠাই,
অস্ত্ৰ শস্ত্ৰ লুকুৱাই কাপোৰ-তলত।
এনে নকৰিলে চুজা ! নোৱাৰি জিনিব
কমতা বাসীক আৰু কমতা সেনাক ;
শত্ৰু ধ্বংসিবৰ বুদ্ধি এয়েই প্ৰধান,
এয়ে হলে পৰা হব ধৰিব ৰজাক।

যদি মান্তি হয় ৰজা ক'বা ভাল কই,
তিকতা মানুহ মাথোঁ আহিব আমাৰ
তোমাৰ মানুহে জানো দুৰ্ঘট ঘটায় ?
তেনে হলে, সিটো জানা কলঙ্ক তোমাৰ।"
এই বুলি মনে মনে থাকিলে জামাল,
নগৰৰ ফালে গ'ল চুজা ধীৰে ধীৰে,
পালেগই নগৰত কমতা ৰজাক,
অকলে অকলে থকা চ'ৰাৰ বাহিৰে।
ৰজাক চেলাম কৰি বুলিলে চুজাই,
"গৌৰৰ নবাবে মোক দিছে পঠিয়াই
তোমাৰ কাষত ৰজা ! মিত্ৰ ভাব কৰি,
যদি কৰা মিলাপ্ৰীতি, যাব যুদ্ধ এৰি।
শত্ৰু ভাব এৰি যদি মিত্ৰ ভাব কৰা,
আমালোক সৈন্য সেনা গুছি যাওঁ গই ;
যাবৰ কালত কিন্তু ৰাণী'য় সহিতে
বেগম চাহাবে খোজে যাব দেখাকই !
সৈন্য সেনাদিবো আছে বহুত তিকতা,
সি সকলে কুঁৱৰীক খোজে চাই যাব ;
অনুমতি দিলে পাবে আহিব সকলো,
সেয়ে হ'লে নবাবেও বৰ ভাল পাব।"
"যুদ্ধ এৰি যায় যদি নবাবে তোমাৰ"
চুজা লই চাই ধীৰে বুলিলে ৰজাই,
"গুছি যক ; বাক তুমি ৰ'বাহেঁ৷ অলপ ;"
এই বুলি গ'ল ৰজা ভিতৰ সোমাই।

ভাঙ্গি-পিটি সকলোটী ক'লে কুৱৰীক,
আনন্দিত হই ক'লে ৰাণীয়ে পাছত,—
"মিলা-প্ৰীতি কৰা নাথ! নালাগে বিগ্ৰহ
গৌৰীয়া সেনাৰে স'তে আৰু অকাৰ্য্যত।"
"মিলা-প্ৰীতি কৰো প্ৰিয়ে! একো কথা নাই,"
ৰাণীলই চাই ধীৰে বুলিলে ৰজাই,
"আশঙ্কা অলপ কিন্তু হইছে মনত,
বেগম আহিব খোজে তোমাৰ কাষত।"
"কিহৰ আশঙ্কা নাথ? বহু দিনাবধি,
মোৰো ইচ্ছা আছে বৰ' বেগম চাবৰ,
কেনেকুৱা সাজ পাৰ, কেনে পিন্ধা উৰা
তিকতা বোৰৰ নাথ! গউৰ দেশৰ।
কেনেকুৱা অলঙ্কাৰ পিন্ধেনো বেগমে
সাধাৰণ তিকতাই পিন্ধে কেনেকুৱা;
কেনেকুৱা মাত কথা, কেনুৱা ৰূপত,
চাবলই আছে আশা, চাওঁছোঁ অনোৱা।"
কুৱঁৰীৰ কথা শুনি বুলিলে ৰজাই—
"আহোক 'বেগম' তেনে, একো কথা নাই।
তোমাৰ যেনুৱা ইচ্ছা, যাকে ভাল পোৱা
নকৰি তেনুৱা প্ৰিয়ে! কৰিম কেনুৱা?"
ই বুলি আকউ ৰজা আহিলে ওলাই
ধীৰে ধীৰে ক'লে পুনু চুজালই চাই।
"যোৰ্ঁ। দূত! তুমি গই কোৱা নবাবক,—
মিত্ৰ হ'লো, আহে যদি 'বেগম' আহক।"

ৰজাৰ কথাতে পুনু বুলিলে চুজাই,—
"তিকুতা মানুহ মাথোঁ আহিব আমাৰ,
তোমাৰ মানুহে জানো দুর্ঘট ঘটায় ?
তেনেহ'লে সিটো ৰজা ! কলঙ্ক তোমাৰ।"
"সিকাৰণে ভয় একো নৰিব নিদিবা,"
চুজালই চাই ধীৰে বুলিলে ৰজাই,—
"হিন্দু ৰজা নোহে তেনে বিশ্বাসঘাতক ;
ক'বা তুমি নবাবক, একো শঙ্কা নাই।"
মনোৰথ সিদ্ধি হ'ল ; আনন্দ মনত
উলটি আহিল চুজা আপোন কোঠত।
হ'ব ভাবি ষড়যন্ত্ৰ অচিৰে সফল,
আনন্দ মগন হ'ল যোদ্ধাবো সকল।

ত্ৰয়োদশ সৰ্গ।

She, with all a monarch's pride
Felt them in her bosom glow,
Rushed to battle, fought and
* * hurled them at the foe.
Ruffians, pitiless as proud
Heaven awards the vengence due ;
*　　*　　*　　*　　*　　*
Shame and ruin wait for you.

——Cowper.

শ্ৰীপঞ্চমী তিথি আজি সৰস্বতী পূজা
কমতা পুৰৰ ৰজা প্ৰজাৰ ঘৰত,
বহু হাবিয়াস কৰি পূজিছে আইক
সাদৰী বাণীয়ে কত ভকতি মনত।
ভাৰতীৰ পূজা আজি, দিন আনন্দৰ !
কোনো খেলে দবা 'পাশা কোনো খেলে কড়ি' ;
কোনোৱে বাইছে বীন (অতি চেনেহৰ
আইৰ বজোৱা যন্ত্ৰ) উলাহেৰে ধৰি।
ৰজাৰ চৰাত আজি বহু মানুহৰ
সমাগম ভাৰতীৰ পূজা চাবলই ;
ভবাই ভক্তি ফুলেৰে হৃদয়ৰ তোড়া
আইৰ পাৰত দিছে হাবিয়াস কই।

ভূমি লুটি সেৱা কৰি, ভকতি ভাৱেৰে
কৰিছে আইক আজি কত স্তুতি-নতি !
দেখি এনেকুৱা ভাব, আইৰ প্ৰতিমা,
আছে কি এনুৱা যাৰ নোপজে ভকতি ?
ৰাজিছে পাৰত আহা ! এপাহি পদুম;
ত্ৰিভঙ্গ মুৰতি আই, ধৱল বৰনা ;
সেউজীয়া সাজ তাতে জিলিকিছে গাত
অপূৰ্ব্ব বিভাৰে লই জেউতীৰ কনা।
"কচ্ছপী" ৰাজিছে আহা ! হাতত শুনীয়া
অতি সাদৰৰ বীণা ভাৰতী আইৰ
বাজে বাজে যেন লাগে অমিয়া সুৰেৰে,
দুৰ্ভগা কৰিৰ কৰি অন্তৰ সুখিৰ।
সৰস্বতী পূজা আজি,—যাৰ করুণাত
আৰ্জ্জিলে অক্ষয় কীৰ্ত্তি কবি চেক্ষপীৰ,
ভাৰ্জ্জিল, হোমৰ, দান্তে, অন্ধক মিল্টন,
কমতাত পূজা আজি সেই ভাৰতীৰ।
কৰিব নোৱাৰি হায় ! ঠিক উচ্চাৰন
"উষ্ট্ৰ" শবদৰ নিজ প্ৰিয়াৰ কাৰত
পাই মহা অপমান, ত্যজি গৃহবাস,
অৰণ্যত গই পাছে দুখ বেজাৰত
যাক পূজা কৰি পালে "কবিত্ব শকতি"
ভাৰতীয় কালিদাসে, যাৰ চেনেহত
শকুন্তলা, "মেঘদূত", "কুমাৰ সম্ভৱ"
ৰঘুবংশ আদি কাব্য ৰচিলে পাছত ;

যাক পূজা কৰি আজি মৰিও অমৰ
কালিদাস, চেক্সপীয়ৰ, কবি ভৱভূতি,
সেই ভাৰতীৰ আজি পূজা কমতাত !
কৰিছে আইক বাণী ভকতিৰে স্তুতি;—
নোহোৱা কেৱল আই ! কবিৰে ঈশ্বৰী,
বীৰৰো ঈশ্বৰী তুমি, সমৰ জয়িনী !
তুমি বিষ্ণু, তুমি শিৱ, তুমি প্ৰজাপতি,
তুমি আদি, তুমি অন্ত, তুমি শক্তি, বাণি!
তুমিয়ে বধিলা মাতৃ ! শুম্ভ নিশুম্ভক,
দশভূজা ৰূপ ধৰি মহিষাসুৰক,
ৰাম ৰূপে ৰাৱনক, কৃষ্ণৰূপে কংস,
যমদগ্নি ৰূপ ধৰি ক্ষত্ৰীয়ৰ বংশ।"
এই দৰে কৰে স্তুতি ৰজা আৰু বাণী ;
পূজাৰীয়ে কৰে পূজা সাদৰে আইক ;
এনেতে আহিলে এটা দুৱাৰ ৰখীয়া,—
হাত যোৰ কৰি ক'লে ৰজা কুঁৱৰীক ;—
"আহিছে 'বেগম' বহু দোলাৰে সইতে,
দুৱাৰতে আছে বই, আহিব খুজিছে ;
অনুমতি দিয়ে যদি, যাওঁ আনোগই ;
ব'দত 'বেগমে' বহু কেলেশ পাইছে।"
দুৱৰীৰ কথা শুনি, শুধিলে কুঁৱৰী,—
"দেখিছিলা নেকি ? কোৱাঁ, কেনুৱা 'বেগম' ?
কেনেকুৱা সাজ পাৰ ? কেনুৱা ৰূপত ?
কথাবাত্ৰা কেনেকুৱা ? কেনুৱা আয়স ?

"পেৰোৱাই মৰা দোলা" কলে হুৰবীয়ে,
নাই পোৱা দেখা হলে মই 'বেগম'ক ;
আহিছে বহুত দোলা লগত তেওঁৰ,
আজ্ঞা পালে আনোগই শীঘ্ৰে সিলোকক।"
"যোৱা তুমি আনাগই শীঘ্ৰে 'বেগমক"
হুৰবীক চাই পাছে বুলিলে কুঁৱৰী।
অনুমতি দিলে ৰজা ৰাণীৰ কথাতে ;
নিৰলই বেগমক আহিল হুৰবী।
আনন্দ মনত গ'ল কুঁৱৰী সোমাই,
গামিলী বুঢ়ীক মাতি ক'লে উলাহত ;
"আহিছে 'বেগম' বাই ! পাবহি এতিয়া,
বহুত মানুহে স'তে আছে দুৱাৰত।"
তামুলী চ'ৰাত গই পাৰা ধাৰি কঠ,
দলিছা, বানত আদি বহাৰ সজুলী !
এই সাজ এৰি তুমি পিন্ধা আন সাজ,
বেলি নকৰিবা বাই ! বান্ধা চুলি-টুলি।"
খুন-পেঁচ আক আই ! লাগিছে কেলেই ?
নহওঁ গাভৰু আমি। এই সাজে হব ;
তোমাৰ বয়স আছে তুমি পিন্ধাগই
ভাল সাজ অলঙ্কাৰ তেতিয়া শুৱাব।"
"বুঢ়ী হলে নেকি বাই!" কলে কুঁৱৰীয়ে,
"ভালকই সাজ পাৰ নাপায় পিন্ধিব ?
খোঁপা মাথোঁ বান্ধে নেকি গাভৰু কালত ?
বুঢ়ীৰ বুলিলে চুলি মুকলি থাকিব ?

এই সাজ পাৰ আৰু মুকলি চুলিৰে
দেখিলে তোমাক বাই ! বেগমে ভাবিব,
কমতা নগৰ বাসী তিৰুতা মানুহ
ভালকই পিন্ধি উৰি নাজানে থাকিব।”
এই বুলি কুৱৰীয়ে পিন্ধিলে উৰিলে,
বুৰীয়েও সাজ পাৰ পিন্ধিলে শলাই ;
দলিছা, বানত, ধাৰি-কঠ মিহি পাটী
তামুলী চৰাত পাৰে কোঠালী ভৰাই।
লাগিছে ৰাণীৰ গাত উলহ-মালহ
বেগমক চাবলই গউৰ দেশৰ ;
আহিব আহিব বুলি কত আশা কৰি
আছে তেওঁ উলাহেৰে ভৰাই অন্তৰ।
কিন্তু অকস্মাতে হায় ! বজ্ৰাঘাত হ’লে
যিৰূপে নৰৰ প্ৰাণ কম্পমান হয়,
হঠাতে বাজত শুনি সেনাৰ কোঢ়াল,
সি ৰূপে ৰাণীৰ কঁপি উঠিলে হৃদয়।
বেগা-বেগি কই ৰাণী আহিলে ওলাই
পমিলী বুৰীয়ে স’তে দেখিলে বাজত ;
আছে দোলা সুদা হই নহয় বেগম,
আহিছিল যোদ্ধা মাথোঁ দোলা-ভিতৰত।
মেলেচৰ ফাঁকি মাথোঁ, পাৰিলে বুজিব,
বুদ্ধি ছলনেৰে মাথোঁ ছলিলে যৱন।
তিকতা পঠাম বুলি পঠিয়াই সেনা
পেৰোৱাই ভিতৰত কৰে আক্ৰমন।

দেখিলে ৰাণীয়ে বহু নিৰস্ত্ৰ সেনাৰ
নাশ কৰি প্ৰাণ দুষ্ট গৌৰীয়া সেনাই,
বিশ্বাস-ঘাতক কৰি কমতা ৰজাক
বন্দী কৰি বেৰি-কুৰি ধৰিলই যায়।
গোৱামীক নিছে ধৰি যৱন সেনাই
তিকতাৰ প্ৰাণে হায়! পাৰে কি সহিব?
বীৰাঙ্গনা ৰূপ ধৰি যুদ্ধ সাজ পিন্ধি,
যৱনক চাই ৰাণী ধৰিলে বুলিব!
দুৰাত্মা যৱন! আহা! কৰিলি কি কাজ!
ছলেৰে ভুলাই আজি ধৰিলি ৰজাক?
নিৰস্ত্ৰ কালত হায়! বধিলি বহুত
কমতাৰ সৈন্য সেনা বহুত যোদ্ধাক।
লঙ্কা নগৰৰ যেনে বীৰ ইন্দ্ৰজিত,
ৰাক্ষস গৌৰৱ-ৰবি বধিলে লক্ষ্মণ
সোমাই যজ্ঞৰ ঘৰ নিৰস্ত্ৰ কালত,
তেনেকুৱা ছল আজি কৰিলি যৱন।
মিলা-প্ৰীতি কৰোঁ বুলি ছলেৰে ভুলালি;
তিকতা পঠাম বুলি যোদ্ধাবো পঠালি।
নিৰস্ত্ৰ কালত হায়! নাশিলি সেনাক,
অনিয়ায় মতে বন্দী কৰিলি ৰজাক।
ই পাপৰ প্ৰতিফল পাবি হে যৱন!
প্ৰকৃততে যদি হওঁ ৰাণী কমতাৰ।"
এই বুলি ল'লে দাঙ্গি এহাতেৰে জাঠি
এহাতেৰে তৰোৱাল তীক্ষ্ণময় ধাৰ।

সহিব নোৱাৰি হায়! ৰোমীয় সেনাৰ
দুৰ-ব্যৱহাৰ, যেনে ৰাণী ব্ৰিটনৰ,—
বোডেচীয়া—যুদ্ধ-সাজে সাজি পাৰি পাছে
মনৰ বেগত গ'ল কৰিব সমৰ,—
কিম্বা যেনেকই হায়! লঙ্কাৰ ঈশ্বৰী,
মন্দোদৰী—শুনি মৃত্যু ৰামৰ হাতত
প্ৰাণৰ স্বোৱামীৰ, যুদ্ধ-সাজ পিন্ধি
আহিছিলে যুদ্ধ দিব মনৰ বেগত;
সিৰূপে কুঁৱৰী আজি বীৰাঙ্গণা সাজি,
জাঠি তৰোৱাল লই ওলাল যুদ্ধত,
প্ৰাণৰ আশা এৰি স্বামী উদ্ধাৰিব
কমতা বাসীক চাই বুলিলে পাছত;
"কমতা নগৰ বাসী, কি ল'ৰা কি বুঢ়া!
ওলোৱাঁ সকলো আজি পিন্ধি যুদ্ধ-সাজ।
নিৰস্ত্ৰ কালত আহি, তিৰুতা বেশেৰে
ধৰিলে ৰজাক দুষ্ট যৱনে নিলাজ;
অনিয়ায় কৰি বহু বধিলে সেনাক,
কমতাৰ স্বাধীনতা হৰিব খুজিছে
বিশ্বাস-ঘাতক দুষ্ট যৱন ম্লেচ্ছে!
এই শোকে মোৰ আজি হৃদয় জ্বলিছে!
ওলোৱাঁ ওলোৱাঁ সবে বেলি নকৰিবা,
যুদ্ধ-সাজ-পাৰ পিন্ধি, নতুবা হৰিব
কমতাৰ ৰাজ-লক্ষ্মী নিলাজ যৱনে,
স্বাধীনতা-সুখ-বেলি অকালে ডুবিব!

মেলেছৰ পদানত হ'ব জন্ম ভূমি !
এই দুখ তোমালোকে কি কাৰ সহিবা ?
স্বাধীনতা মহাৰত্ন চোৰক বিলাই,
কিবা লই আৰু হায় ! ঘৰত থাকিবা ?
এদিনৰ স্বাধীনতা স্বৰগৰ সুখ,
পৰাধীনতাত নিতে দুখ নৰকৰ !
সেই দুখ তোমালোকে কিৰূপে সহিবা ?
কেনেকই 'পদানত' হ'বা যৱনৰ ?
পৰাধীনতাতকই মৰাই মঙ্গল !—
আহাঁ আহাঁ সৈন্য-সেনা ! যাও সমৰত।
উদ্ধাৰিম নিজ ৰাজ্য, আপোনাৰ ৰজা,
নতু, সকলোৰে প্ৰাণ ত্যজিম যুদ্ধত !
জনম ভূমিৰ অৰ্থে তিয়াগি পৰাণ,
সম্মুখ যুদ্ধত মৰি যাম স্বৰ্গলই।
ওলোৱঁা ওলোৱঁা সবে, নকৰিবা বেলি,
নকৰিবা একো আজি পৰাণৰ ভয় !—
কৰিলো প্ৰতিজ্ঞা কমতা নগৰ
শত্ৰুৰ তেজেৰে ৰাঙ্গলী কৰি,
বিনাশি যৱন মেলেছৰ সেনা
আপোন স্বোৱামী আনিম কাঢ়ি।
ৰজাৰ জীয়ৰী ৰজাৰ কুঁৱৰী,
স্বামীৰ স্নেহৰ তিৰুতা মই
দেখাম বীৰতা দেখাম ক্ষমতা
যৱন সেনাক বিনাশ কই।

পূৰ্ব্বে নাই ধৰা জাঠি তৰোৱাল,
নাই দেখা আগে যুদ্ধনো কেনে,
আজি সি হেপাহ লও পুৰুৱাই,
ওলোৱাঁ সকলো যোদ্ধাবো ভেনে।
কত বল ধৰে কমতাৰ ৰাণী,
যৱন সেনাক দেখাওঁ আজি ;
মৰে কি নমৰে তিৰীয়ে মাৰিলে,
চাওঁ পই তাত, ওলোৱাঁ সাজি।
কৰিলো প্ৰতিজ্ঞা গউৰ নগৰ
নেদেখে যৱনে আৰুউ গই।
আজি মোৰ পণ, ৰাজ-সিংহাসন
ৰখাম নিশ্চয় স্বাধীন কই।
কৰিলো প্ৰতিজ্ঞা, কমতা নগৰ
শত্ৰুৰ তেজেৰে ৰাঙলী কৰি,
বিনাশি যৱন মেলেছৰ সেনা
আপোনাৰ স্বামী আনিম কাঢ়ি।
কমতা নগৰ বাসী সকলো তিৰুতা!
আহা, আজি সকলোটী যাও সমৰত ;
উদ্ধাৰিম নিজ ৰাজ্য, ৰজা আপোনাৰ,
নতু সকলোৱে প্ৰাণ ত্যজিম যুদ্ধত।
জনম ভূমিত লাগি তিয়াগি জীৱন,
সন্মুখ যুদ্ধত পৰি যাম স্বৰ্গলই ;
ওলোৱাঁ সকলো আজি কমতা-বাসিনি!
পৰাণৰ ভয় কৰি নাথাকিবা ৰই।

নতু——
কৰিলোঁ প্ৰতিজ্ঞা আজি কমতা নগৰ
শত্ৰুৰ তেজেৰে স'তে বাদলী কৰিম ;
'বিনাশি যৱন, দুষ্ট মেলেছৰ সেনা,
আপোনাৰ শোৱামীক উদ্ধাৰি আনিম।"
কুঁৱৰীৰ কথা শুনি, কমতাপুৰৰ
ল'ৰা বুঢ়া সকলোটী ওলাল যুদ্ধত ;
ওলাল সকলো আৰু তিকতা দেশৰ
জাঠি, তৰোৱাল লই সবে দুহাতত।
"জয় কুঁৱৰীৰ জয় !" উঠিলে শবদ
কমতাপুৰৰ হায় ! গগন উধাই,
ভীমা মূৰ্ত্তি ধৰি আজি সাদৰী কুঁৱৰী
যৱন সেনাক পাছে প্ৰাছে খেদি যায়।
আগে আগে যায় দুষ্ট যৱনৰ সেনা
কমতা-ৰজাক লই নিজা কোঠালই,
পাছে পাছে যায় খেদি সাদৰী কুঁৱৰী
যৱনক ধৰ, ধৰ, মাৰ মাৰ কই।
নাচায় উলটি দুষ্ট যৱন মেলেছ,
কোঠত সোমাব মাথো গইছে বেগাই।
দেখি যৱনৰ এনে কাপুৰুষ-ভাব,
সাদৰী ৰাণীয়ে পাছে কলে বিজ্ঞিয়াই ;—
কাপুৰুষ ! ভীৰু ! দুষ্ট মেলেছ যৱন !
মকৰি সমৰ কিয় গইছ পলাই ?
আৰু পলা আৰু সোমা কোঠৰ মাজত,

ৰাণীৰ হাতত কিন্তু ক'তো ৰক্ষা নাই।"
এই বুলি গই ৰাণী সেনাৰে সইতে
যৱন-সেনাৰ কোঠ কৰি আক্ৰমণ,
ভীমা-মূৰ্ত্তি চণ্ডী যেনে দৈত্যৰ যুদ্ধত,
খণ্ড খণ্ড কৰি বহু কাটিলে যৱন।
যৱনৰ তেজে হ'ল কোঠ পঙ্কাকুল ;
তিষ্ঠিব নোৱাৰি পাছে ৰাণীৰ যুদ্ধত,
যেনিয়ে তেনিয়ে গ'ল অৱশিষ্ট সেনা
যৱনৰ—ভয় পাই প্ৰাণৰ ভয়ত।
ধন্য ধন্য তুমি ৰানি! কমতা ঈশ্বৰী!
দেখালা বীৰতা আজি নাৰীৰ মৰ্ত্ত্যত!
শত্ৰুক ধ্বংশ কৰি অতুল সাহসে,
ৰাখিলা অক্ষয় কীৰ্ত্তি তুমি জগতত।
বীৰতা তোমাৰ দেখি, পুৰনী কালক
অতীত ঘটনা কত পৰেহি মনত ;
সত্য, ত্ৰেতা, দ্বাপৰৰ কত কথা আনে
সোঁৱৰণী ধীৰে ধীৰে কত উলাহত।
ব্ৰিটনৰ সেনা হায়! তাহানি কালত,
কৰিছিলে অৱৰোধ আৰ্লিন নগৰ ;
ষোল বছৰীয়া এটী ফৰাচী ছোৱালী
জোৱানে* পাছত আহি কৰিলে সমৰ!
হেৰুৱালে বিপক্ষক, ব্ৰিটন সেনাক,
আৰ্লিন কৰিলে ৰক্ষা ভীমা মূৰ্ত্তি ধৰি ;

* Joan d' Arc.

তুমিও সিৰূপে আজি আছি সমবত,
হেকৰাই যবনক ধ্বংশিলা কুঁৱৰি!
কৰাচীৰ ইতিহাস থাকে যত দিন,
থাকিব সিমান দিন নাম তোমানৰ;
আসামত যত দিন থাকে অসমীয়া,
থাকিব উজ্জ্বলি যশ তোমাবো নামৰ!

* * * *

ৰাণীৰ বীৰত্ব দেখি, পলালে যবন,
বিচাৰি বিচাৰি পালে ৰাণীয়ে ৰজাক;—
কিন্তু যেনে অৱস্থাত দেখিলে তেঁওক,
কান্দে ৰাণী ভুকুৰাই আপোন-হিয়াক।
"হায়! হায়! প্ৰাণনাথ! এয়েকি আছিল
ভাগ্যত তোমাৰ? দুষ্ট মেলেছ যবনে
কৰিলে ক্ষত-বিক্ষত শৰীৰ তোমাৰ।
কৰিলো মিছাতে নেকি অত চেষ্টা তেনে?
তোমাৰ কাৰণে নাথ! প্ৰাণভয় এৰি,
যবন সেনাক বহু নাশিলো যুদ্ধত;
কিন্তু হায়! কান্দে প্ৰাণ, দেখিলে তোমাৰ
অযানুষি অত্যাচাৰ শত্ৰুৰ হাতত!"
এই বুলি শোকে ৰাণী কান্দিব' ধৰিলে,
ঠোকা-ঠোকি কই মাতি বুলিলে ৰজাই,
"ব্ৰহ্মবধি মই প্ৰিয়ে! সি মহাপাপত
ঘটিলে এনুৱা মোৰ, উস্! প্ৰাণ যায়!
নাকান্দিবা তুমি প্ৰিয়ে! নকৰিবা শোক,

কান্দিলেও আৰু তুমি নেদেখিবা মোক
এই জগতত হায় !—হইছে অৱশ
মন, প্ৰাণ, দেহা ক্ৰমে, মুখনি নীৰস !
খন্তেকৰ পাছে প্ৰিয়ে ! প্ৰাণ পখী যাব
দেহা-সজা এৰি থই, তুমি না-কা-ন্দি-বা !
শুকাইছে ঘনে ঘনে মুখ খনি মোৰ !
দিয়াঁছো এটোপা পাণী শো-ক ন-ক-ৰি-বা !"
এই বুলি চকুদুটী মুদিলে ৰজাই !*
কুৱৰীয়ে দিলে আনি পাণী এঁকাজলী ;
পাণী খাবলই কিন্তু নেমেলিলে মুখ ।
নাচালে ৰাণীক আৰু তেওঁ চকু মেলি !
পলালে ৰজাৰ প্ৰাণ দেহা এৰি থই,
কান্দিব ধৰিলে ৰাণী (মনৰ বেগত
আঁকোৱালি ধৰি মৃত দেহা স্বোৱামীৰ
ইনাই বীনাই হায় ! দাৰুণ শোকত ।
"উঠা উঠা প্ৰাণনাথ ! এবাৰ সম্ভাষা কৰা
চকুমেলি চোৱাহে এবাৰ ।
তোমাৰ প্ৰেয়সী আজি, কান্দে অভাগী কুৱৰী
চৰণত ধৰিহে তোমাৰ ।

গেইট চাহাবৰ মতে;—

Nilambar was taken prisoner and it was intended to carry him to Gour, but on the way he made his escape and was never heard of again.

Gait's "History of Assam" page 43.

চোৱাঁ চকু মেলি নাথ ! কমতা এৰাৰ আজি,
লয় পালে সকলো ভৰসা !
কোনে জানে, এনে হ'ব, সুখ-বেলি অস্ত যাব
অভাগীৰ কৰি এনে দশা ॥
স্বামী কমতাৰ ৰজা, ৰজাৰ কুঁৱৰী মই,
আজি যেন নিশাৰ সপোন ।
আঁতৰি আঁতৰি গ'ল সুখৰ সুন্দৰ ছবি,
কেলেশত কৰি নিমগণ ॥
আৰু অভাগী কুঁৱৰী কাৰ পদ-সেৱা কৰি
জীব এই সংসাৰ-মাজত !
য'লই গইছা তুমি, তলইকে যাম মই,
ছঁয়া হায় ! থাকিব দেহত ॥"
এই দৰে শোকে বহু কান্দিলে কুঁৱৰী
স্বামীৰ শোকত হিয়া-মুৰ ভুকুৱাই ।
বিয়াকুল হই হায় ! পদ্মিনী বুৰীয়ে
বুলিব ধৰিলে পাছে ৰাণীলই চাই :—
"কি হ'ব কান্দিলে আই ! আৰু নাকান্দিবা ;
কান্দিয়ে কটালে কাল, একোকে নহয় ।
ৰজাৰ দেহটী নিব লাগে শ্মশানত,
কি হব থাকিলে আৰু বই এনেকই ।"
এই বুলি পদ্মিনীয়ে দোলা অনোৱাই,
ঢুলীয়া গায়নে স'তে, তুলিলে দোলাত
ৰজাৰ দেহাটী নিলে শ্মশানৰ ফালে
দুখে শোকে কান্দি কান্দি তুলিব চিতাত।

কান্দি কান্দি কুঁৱৰীও গ'ল লগে লগে,
কমতাৰ লৰা বুঢ়া বেজাৰ মৰ্ম্মত।
সুখ-সূৰ্য্য কমতাৰ ঢাকিলে দাৱৰে
ভৰাই নগৰ হায়! ঘোৰ এন্ধাৰত।

চতুৰ্দ্দশ সৰ্গ।

All was ended now, the hope, and the fear, and the
sorrow,
All the aching of heart, the restless, unsatisfied
longing,
All the dull, deep pain, and constant anguish of
patience !"

——Longfellow.

All are such, when life the body leaves:
No more the substance of the man remains,
Nor bounds the blood along the purple veins,
These the funeral flames in atoms bear
To wander with the wind in empty air;
While the impassive soul reluctant flies,
Like a vain dream to these skies."

——Homer's Odyssey.

"Farewell to life, but not adieu to thee."

——Lord Byron.

অসাৰ মানৱ-দেহা অনিত্য পৰাণ,
পদুম পাতৰ পাণী অকস্মাতে পৰে !
কিবা কাম আছে হায় ! কি বিশ্বাস তাত !
কাল বতাহত নিতে টল বল কৰে ।
নিতে নিতে নই পানী যায় সাগৰত,
সেই পানী আৰু হায় ! আকউ নোলটে !
নিতে নিতে ক্ষয় পায় নৰৰ জীৱন,

লুকাই লুকাই যায়, পুনৰ নোভটে।
নিতে নিতে ফুলে ফুল কত ফুলনীত,
নিতে নিতে কত ফুল জহি সৰি যায়;
সেই ফুলে নেকি পুনু ফুলি উলাহত
ফুলনী পোহৰ কৰে সংসাৰত-হায়?
তোমাৰ আমাৰ আৰু সকলো লোকৰ
শোক, দুখ, হৃদয়ৰ বিষাদ, যন্ত্রণা,
দয়া, মায়া, হাহি কন্দা, চকুলো চকুৰ,
ভাল-পোৱা-পোৱি আৰু মনৰ মন্ত্রণা,
আনন্দ, ধেমালী আৰু উলাহ মনৰ,
বেজাৰ, সন্তাপ, হায়। মান অপমান,
কাম, ক্রোধ, লোভ, মোহ ৰিপুৰ তাড়না,
মনৰ হেপাহ আৰু বায়ুময় প্রাণ,
সকলোটী নিতে নিতে গইছে নীৰলে
কালৰ গৰ্ভৰ ফালে লয় পাবলই।
যি গইছে গ'ল সিটী একেবাৰে গ'ল!
উলটি আকউ সিটী আৰু নাহে গই!
কুঁৱৰীৰ প্রাণ আজি কুঁৱৰীৰ জ্ঞান,
কুঁৱৰীৰ অন্তৰৰ-হেপাহৰ ধ্যান,
একেবাৰে গই আজি লুকাল আঁৰত,
অনন্ত অপাৰ হায়! কালৰ গৰ্ভত।
কুঁৱৰীত নাই আৰু এতিয়া কুঁৱৰী;—
সংসাৰ ভৰিলে আজি ঘোৰ এন্ধাৰত!
দেখিছা পোহৰ তুমি সূৰ্য্যৰ কিৰণ,

সেই দেখা কুৱৰীৰ গুছিল ভাগ্যত।
পৰানৰ স্বোৱামীৰ জীৱনৰে স'তে
মৰিলে কুঁৱৰী হায়! আজি জীৱন্তত।
ইকি কথা? অসম্ভব, কোনে বা শুনিব?
কিৰূপে মৰিছে প্ৰাণ থাকোতে দেহাত?
যদিহে পাঠক! তুমি বিশ্বাস নকৰা,
কি কৰি বুজাম মই, নিজে নুবুজিলে?
কিন্তু চোৱাঁ ভাবি তুমি পাৰিবা বুজিব,
পৰাণ থাকোতে ৰাণী কিৰূপে মৰিল॥
আহাহা পাঠক হায়! পাৰিছোঁ বুজিব),
কথা কোৱা, লৰা-চৰা, এই সবকেই
ভাবানেকি তুমি বুলি জীৱন্ত জীবন?
যদি ভাবা তেনে হায়! মিছাই অনেই;
জীৱন্ত জীৱন হায়! নাই জগতত।
স্বৰগত বাজে মাথোঁ "জীৱন্ত জীৱন";
নিৰ্জ্জীৱ-জীৱনে ভৰা গোটেই পৃথিবী,
পলে পলে থাকে ঘটি নিতউ মৰণ।
শোকৰ ক্ষমতা য'ত বিৰাজে নিতউ,
বিষাদৰ দোলে য'ত ৰান্ধিছে জীৱন,
নিৰাশা-দাৱৰ আৰু নিদাৰুণ ৰোগ
যন্ত্ৰণা নৰকে য'ত মাতিছে মৰণ;
জীৱন্ত-জীৱন হায় এনুৱা ঠাইত
পাৰে কি থাকিব? আকেনেকি কৰবাত?
তুমি আমি কথা কওঁ লৰোঁ চৰোঁ সচাঁ,

সি বুলি জীৱন্ত প্ৰাণ আছে কি দেহাত ?
নাই নাই ক'তো নাই এই জগতত
"জীৱন্ত-জীৱন" হায় ! আহি ই ঠাইত,
জীৱনত দুখ পাই "নিৰ্জ্জীৱতা" পালে।
সি কাৰণে কওঁ আজি অভাগী কুঁৱৰী
মৰিছে নিশ্চয় হায় ! সচা ভাবি চালে।
কুঁৱৰীৰ দৰে হায় ! আমিও সকলো
এই মৰ জগতৰ শোক বিষাদত
(নিতে নিতে পাই বহু বেজাৰ সন্তাপ)
মৰি আছোঁ ; মৰি আছোঁ নিতে জীৱন্তত।
নাম মাত্ৰ আছোঁ আমি মৰ্ত্ত্যত জীয়াই,
নাম মাথোঁ কথা কোৱা নামে লৰা-চৰা,
নাম মাথোঁ আছে হায় ! নাকত নিশ্বাস,
কাজে কিন্তু সকলোটী প্ৰাণহীন মৰা।
জীৱন্ততে মৰা আমি। অনিত্য জীৱন !
অনিত্য ই দেহা-সজা প্ৰাণ-পখী গ'লে।
পঞ্চভূত পাব লয় পাঁছোটা ভূতত,
নাকৰ নিশ্বাস বায়ু থিৰ হই ৰলে।
নাকৰ নিশ্বাস বলি থাকে যত বেলি,
তত বেলি মানৱক লাগে ভাল ভাল,
সাজ-পাৰ, ধন বস্তু, লাগে ভাই ভনী,
পৰাণৰ প্ৰণয়িণী, পুত্ৰ পৰিয়াল।
নাকত নিশ্বাস থাকে যত বেলি ব'লি,
তত বেলি মানৱৰ খিয়লা খিয়লি,—

তাক কাটি মই খাওঁ, মই হওঁ এৰ,—
থাকে এনেকুৱা ভাব অবোধ নৰৰ।
নাকত নিশ্বাস থাকে যত বেলি ব'লি,
তত বেলি মানৱৰ থাকে ভিন পৰ,—
সিটো পৰ ইটো মোৰ ঘৰবে আপোন,
এনে ঘৃনণীয় ভাব থাকে মানৱৰ।
থাকে ব'লি যত বেলি নাকত নিশ্বাস,
তত বেলি থাকে হায! দাৰুণ হেঁপাহ,
মানৱৰ ধন সোন বস্তু ঐশ্বৰ্য্যত,
মৰে কটাকটি কৰি ধনৰ লোভত।
অবোধ মানুহ। কিন্তু না ভাবে খন্তেক,
এদিন নিশ্বাস মাৰ যাব যে নাকত।
সি কালত ভাই ভনী ঐশ্বৰ্য্য ৰতন
তিয়াগি লাগিব যাব শ্মশান মাজত।
শ্মশান মাজত হায! পঞ্চভূতি দেহা
লয় পাব মিল হই পাছোটা ভূতত!
পানীত মিলিব পানী, অগনি অগ্নিত,
ধূলীযে ধূলীয়ে, বাযু বায়ুৰ লগত।
আকাশত হব মিল তেতিযা আকাশ,
সিকালত ক'তো আৰু শেষ নাথাকিব।
ধন সোন ৰত্ন আৰু প্ৰাণৰ প্ৰেযসী
পুত্ৰ পৰিযাল আদি লাগিব ত্যজিব।
ভিন পৰ, সৰু বৰ, নাথাকিব চিন,
একে লগে শ্মশানত লাগিব থাকিব।

এই কথা ভাবি যদি চায় এখন্তেক,
বদ ভাব মানুহৰ পাৰে কি আহিব ?
আহাহা ! পৰাণ কান্দে, চোৱাছোঁ পাঠক !
সোৱা শ্মশানত আনি তুলিছে চিতাত
কমতা ৰজাক আহা !—থাকোতে নিশ্বাস
শুইছিলে নেকি তেওঁ এনুৰা শয্যাত ?
নহয় কেৱল শয্যা ; সিকালৰ স'তে
আজিৰ অবস্থা হায় ! কৰিলে তুলনা,
সংসাৰত মানুহৰ জন্মে কি হেপাহ ?
থাকে ঐশ্বৰ্য্যত নেকি দাৰুণ কামনা ?
ভাই ভনী তিৰুতাক আপোনাৰ বুলি
জনমে কি ভাব হায় ! নৰৰ মনত ?
যদি ভাবে এই কথা, হৰিলে নিশ্বাস,
আই ভাই কোনোৰেই নাযায় লগত।
আহাহা পৰাণ কান্দে ! জীৱন্ততে মৰা
কুৱৰীয়ে কান্দি কান্দি তুলিলে চিতাত
আপোনাৰ স্বোৱামীক (কমতা ৰজাক)
চকুলো বোৱাই হায় ! তপত হিয়াত।
অগনি লগাই দিলে, জ্বলিলে অগনি
দপ্ দপ্ কৰি হায় !—পুৰণী কালত
("অশ্বমেধ" যি কালত আছিলে চলিত)
জ্বলিছিলে যেনেকই যজ্ঞৰ কুণ্ডত !
জ্বলিলে চিতাৰ জুই দপ্ দপ্ কৰি,
আগনি লাগিলে গই উঠি স্বৰগত।

পমিলী বুদ্ধীক চাই চকু পাণী টুকি,
বুলিব ধৰিলে ৰাণী পাছে বিষাদত;—
"জীৱনৰ লীলা বাই! আজি শেষ হ'ল
অভাগীৰ; মোত লাগি নকৰিবা শোক!
সতী যাওঁ আজি মই স্বোৱামীৰে স'তে!
কিৰূপে সহিম আৰু বিধৱাৰ দুখ!
কি স'তেৰে বাই! মই মচোঁ কপালৰ
সেন্দুৰৰ ফোঁট জুৰি? কি স'তেৰে যাওঁ
স্বোৱামীক এৰি থই চিতাৰ জুইত
অকলে অকলে হায়! বৰ শোক পাওঁ!
স্বামীৰ তিৰুতা মই, স্বামী মোৰ প্ৰাণ,
স্বামীৰ জীৱনে বাই! মোৰ যে জীৱন!
মোত লাগি বাই! তুমি নকৰিবা শোক,
স্বামীৰ মৃত্যুত মোৰো ঘটিল মৰণ!
কত আশা বাই! তুমি কৰিছিলা মোত,
কৰিছিলা কত স্নেহ,—মাকৰ মৰম
তেনেকুৱা হয় বুলি, নোপজে বিশ্বাস।
নিমৰম কালে কিন্তু কৰিলে হৰণ!
কুটীল বিধতা! তাৰ কুটীল চক্ৰত
পৰি আজি তিয়াগিলোঁ তোমাহেন বাই;
স্বোৱামী যে গ'ল এৰি কিৰূপে থাকিম?
এই জগতত আৰু কিবা সুখ থাই?
সতী যাওঁ বাই! মোক নকৰিবা বাধা;
নগৰৰ সকলোকে তুমি ক'বা গই,

PLEASE HANDLE THE BOOK CAREFULLY.

কুঁৱৰীয়ে গ'ল এৰি দুখৰ সংসাৰ
স্বামীৰে সইতে আজি অনুমৃতা হই।
যাওঁ বাই! যাওঁ আজি তিয়াগি সংসাৰ
ত'লই বাজিছে য'ত আত্মা স্বোৱামীৰ,
য'ত আছে সখী মোৰ ছোৱালী কালৰ,
বিৰাজিছে আত্মা য'ত পিতৃ-মাতিৰীৰ।
যাও বাই! যাওঁ আজি, যাও সি দেশত,
বিৰাজিছে য'ত প্ৰভু অনাদি কাৰণ,
একমেব অদ্বিতীয়, পৰম ঈশ্বৰ
স্বোৱামীয়ে স'তে কৰি চিতা-আৰোহণ!
যাওঁ আজি সি দেশত, য'ত বিৰাজিছে
আই মাহী আইয়ে স'তে জগতৰ পিতা,
অপূৰ্ব্ব বিভাৰে কৰি গোলোক পোহৰ;—
ৰঙ্গে কৰি আলিঙ্গন স্বোৱামীৰ চিতা।"
এই বুলি কুঁৱৰীয়ে প্ৰজ্বালই চাই
বুলিব ধৰিলে চায়! হিয়া ফাটি যায়!
"অষ্টাঙ্গে পৰিছে আজি দুখুনী কুঁৱৰী,
আশীৰ্ব্বাদ দিয়া সবে' দোষ ক্ষমা কৰি।
দিয়া আশীৰ্ব্বাদ, যেন গই সি দেশত
আনন্দ মনেৰে থাকোঁ স্বামীৰ লগত।
প্ৰভুৰ পাৱৰ যেন নহওঁ আঁতৰ,
পাওঁ যেন নিতে তাত আইৰ সাদৰ।"
এই বুলি কুঁৱৰীয়ে কান্দি বেজাৰত
পৰিলে দীঘল হই প্ৰজাৰ আগত।

কিন্তু আশীৰ্ব্বাদ হায় ! দিয়া থ'ক পৰি,
উঠিলে সকলো প্ৰজা শোকত চিয়ঁৰি।
সকলো প্ৰজাই ক'লে কান্দি বেজাৰত :—
"কমতাক এৰি আই ! যাবা তুমি ক'ত?
ক'ত এৰি থই যাবা কমতা-বাসীক ?
পাহৰিবা কেনেকই পমিলী বুৰীক ?
তোমাৰ মৰম আৰু তোমাৰ সদ্গুণ,
তোমাৰ বীৰতা আমি কি কৰি ভুলিম ?
নাযাবা নাযাবা আই ! তিয়াগি আমাক
আদৰৰ কমতাক। কিৰূপে সহিম ?
তুমি যদি এৰি যোৱা কি হব বিলয়
কমতা বাসিৰ আৰু কমতাপুৰৰ ?
যৱনৰ পদানত হব জন্ম ভূমি,
সি দুখে তোমাৰ নেকি নদহে অন্তৰ ?
মেলেছ কৰিব বাস কমতাপুৰত,
কি কৰি ই দুখ হায় ! সহিবা মনত ?
নাযাবা নাযাবা আজি তিয়াগি কমতা
জনম ভূমিৰ আই ! পাহৰি মমতা।"
"জনম ভূমিৰ ভাবি ভবিষ্যত দুখ"
কুৱৰীয়ে কলে কান্দি প্ৰজালই চাই
"মোৰো বিদৰিছে হিয়া কান্দিছে পৰাণ !
কিন্তু কি কৰিম ? হায় ! নেদেখো উপায়।
জানিলো এতিয়া
ভালকই কলি গৰু নজগে ভাদত

ভালদই দ্বন্দ্ব হাই নালাগে ঘৰত,
ভালদই ভায়ে ভায়ে নকৰে বিৰোধ,
ভালদই ৰাজমন্ত্ৰী নহয় নিৰ্ব্বোধ।
ভালদইনে কি হায়! দেশৰে মানুহে
বিদেশীক মাতি আনে আপোন দেশত?
চোৰক দেখায় আনি আপোনাৰ ধন,
শুনিছা কি এনে কথা কোনোবা ৰাজত?
বিধতাৰ ইচ্ছা হায়! আছে যে ভাগ্যত
বহুত কেলেশ জানো, জনম ভূমিৰ!
যবনৰ পদানত হ'ব জন্মভূমি!
কোনে পাৰে বাধা দিব ইচ্ছাত বিধিৰ?"
এই দৰে ক'লে বহু প্ৰজাক কুঁৱৰী
উলিয়াই দুচকুত চকুলো দুধাৰি।
এনে সময়তে আহি দুখুনী পমিলী
আউলী বাউলী হই,—মনৰ বেগত
ৰাণীক সাবটি ধৰি দুয়োটী হাতেৰে
ধুলিব ধৰিলে বুৰী অতি বেজাৰত।—
"আছিল মনত আশা, অন্তিম কালত
মুদিম দুচকু, চাই তোমাক আগত।
কিন্তু নিদাৰুণ বিধি! কি কৰি বুজিম
তাৰ লীলা? সি সুখত কৰিলে বঞ্চনা!
আছিলে মনত হায়! ৰজাৰে তোমাৰে
সুখ দেখি পাহৰিম সংসাৰ যাতনা।
কিন্তু হায়! বৃথা আশা! পূৰ্ব্ব জন্মফলে,

মহাঘোৰ অত্যাচাৰ) ৰাজ-পুত নাৰী
কৰিছিলে প্ৰাণ ত্যাগ 'অগণি-কুণ্ডত'
আপুনি জ্বলাই জুই, নিজে নিজে পৰি ;
সেইৰূপে আজি ৰাণী ত্যজিলে পৰাণ ;
শোক বেজাৰত সবে হই ম্ৰীয়মান
ঘৰলই গ'ল প্ৰজা,—দশমীৰ দিনা
যায় যেনে ৰূপে গৃহী উটাই প্ৰতিমা।
দামুৰি হেৰালে যেনে বিয়াকুল গাই,
কুঁৱৰীক এৰি আজি তেনেকুৱা বাই !
কান্দি কান্দি বেজাৰত গ'ল ঘৰলই
ইনাই বীনাই হায় ! বলীযানী হই।
লাহে লাহে কমি গ'ল চিতাৰ অগণি,
দেখিলো উলটি চাই ৰাণী আৰু নাই ;
জ্বলা অগণিত পৰি তিয়াগিলে প্ৰাণ,
জুইয়ে কৰিলে হায় ! পুৰি দেই ছাই।
কত চালো চাৰু ফালে কত বিচাৰিলো,
নেদেখিলো কুঁৱৰীৰ "শেষ" আজি হায় !
কেনি গ'ল আজি ৰাণী কমতা ঈশ্বৰী ?
ক'তো দেখোঁ কুঁৱৰীৰ একো ছিন নাই।
সেই জোন, সেই বেলি, সেই তৰা আছে,
সেই নই, সেই মেঘ (কলীয়া দাবৰ)
সেই জুই, সেই পানী, সেই শ্মশানেই,
সেই সকলোটী আছে নাই হোৱা লৰ।
সেই গছ, সেই পাত, সেই লতা ফুল,

সেই সকলোটী আছে ৰাণী কিয় নাই ?
এই প্ৰশ্ন কত বাৰ উঠিল মনত,
মনতেই পুনু হায় ! লয় হই যায় ।
অবাক ! অবাক হই চালো কেউ ফালে,
নাপালো যে কুঁৱৰীক,—ক'তো দেখা নাই ;
কেনি গ'ল আজি ৰাণী ? কোন ফালে ? কেনি ?
কোনে ক'ব ? কোনে হায ! দিব দেখুৱাই ?
গ'ল আজি ৰাণী তাত,—মানৱৰ ভাবে
ভাবিব নোৱাৰে যাৰ ছবি মনোহৰ ;
কল্পনা নোৱাৰে যাক আঁকিব তুলিবে,
সি ৰাজ্যত গ'ল ৰাণী কমতা পুৰৰ ।

পঞ্চদশ সৰ্গ।

"Father of all ! in every age,
In every clime adored,
By saint, by savage, and by sage
Jehovah, Jove or Lord."

——Pope.

বহুত দিনৰ হায় ! পাছত এদিন
কল্পনা সখীৰে স'তে গলো শ্মশানত !
দেখিলো পমিলী বুৰী চকুলো টুকিছে
কুঁৱৰীক ভাবি ভাবি দাৰুণ শোকত।
টোপাটোপে চকু-পাণী কতবা সৰিছে;
তপত বুকুত বই কতবা পৰিব ;
ওলাই গইছে কত, কত ওলমিছে ;
আৰু বা ওলাব কত, কোনেনো জানিব ?
এইদৰে আৰু বুৰী শ্মশান-মাজত,
কান্দিব লাগিব কত দাৰুণ শোকত,
জানে কোনে ?—জানে মাথোঁ দয়াৰ সাগৰ
সৰ্ব্ব শক্তিমান প্ৰভু পৰম ঈশ্বৰ।
দয়াৰ সাগৰ প্ৰভু, পৰম ঈশ্বৰ ?
তেঁৱে যদি হয় 'প্ৰভু দয়াৰ সাগৰ'
পূৰ্ণীমাৰ জোনে কিয় নিতে পায় ক্ষয় ?

আঁউশীৰ দিনা কিয় পুনু পায় লয় ?
যদি প্ৰভূ ! তুমি দয়াময়
এজনে ভোগায় কিয় ৰাজ-সিংহাসন ?
কিয়বা এজনে কৰে ধূলিত শয়ন ?
এজন কিয়নো প্ৰভূ ! সুখী সন্তোষত ?
কিয়নো এজন দুখী দুখ বেজাৰত ?
দয়ামর যদি তুমি;—
কিয়নো এজন প্ৰভূ ! ধনৰ কুবেৰ ?
এজন কিয়বা হয় খুদ-মগনীয়া ?
কিয়বা এজন ধীৰ, শান্ত মহাজ্ঞানী ?
এজন কিয়বা দুষ্ট, দোৰ্ঘোৰ বলিয়া ?
যদি কোৱা,— মানৱৰ নিজৰ দোষত
দীনদুখী মগনীযা হয় জগতত।
নিজৰ দোষত কান্দে শোক বেজাৰত,
শোকত ব্যাকুল হই বিষাদ মনত।
তেনেহলে সিও প্ৰভূ ! দোষ তোমাৰেই ;
তুমি সৰ্ব্বশক্তিমান,—কিয়নো নিদিলা
সেই বুদ্ধি, সেইভাব ? যাৰ প্ৰভাৱত
বহুতক ধনী, মানী, সুখীয়া কৰিলা ?
তুমি প্ৰভূ ! জগদীশ ! জগতৰ পিতা !
জগতৰ নৰ নাৰী সন্তান তোমাৰ ;
কিন্তু সকলোকে হায় ! কিয় নকৰিলা
সম অংশে অংশভাগী তোমাৰ দয়াৰ ?
যদি কোৱাঁ সেয়ে জ্ঞানী, যিজনে তোমাৰ

নিতে কৰে প্ৰিয় কাম, কচিতো নকৰে
যি কৰিলে পোৱা তুমি দুখ হৃদয়ত ;
সেয়ে সুখী, ভোগী হই মৰ্ত্ত্যত বিহৰে।
পালন নকৰে যিটে তোমাৰ আদেশে,
নিতে নিতে কৰে কাম অপ্ৰিয় তোমাৰ,
সেয়ে হয় দীনদুখী জগত মাজত,
মুৰত নিতউ তাৰে কেলেশৰ ভাৰ।
এই কথা কিন্তু প্ৰভু! নোশোভে তোমাত!
কিয়নো,—সৰ্ব্বজ্ঞ তুমি, সৰ্ব্বশক্তিমান,
স্ৰজোঁতা সবৰে, তুমি জানা সকলোকে ;
কিয়নো নিদিলা তেনে সকলোকে জ্ঞান?
সৃজন কৰোতে হায়! সকলো নৰকে
ভালভ'বে জ্ঞানে স'তে কিয় নিসৃজিলা
অজ্ঞানতা অন্ধকাৰ কিয় বহুতৰ
অন্তৰত সুমুৱাই দুৰ্দশা কৰিলা?
সৰ্ব্বশক্তিমান তুমি জগতৰ পিতা,
কিন্তু কি কাৰণে কৰা ত্ৰমুৱা অন্যায়?
দয়াৰ সাগৰ বুলি সকলোৱে কয়,
নামে মাথোঁ তেনেকুৱা, কিন্তু দয়া নাই।
পক্ষপাতে ভৰা যাৰ মানস অন্তৰ,
কোনে বোলে সি জনক দয়াৰ সাগৰ?
বুৰীয়ে যে কান্দে আজি চকু পাণী টুকি,
সি কাৰণে জগদীশ! কোন তেনে দোষী?
এই যে দেখিছা প্ৰভু। শ্মশান মাজত

শোক বিষাদৰ ছবি—যদিহে নোহোৱা
দোষী তুমি, তেনেহলে, কাৰ দোষতেনো
কোৱাঁ মোক জগদীশ ! হ'ল এনেকুৱা ?
অমৰাৱতী পুৰী সম কমতানগৰ
কাৰ দোষতেনো আজি লণ্ডভণ্ড হল ?
কাৰ দোষে কমতাক কন্দুৱাই থই,
ৰজা ৰাণী দুয়ো জনে প্ৰাণ এৰি গ'ল ?
কোৱাঁ প্ৰভু ! কাৰ দোষে হ'ল এনেকুৱা ?
তোমাৰে কি দোষ নেকি ৰজা কুঁৱৰীৰ ?
কোৱাঁহেঁ৷ বুজাই মোক মই আজি বুজোঁ,
কাৰ দোষে এনে দশা পদ্মিনী কুৱীৰ ?
যদি কোৱাঁ, তই অতি ক্ষুদ্ৰ বুদ্ধি নৰ,
কিৰূপে বুজিবি আজি বিধি ঈশ্বৰৰ ?
শকতি কিমান তোৰ ক্ষুদ্ৰ হৃদয়ত ?
ঈশ্বৰৰ গতি তই বুজিবি কিহত ?
যদি কোৱা সেই বুলি, তথাপি তুমিয়ে
দোষী প্ৰভু ! (ভাল কথা) কিয়নো নিদিলা
শকতি বুজিব পৰা মোৰ হৃদয়ত ?
সেই শক্তি হীন মোক কিয়নো কৰিলা ?
দিয়া হলে সেই শক্তি, তন্ন তন্ন কৰি
বুজিলো হেতেন মৰ্ম্ম তোমাৰ সৃষ্টিৰ ;
বুজিলো হেতেন কিয় কান্দিছে পদ্মিনী,
কিয় হ'ল এনে দশা ৰজা কুঁৱৰীৰ ?
কিন্তু হায় ! কান্দে প্ৰাণ, নিৰ্দ্দয় ঈশ্বৰ !

অজ্ঞান-এন্ধাৰে মোৰ ঢাকিলা অন্তৰ ;
সি কাৰণে কওঁ, তুমি অগতিৰ গতি
নোহোৱা "করুণাময়", তুমি পক্ষপাতী।
মোট কথা জগদীশ! সকলো গুণেৰে
নোহোৱা শোভিত তুমি, সকলো দোষত
দোষীও নোহোৱা, দোষ গুণ দুয়ো আছে,
প্রধান সাক্ষী যে তাৰ তোমাৰে জগত।
সুখ দুখ, ভাল বেয়া, আনন্দ বেজাৰ,
আশা নিৰাশাৰ ছবি, পোহৰ এন্ধাৰ,
বলৱন্ত বলহীন, দয়ালু নিষ্ঠুৰ,
মান আৰু অপমান, সুৱলা কঠোৰ,
মিলন বিৰহ, আৰু বন্ধুতা শত্রুতা,
হাঁহি কন্দা, লাভ হানী, জীৱন মৰণ,
দুটি-দুটি-কৰি দেখোঁ সৃষ্টিত তোমাৰ
প্রতি মুহূর্ত্ততে প্রভু! অনাদি কাৰণ।
সিকাৰণে কওঁ প্রভু! বিৰাজে তোমাত
দোষ গুণ দুয়ো,—কিন্তু ভাগটো দোষৰ
বহু পৰিমাণে বেছি,—ক'লো সচাঁ কথা,
নাশাপিবা প্রভু! মোক নধৰা জগৰ।
সেই যেই হোক প্রভু! তথাপি তোমাকে
"জগতৰ পিতা" বুলি পূজিম মনত।
নধৰিবা দোষ মোৰ, ক'লো বহু কথা,
অথিৰ অবিৰ মন দুখ বেজাৰত।
কিন্তু তুমি যেনে পিতা, আজিও তেনুৱা

আমা-সকলোৰে পিতা জীৱনে মৰণে,
নক'লে তোমাকে আৰু কাক ক'ম, প্ৰভু ?
ক্ষমা কৰ্ঁা দোষ মোৰ, পশিলো শৰণে।
ৰজাৰো যে ৰজা তুমি, আমি হীন প্ৰজা,
তুমি সৰ্ব্ব শক্তিমান, বলহীন আমি,
সি কাৰণে ভয় কৰি পূজোঁ কি তোমাক
অন্তৰত, ভাব কৰি জগতৰস্বামী ?
ঈশ্বৰ নিন্দুক বুলি জানো নিন্দা কৰে,
নাস্তিকতা জানো পায় প্ৰকাশ লোকত,
সি কাৰণে ভয় কৰি "জগদীশ" বুলি,
পূজোঁ কি তোমাক প্ৰভু ! আমি অন্তৰত ?
নহয়, নহয় প্ৰভু ! নহয় ভয়ত ;
পূজিছোঁ তোমাক কৰি "সত্যত" নিৰ্ভৰ,
সদায়ো নহয় যদি, বিপদ কালত,
অকস্মাতে মাতে প্ৰভু ! তোমাক অন্তৰ।
শঙ্কটত হায় প্ৰভু ! জ্বলিলে পৰাণ
শোক বিষাদত আৰু অৰণ্য-মাজত,
যেতিয়া দেখায় ভয় দোৰ্দ্দোৰ এন্ধাৰে,
তোমাক নিজেই মনে মাতে সিকালত।
বিপদৰ পৰা ৰক্ষা কৰা বা নকৰা,
আপোনা-আপুনি মনে মাতে বিপদত
"জগতৰ পিতা" বুলি হঠাতে তোমাক ;
সি কাৰণে পূজোঁ প্ৰভু ! তোমাক মনত।
জগতৰ পিতা তুমি অনাদি কাৰণ,

"কমতাপুৰ ধ্বংস"ৰ ওপৰঞ্চি ।

আছিলে পাঠক হায় ! মনৰ হেপাহ,
নানা সাজে সাজ-পাৰ আৰু অলঙ্কাৰ
পিন্ধাই উৰাই আমি কমতা ৰাণীক
সমৰপি দিম বুলি হাতত তোমাৰ ।
কিন্তু সি কামনা মোৰ নহ'ল পুৰণ,
যিৰূপে সজাম বুলি আশা কৰিছিলোঁ,
তেনেকুৱা সাজ-পাৰ, তেনে অলঙ্কাৰ
নাপালোঁ বিচাৰি ক'তো, কত বিচাৰিলোঁ ।
নিতান্ত দুখীয়া হায় ! পাম কেনেকই
ভাল ভাল সাজ-পাৰ, ভাল অলঙ্কাৰ ?
দুখীয়াৰ হাতে পৰি দুৰ্ভাগ্য বলত
কঙ্গালিনী হ'ল আজি ৰাণী কমতাৰ !
এনেযে দৰিদ্ৰ হায় ! কত স্তুতি কৰি
খাটিছিলোঁ ভাৰতীক, দয়া নকৰিলে
সেই দৰে, যেনেকই আশা কৰিছিলোঁ,
মিছা আশা দেখুৱাই ছলেৰে ছলিলে ।
ভাৰতি । ঈশ্বৰী তুমি মুৰ্খতা নাশিনী,
তোমাৰ ছলনা দেখি কান্দি উঠে চিত !
পঢ়া বয়সৰ কত সুৱলা কল্পনা
উটুৱাই দিলা মোৰ, নিৰাশা-নইত ।
কত আশা কৰিছিলোঁ, কত যে পঢ়িম,
বেচি পঢ়ি, বেচি কই জ্ঞান উপাৰ্জ্জিম ।
কিন্তু সেই আশা ফুল ফুলতে চিঙ্গিলা !

তুমি মাগোঁ, আই ! মোৰ এনুৱা কৰিলা !
তুমি জগতৰ আই, কিয় সকলোকে
নকৰা সমানে স্নেহ কৰিব ঈশ্বৰি ?
নকৰিলে সেইদৰে সমানে কৰুণা,
জগতৰ আই নাম ৰাখিবা কি কৰি ?
কত স্তুতি-নতি কৰি বুলিলো তোমাক,
"লিখোঁ আজি দিয়া আই ! শব্দ-অলঙ্কাৰ"
দিম দিম বুলি মাথোঁ আশা দেখুৱাই,
কিয়নো দহিলা তুমি হিয়া অভাগাৰ ?
দীন দুখী বুলি নেকি কৰা মোক ছল ?
আশা দেখুৱাই কৰা নিতউ ছলনা ?
থাক আই ! থাকাঁ তুমি, তোমাৰ চৰণ
নেৰোঁ, দেখোঁ, কেনেকৈ নকৰা কৰুণা ?
পঢ়াবয়সত তুমি বহু ছল কৰি,
একৱালা পঢ়া মোক, কৰিব ঈশ্বৰি !
এতিয়াও নেকি, তুমি তেনে ছল কৰা ?
নকৰিবা, মাতোঁ আই ! চৰণত ধৰি !
কৰ্ণানে নকৰা দয়া, দেখোঁ থাক আই !
উৰ্ঘালি মুৰৰ চুলি যেতিয়া বান্ধিম
দুখানি চৰণ তয়ু, কৰ্ণানে নকৰা
এই হিতেশকো দয়া, তেতিয়া দেখিম।

॥ সমাপ্ত ॥

বিৰহিণী বিলাপ।

(কাব্য)।

শ্ৰীহিতেশ্বৰ বৰবৰুৱা।

প্ৰণীত।

যোৰহাট, আসাম।

ইং ৯১২ সন।

উছৰ্গা।

আছিল যি ঘৰে পৰে সঙ্গিনী প্ৰাণৰ,
অৰ্দ্ধাঙ্গিনী, অৰ্দ্ধভাগী দুখ বিপদত,
ফুলে সতে ফুল মধু সৌৰভ মধুৰ,
আশ্ৰিত যিৰূপে লতা তৰুৰ দেহত ;
শোওঁতে খাওঁতে, কিম্বা কৰোঁতে ভ্ৰমন
ছাঁয়াৰূপে যি আছিল হিতেশ-সঙ্গিনী,
মৰু সমনীয়া এই সংসাৰ মাজত
হিতেশৰ, যাৰ মূৰ্ত্তি প্ৰফুল্ল নলিনী।
শোক দুখ বিষাদৰ ক'লা মেঘ খনি
আবৰি যেতিয়া ধৰে হিয়া দুভাগাৰ
সি কালত যাৰ সেই মউ-সনা হাঁহি
কৰিছিল অন্তৰৰ দূৰ অন্ধকাৰ
সেই প্ৰিয়া প্ৰাণ প্ৰিয়া প্ৰাণ-সখী নামে
উছৰ্গিলো "বিৰহিণী" এক-চিত্ত-প্ৰাণে॥

ইতি ২২ জুলাই ১.২।

যোৰহাট
কটকীপুখুৰী

হিতেশ।

পাঠিকা সকললৈ।

আছে যদি কোনো মোৰ কোমল পাঠিকা
জ্বলি পুৰি বিৰহত, বান্ধিছে শোকত
হেৰুৱাই হৃদয়ৰ সাঁচতীয়া ধন
"বিৰহিণী" দিলো আজি তেঁওৰে হাতত ॥
টুকিছে চকুলো যদি কোনোবা পাঠিকা
নিৰাশা ঢউত ভাহি প্ৰেম-সাগৰত,
বিৰহ-ব্যাকুলা দীনা "বিৰহিণী" মোৰ
সাদৰে অৰ্পিলো আজি তেঁওৰে হাতত ॥
প্ৰণয়ৰ প্ৰতিদান অলপো নাপাই,
কোনো দুৰ্ভাগিনী যদি দেখিছে আন্ধাৰ
উন্মাদিনী "বিৰহিণী" চিৰ হতভাগী
সঁপিলো হাতত আজি সেই পাঠিকাৰ ॥
কান্দা আজি, হে পাঠিকা! কান্দাহে খন্তেক
উলিয়াই দুচকুত চকুলো দুধাৰ ॥

বিৰহিণী বিলাপ কাব্য।

প্ৰথম সৰ্গ।

সখী

"মম মৰণমেব বৰমতিবিতথ কেতনা।
কিমিহ্‌মিষহামি বিৰহানলমচেতনা॥
মামহহ বিধুৰয়তি মধুৰ মধু যামিনী।
কাপি হৰিমনুভবতি কৃত সুকৃত কামিনী॥
অহহ কলয়ামি বলয়ামি বলয়াদি মণিভূষণং।
হৰি বিৰহদহন বহনেন বহু দূষণ॥
কুসুমসুকুমাৰতনুমতনু শৰ লীলয়া।
স্ৰগপি হৃদি হন্তি মামতি বিষম শীলয়া॥"

——————জয়দেৱ।

(ক)

সখি ! কিনো ক'ম আৰু মোৰ দুখ !
নহ'ল যে মোৰ সংসাৰত সুখ ॥

২

মই যে তাপিনী ঘৰতো অকল
লগত নাই যে কোনো !
পালেহি বাৰিষা স্বামী গুচি গ'ল
তাকে দিনে ৰাতি গুণো ॥

৩

সখি ! আজি মোৰ জনমিছে ভয়,
অথিৰ অধিৰ পৰাণ হৃদয় !

৪

গৰজিছে মেঘ ঘোৰ গৰজনে,
কঁপিছে হৃদয় মোৰ !
থমকি থমকি নাচিছে বিজুলী,
ল'ৰিছে পৰাণ-জোঁৰ ॥

৫

দুষ্ট মতৌপীয়া 'পিউ পিউ' কৰি
দহিছে অন্তৰ আজি !
জ্বলা অগণিত আহুতি ঢালিছে
বনৰ দুৰন্ত পখী !

(খ)

।খি ঐ!

নপৰে দুখৰ ওৰ, ভৰা বাৰিষাৰ
এনুৱা কালত স্বামী শূণ্য ঘৰ মোৰ।

২

কোৱা-মুৱা মেঘে গাজে দিনে নিশা
বৰষে বাৰিষা পানী;
স্বামী বিদেশত, বিৰহৰ জুঙ্কে
দহিছে হৃদয় খনি!

৩

মেঘেৰে সইতে নাচিছে বিজুলী
ম'ৰাই ধৰিছে ছালী;
ভেকুলীয়ে মাতে, মাতে দাউকীয়ে,
তিতিছে শুকান বালী।

৪

সখি ঐ! ইয়াকে দেখি শুনি মোৰ
জ্বলিছে বুকুত জুই;
পোঁৰে হিয়া খনি নাপাওঁ তৰণী
মাটীয়ে বালীয়ে শুই!

(গ)

সখি ঐ!

অভাগিনী মোৰ সুখ নহ'ল!
স্বামীকে ভাবোতে জীৱন গ'ল;

২

বাটলৈ চাওঁতে বিষালে চকু
বিৰহৰ জুয়ে পুৰিলে বুকু।

৩

"শীঘ্রে আহোঁ" বুলি পলালে স্বামী,
শুশুনিলে বাধা, বুলিলো কান্দি।

৪

প্রেম ভালপোৱা পাহৰি গ'ল,
অভাগীৰ আশা মনতে ৰ'ল!

৫

যত দুখ মোৰ কিমানে ক'ম!
নলওঁ যে আৰু নাৰী জনম॥

(ঘ)

সখি ঐ!

সুধিছোঁ পাৰত, কোৱাঁছোন মোক
কলৈনো যে গ'ল'স্বোৰামী ধন?
বিৰহৰ জুয়ে দহে ঘনে হিয়া
পুৰিছে ই দেহা শুকান বন॥

২

মোৰ প্রাণস্বামী কিহত ভুলিলে?
পালেগৈ ক'ত কেনে সুন্দৰী?
কোন সেই নাৰী নাৰীৰ কলঙ্ক,
অভাগীৰ ধন ৰাখিলে ধৰি?

৩

নতুন তিকতা পাই মোৰ স্বামী
নতুন প্ৰেমৰ ভুঞ্জিছে সুখ।
কিন্তু যে অভাগী কান্দিছোঁ বাগৰি
নেদেখি স্বামীৰ সুন্দৰ মুখ ॥

৪

নিয়া শোলোকাই কানৰ থুৰিয়া
নিয়া শোলোকাই হাতৰ খাৰু ;
মণি বিবি মোৰ নিয়া শোলোকাই
অলঙ্কাৰ সখি ! নিপিন্ধো আৰু ॥

৫

যদি বা দাসীক ত্যজিলে স্বামীয়ে
কিনো কাম আছে লাহত মোৰ ?
কপালৰ ফোঁট দিয়া মছি সখি !
জন্মিছে মনত কেলেশ ঘোৰ॥

৬

লই যোৱা মোৰ ধন অলঙ্কাৰ,
নইৰ সোতত দিয়া উটাই।
নালাগে নিপিন্ধো আৰু সাজ-পাৰ
লাহ-বিলাহত সকাম নাই ॥

(ঙ)

দিন গ'ল, সন্ধ্যা হ'ল,
লাহে লাহে পখী গ'ল,

ক'লিম'লী নিশা আহে মাৰি ক'লা ধুন।
ক'তা ?—তেওঁ নাহিল দেখোন ?

২

গাভৰু ছোৱালী মই
কিৰূপে সহিম ঐ ?
হৃদয়ৰ জ্বলা জুই বিৰহ-যাতনা ?
নাহিল দেখোন তেওঁ ?—সখি ! কি ছলনা !

৩

পৰাণ কঁপিলো যাত নাহিলে উলটি তেঁও,
হৃদয়ৰ দুখ মোৰ ক'তা নুবুজিলে কেও ?

৪

(হায় !) কতদিন কতফুল তুলিছিলো কোছ ভৰি
তেঁওক পিন্ধাম বুলি অতি হাবিয়াস কৰি ॥

৫

কিন্তু মোৰ সেই ফুল শুকাল !—শুকাল !
নাপালো পিন্ধাব মোৰ কপাল !—কপাল !

(চ)

সখি ঐ !

কেতিয়া আহিব স্বামী ?
ইপৰ সিপৰ কৰি দিনটো কটালো সখি !
এদিন দুদিন কৰি পঠিয়ালো মাহ ;
এমাহ দুমাহ কৰি বছৰো যে গ'ল গুছি

বছৰ বছৰ কৰি যুগ পালে নাশ।
নাই আৰু সখি! মোৰ জীৱনত আশ!

২

এনুৱা বয়স যদি বিৰহতে যায় সখি!
কি কৰিম পাছে আৰু প্ৰাণ পতি লই
কি দিন কি ৰাতি সখি! তাকে ভাবোঁ মই॥

(ছ)

সখি ঐ!

নজনা আছিলো,
ভালেই আছিল,—
সুখৰ হেপাহ নাছিল মোৰ।
নিচিনো স্বোৱামী,
প্ৰণয় নুবুজো,
অজলা ভাবত আছিলো ভোৰ॥

২

হৃদয় পদুম আছিল অফুলা,
নিচিনো ভোমোৰা কেনুৱা ধন!
কাল পাই সখি! ফুলিল পদুম,
পৰিল ভোমোৰা, প্ৰেমিক মন॥

৩

(কিন্তু) লুটুৰা ভোমোৰা যাতেই চঞ্চল!
পদুমৰ মধু পদুমে থট,

কেতেকী ফুলত মধু আশা কৰি
পাৰিল ভোমোৰা পগলা হই ॥

(জ)

মনৰ বেদনা সখি ! মনতে থাকিল মোৰ,
হৃদয়ৰ জুই ৰ'ল হৃদয়তে জ্বলি ।
অকলে যোতয়া মোক যায় এৰি থই তেওঁ,
একোকে নহ'ল কোৱা কওঁ—কওঁ-বুলি ॥

২

কওঁ—কওঁ বুলিছিলো, ক'ব হায় ! নোৱাৰিলো,
লাজে ধাৰিলোহ্ আগভেটি ।
অন্তৰৰ কথা একো নোলাল নিচেই সখি !
কথা মোৰ হ'ল লেটিপেটি ।।

৩

তেওঁৰ মুখলৈ চাই কতনো কান্দিলো সখি !
নামানিলে তেওঁ, কিন্তু গ'ল প্ৰবাসত !
লাজৰ সন্মান ৰাখি দুৰ্ঘটনা হ'ল মোৰ
জ্বলছে অগনি আজি হিয়াৰ মাজত ॥

৪

পুৰিছে অন্তৰ মোৰ; নাথাকে পৰাণ সখি !
কোমল ছোৱালী আৰু সহিম কতনা ?
কাকনো বুলিম সখি, কোনেনো শুনিব ঐ ?
কোৱাঁ সখি ! কি ৰূপেনো গুছাও যন্ত্ৰণা ?

(খ)

সেই মুখ খনি সদাই মনত
পরে মোর সখি ! তোমারে শপত ॥

২

ভুলো ভুলো বুলি খোজোঁ ভুলিব,
যাতনাতে প্রাণ থোকে মরিব ॥

৩

ভাবোঁ মনে মনে কাজ কাম করোঁ,
তেওঁর নামটো আরু সুমরোঁ। ॥

৪

কিন্তু সখি ! মনে নামানে এরো,
কি হেতু সদাই ভাবিয়ে থাকোঁ ॥
সেই বুলি সখি ! লাগে বর দুখ,—
যার নিমিত্তেই পাওঁ অত শোক,—

৫

তেওঁ যে নাচায় চকু ফুরাই,
কি দুখত মায়োঁ কান্দো বীনাই ॥

(গ)

সখি ঐ !

যেই দিনা তেওঁ
যায় প্রবাসত,
কান্দিলো বহুত মই ।
চিয়'রি চিয়'রি

ইনালো বীনালো
আউলী-বাউলী হই ॥

২

হাত দি মূৰত শপত কৰিলে,
সাদৰে মোলই চাই,—
কিন্তু কোৱাঁ সখি ! কিয়নো পুৰুষে
শপত পাহৰি যায় ?

৩

খাটলৈ চাঁওঁতে হিয়া বিয়াকুল
পালেহি বসন্ত কাল ;
কুউ কুউ কৰি কুলিয়ে মাতিছে,
উঠিছে পখিলা হাল ॥

৪

গুঞ্জৰে ভোমোৰা, বলিছে মলয়া,
হাঁহিছে প্ৰকৃতি সতী ;
এনুৱা কালত কোনে ধৰি ৰাখে
মোৰ পৰাণৰ পতি ?

(ট)

সখি ঐ !

কিৰূপে সহিম মই
বিৰহ বিকাৰ ?
জীৱন মৰণ মোৰ দুয়োটা শকট হ'ল,

দিয়া বুদ্ধি, কিনো কবোঁ ?
কবা সখি। উপকাব।

২

যাব নাম দিনে বাতি
জপুছে মনব পুবা,—
যাব ভাল পোবা সখি। সোঁবৰো সদাই,—
বিবহ-সাগব-মাজে
যাব মিলনব আশে
দুখে শোকে আছোঁ সখি। আজিও জীয়াই।

৩

মবিলে যে সেই মুখ
(তেওঁব অমিয়া মুখ)
নাপাওঁ দেখিব' আৰু এই জনমত।
সেই ভয়ে হায় সখি !—
নোখোজে মবিব প্রাণ,
কান্দো সিকাবণে আজি তোমাব আগত॥

৪

কি ৰূপে বা বাখোঁ প্রাণ!
জ্বলিছে বিবহ জুই,
পুৰিছে হৃদয় মোব শুকান বননী।
প্রেম সাগবত সখি!
উঠিছে বিবহ-ঢউ
কবিছে আকুল মোক নাপাওঁ তবণী॥

(ঠ)

সখি ঐ !

বিদৰে হৃদয় হায় !—
কিৰূপে সহিম ?
তেওঁৰ বিৰহে প্ৰাণ কি কৰি ৰাখিম ?

২

স্বামীৰ বিৰহ বাণ ব্যাকুল কৰিছে প্ৰাণ
তেঁওৰ সুন্দৰ মুখ নোৱাৰি ভূলিব,—
তিয়াগি তেঁওক সখি !
নোৱাৰি থাকিব ॥

৩

প্ৰাণ যদি যায় সখি ! তাত একো নাই হানি ;
যদিহে এবাৰ পাওঁ দেখা সেই মুখ খনী ॥

৪

প্ৰণয় ফাঁহেৰে বান্ধি আকাশৰ জোন ধৰি,
পিম সখি ! প্ৰেম সুধা,—ভালপোৱা দিম,—
ক'লৈকো নিদিওঁ যাব,
যৰতে ৰাখিম ॥

(ড)

সখি ঐ !

পুৰুষৰ কেনুৱা হৃদয় ?
তিকতাৰ প্ৰাণ সখি !—ৰখিবৰ কাৰণে কি

'পুৰুষ জনম' পালে
পুৰুষ নিৰ্দ্দয় ?

২

এয়েকি তেঁওৰ কাম
চুৰ কৰি মন প্ৰাণ,
মিছা-মিছি প্ৰণয়ৰ চিন দেখুৱাই
অৱশেষে ৰমণীক দিব উটুৱাই,

৩

বিৰহৰ সাগৰত
নৈৰাশ বিৰাজে য'ত,
হয় য'ত জলা-কলা ৰমণী হৃদয় ?
জানিলো আজিহে সখি! পুৰুষ নিৰ্দ্দয়॥

(৮)

সখি ঐ!

আছিল যি হিয়া মোৰ, ইন্দ্ৰৰ নন্দন বন,
নিতে হাঁহিছিল,—
মউসনা ভাল পোৱা মন্দাকিনী নই, সখি!
ধীৰে বলিছিল॥

২

ভাগিল হৃদয় সেই,
শুকাল প্ৰেমৰ নই,
'আকাশ কুসুম,' সখি! সৰি সৰি গ'ল!
কোৰ'। সখি! কোৰ'। মোৰ কিহত কিৰাটো হ'ল?

৩

এই যে আকউ সখি ! কত আশা আহিছে !
মিলন পিয়াহে মোক বিয়াকুল কৰিছে !!

৪

সপোন দেখাবু দ:ৰ
কত যে প্ৰেমৰ কথা,
কৰবাৰ পৰা আহি বিয়াপিছে হৃদয়ত ;
কিমানে বৰ্ণাম সখি ! অকাঁ আছে হৃদয়ত ॥

৫

সেয়া যে কুলিয়ে সখি ! গাইছে গছত গান,—
ব্যাকুল কৰিছে মোৰ ঘনে ঘনে মন প্ৰাণ ॥

৬

আকাশত জোনে সখি ! হাঁহিছে আনন্দ মনে,—
বাজিছে কিন্তু ঐ সখি !—শেল মোৰ প্ৰাণে ঘনে ॥

দ্বিতীয় সৰ্গ ।

(সূৰ্য্য)

ঘিটী গ'ল, ক'তা ? আৰু নাহিল দেখোন ?
মিছাতে আহিব বুলি ভাবিছোঁ মাথোন !

২

দিবাকৰ !—প্ৰতিদিনে
পশ্চিম-পৰ্ব্বত-পিনে
যোৱা তুমি সন্ধিয়াত, আহা পুঁৱা হ'লে,
কিন্তু মোৰ ঘিটী গ'ল কিয়নো নাহিলে ?

৩

(কিয়নো নাহিল হায় !—
নেদেখি পৰাণ যায় !)
তোমাৰ পোহৰে দেখ ! দেখোঁ ত্ৰিভুবন !—
কিয়নো নেদেখো মাথোঁ যোৱাটী ৰতন ?

৪

জগত পোহৰা তুমি,
পোহৰা পাতাল ভূমি,
স্বৰগ পোহৰা,—কৰা উজ্জ্বল সংসাৰ !
হৃদয় কিয়নো মোৰ ঘোৰ্ঘোৰ এন্ধাৰ ?

৫

তুমি পাত-পাত কৰি
ত্ৰিজগত আছা বুৰি,
দেখিছা সকলো ঠাই, জগতৰ প্ৰাণী,
নাপালানে দেখা দেব !—ক'তো মোৰ স্বামী ?

(চন্দ্ৰ)

সুধাকৰ ! লোকে কয় তোমাৰ কিৰণ
পৰাণ-শীতল-কাৰী, শান্ত কৰে মন।

২

লোকে কয়,—তুমি বৰ
শান্তি দাতা, মনোহৰ,
প্ৰেমিক-প্ৰেমিকা নাচে তোমাক দেখিলে ;—
কোৱা দেব ! কোৱা ! মোৰ প্ৰাণ কিয় জ্বলে ?

৩

যদি আনে পায় সুখ,
মই কিয় পাওঁ দুখ ?
কিয় কান্দে প্ৰাণ মোৰ দেখি তৱ মুখ ?
তোমাৰ হাঁহিত মই কিয় পাওঁ দুখ ?

৪

লোকে কয়,—তুমি বৰ
নিষ্কলঙ্ক, সুধাকৰ !—

লোকে কয়,—তুমি বৰ কোমল হৃদয়!
মাথোঁ পৰ দুখে কাহা, পালো পৰিচয়!

৫

পালো দেৱ! পৰিচয়,—
তুমি কঠিন হৃদয়,—
নিৰ্দ্দয় তোমাৰ মন,—কৰা উপহাস
অভাগিণী তিকতাক!—"চাবাছ! চাবাছ!'

৬

কিন্তু জানা সুধাকৰ!—
স্বভাৱ চঞ্চল বৰ,—
মিচিকীয়া হাঁহি তয়ু নাথাকে সদাই,—
আউনীৰ অন্ধকাৰে পেলাৰ লুকাই!

৭

লুকাব মুখৰ হাঁহি,
শুৱণী গোলাপ পাহি,
কিন্তু তুমি সেই হাঁহি পাবা ওলোটাই;—
কোৱা দেৱ! স্বোৱামীক পামনে ঘুৰাই?

৮

পামনে হৃদয়-চোৰ
প্ৰাণৰ প্ৰণয়ী মোৰ?
পামনে ভেতিয়া দেৱ! স্বোৱামী প্ৰাণৰ?
যেতিয়া ঘুৰাই পাবা হাঁহিটী নিজৰ?

—— ৫৩ ——

(তৰা)

কিয়নো হাঁহিছ তই, স্বৰগৰ তৰা
মৃদু মিচিকীয়া হাঁহি ?
কিয়নো মাৰিলি ঠাহি
হৃদয়ত শেল মোৰ ? কিয় জুই দিলি ?
উপহাস তই মোক কিয়নো কৰিলি ?

২

অন্তৰত বিহ লই,
মুখ হাঁহিমুৱা কই,
বিদ্রূপি হাঁহিলি মোক আনন্দ মনত !
জানিলো আজিহে,—দুষ্ট থাকে স্বৰগত ।
মোৰ এই বুকু হায় !
বিৰহ যাতনা পাই
কি ৰাতি কি দিন চকু-পানীৰে তিতিছে !
মোৰ দুখ দেখি আজি জগতে কান্দিছে !!

৪

চকুৰ পানীৰে মোৰ
বুৰাইছোঁ খাল খোৰ,
কিন্তু হায় তৰা ! তই বিদ্রূপি হাঁহিছ !
মাৰি মিচিকিয়া হাঁহি ৰঙ্গেৰে চাইছ !!

৫

মোৰ এই চকুপানী
কোমলালে টান মাটি,

নোবাবিলে মাত্র তোৰ কোমলাব মন !
কৰিলি দুগুণে মোৰ হৃদয় দহন !!

৬

এতিয়া জানিলো মই,
তৰা ! নিৰ্দ্দয় তই,
শোক সাগৰত মোক দিলি ওপঙ্গাই !
জানিলো, দয়ালু লোক আকাশতো নাই !!

৭

যেই তৰা স্পৰ্শমনি,
সেই তৰা কালফনি
এনে তৰালই কাৰ ভকতি ওপজে ?
এনুৰা তৰাক কোনে তৰা বুলি ভজে ?

৮

প্ৰথমতে মন হৰে,
পাছে উপহাস কৰে,
এনুৰা তৰাৰ হাঁহি কোনে হাঁহি বোলে ?
এনুৰা হাঁহিত হায় ! কাৰ মন ভুলে ?

৯

যত দিন জিয়াই থাকিম,
এই শোক সদাই সহিম,
কি দিনত, কি ৰাতিত,
কি শোৱা ধাৰি পাটীত,
হৃদয়ত এই শোক থাকিবই জলি !
ভাল, স্বৰগৰ তৰা ! আজি শোক দিলি !!

১৩

ই শোক তেতিয়া যাব,
মোৰ যেৱে য'ব জীৱ,
একেবাৰে শোক ভূমি পৃথিবীক এৰি !
থাকবা তেতিয়া, তৰা ! বিদ্রুপ নকৰি !!

বিজুলী ।

কিয়নো হাঁহিছ, বাঙলী বিজুলী !
নীলা আকাশত তই ?
তইতো নহব জীয়াৰী ছোৱালী,
ইমান হাঁহিবি, হুই ?

২

আনৰ ঘৰতো দেখিছোঁ বোৱাৰী
তো-দৰে নাহাঁহে কেও !
ক'চোন, বিজুলী ! এনে হাঁহি তোক
শিকালে কোনেনো, কেও ?

৩

লোকৰ বোৱাৰী নাহাঁহে ইদৰে,
নকৰে ইদৰে ৰঙ্গ !
যদিওবা হাঁহে, তেতিয়াই এবে
দেখিলে স্বামীৰ থঙ্গ !!

৪

তইতো নহব জীয়াৰী ছোৱালী,
কিয় অত হাঁহ তই ?

দাঁত উলিয়াই হাঁহ মনে মনে,
লাজ নালাগেনে, হুঁই !

৫

আপোন মনেৰে হাঁহিবি ইয়াত
নহয় মাৰৰ ঘৰ !
শাহু শহুৰৰ আগতে হাঁহিছ
তইতো নীলাজী বৰ !!

৬

নিলাজী, বান্দৰী তই, অ' বিজুলী,
নাপাৱ অলপো লাজ !
জানো বিধতাই চৰজিলে তোক
পিন্ধাই নিলাজী সাজ !!

৭

তোৰতো প্ৰাণৰ স্বোৱামী, বিজুলী !
বাৰিষা কালৰ মেঘ।
তোক ইহা দেখি খঙ্গেৰে গাজিছে
ৰথ'া অ' হাঁহিৰ বেগ ॥

৮

যাতেই নিলাজী তই, অ' বিজুলী !
মুশুন মেঘৰ হাক।
মোৰে মুৰ খাৱ, কছোঁ বাক মোক,
ভাল কি নাপাৱ তাক ?

৯

নাহাঁহিবি বুলি ইমান কইছে
গুঁজৰি গামৰি মেঘ !

তথাপিতো তই অলপো নৰৰ,
নাৰাথ হ'াহিৰ বেগ !

১০

যত দিয়ে হাক ঘোৰ গাজনীৰে,
ততই হাঁহিছ তই !
আপোনাৰ স্বামী ইমান বাঁধিছে,
ভয় নালাগেনে হুঁই ?

১১

নে—পৰৰ দুখত
ৰৰ ৰঙ্গ পাৱ ? সি কাৰণে হাঁহ তই ?
অইনে কান্দিলে হাঁহ ধেক্ ধেক্,
এনে নিদাৰুণী হুঁই ?

১২

স্বামী বিৰহত কান্দিছো বাগৰি,
হাঁহিছ মাথোন তই ?
বাৰিষা কালৰ ক'লা মেঘে সতে
ভুমুকা-ভুমুকি কই ?

১৩

ইমান কান্দিলো ইনাই-বীণাই,
নালাগিলে বেয়া তোৰ ?
হিয়াখনি নেকি শিলেৰে বন্ধোৱা
অন্তৰ বন্ধোৱা লোৰ ?*

* লোৰ অৰ্থ লৌহ নিৰ্ম্মিত।

১৪

কেচুৱা কালত কান্দোতে-কাটোঁতে
আইৰ কোলাত শুই,
নীলা আকাশত ফেলেক-ফেলেক
চাঁহি যে আছিলি তই।

১৫

নানা কথা কই, ভয় দেখুৱাই,
আয়ে নিচুকাইছিলে,-
নাকান্দিবি আৰু, সৌৱা আকাশত
চাচোঁ ৰঙা জীবা জ্বলে॥

১৬

সেয়া ৰাক্ষসিণী ৰঙাজীবা মেলি
চেলেকি খাইছে পানী!
"নাকান্দিবি আৰু, নাকান্দিবি, আই!
তোকো লই যাব টানি॥"

১৭

কাঠৰী বিজুলী! জানিলো এতিয়া,
কথাটো মিছা নহয়।
সঁচাকৈয়ে তই সঁচা ৰাক্ষসিণী,
ভালেতো নিৰ্দ্দয়া তই?

১৮

ৰাক্ষসী নহলে নহয় এনুৱা,
এনে দয়ামায়া হীন;

নিশ্চয় জানিলো তই ৰাক্ষসিণী,
পালো আজি তোৰ ছিন ॥

১৯

বাৰিষা কালৰ মেঘক পাইছ,
পাইছ আপোন পতি,
কেনুৱা বিৰহ বিচ্ছেদ-যন্ত্ৰনা,
নাই পোৱা একো এটী ॥

২০

নতুন প্ৰেমত বিভোৰ হইছ,
হাঁহিছ ভৰাই প্ৰাণ !
বিষম চক্ৰত পৰি কন্দা নাই,
নুবুজ শোকৰ গান ॥

২১

(কিন্তু) সদাইতো মেঘ নাথাকে বিজুলী,
এদিন কান্দিবি তই !
এতিয়া নাকান্দ মোৰ কান্দোনত,
তেতিয়া বুজিবি, হই ! !

(মাৰ-যাওঁ-যাওঁ-হোৱা বেলি) ।

হুৰাই কন্দুৱাই
গোটেই দিনতে তুমি
গোটেই জগত খনি, হায় দিবাকৰ !
অস্ত অচলত গই

শুইছা এতিয়া তুমি,
লুকাইছা নিজ ৰূপ ৰূপহ সুন্দৰ ॥

২

দেখিছা কি ই দুখুনী
বিৰহিণী অভাগীক ?
পৰি আছে কান্দি কাটি নইৰ পাৰত ?
নেদেখি প্ৰাণৰ পতি
জ্বলিছে বুকুত জুই,
হিয়া চাকুবিছে অগ্নিশলি বিৰহত ! ॥

৩

চিপিছে তাইৰ জানো
হৃদয়-বিনাৰ তাঁৰ,
ঝংকাৰ নীৰৱ যেন হ'ল একেবাৰে ॥
জীৱন হইছে জানো
চাহাৰা'ৰ মৰুভূমি,
প্ৰেমৰ সাগৰ জানো ভৰা বালুকাৰে ॥

৪

ৰ'বা ৰ'বা, দিবাকৰ !
ৰ'বাছোঁ খন্তেক তুমি,
ৰ'বাছোঁ অলপ, হেৰা কালৰ কিঙ্কৰ।
নৰ'লা অলপো তুমি ?
নুশুনিলা কথা মোৰ ?
নাই পোৱা জানো তুমি দুখ বিৰহৰ ?

৫

যোৱা বাক, দিবাকৰ !
নব'লা অলপো তুমি ?
যোৱা তুমি যোৱা গই চিৰ কাললই !
নেদেখোঁ আকউ যেন
পূব ফালে দি তোমাক,
নোলোৱা আকউ তুমি যেন বঙ্গা হই ॥

(মেঘ)

বাৰিষা কালৰ মেঘ !
শুনিছোঁ দেখোন মই,
কটকী আছিলি বোলে
শুই তাহানি কালত ?
চিত্রকূট পর্ব্বতৰ
বিৰহ ব্যাকুল যক্ষে
পঠিয়াইছিলে বোলে
তোকে প্রিয়াৰ কাষত ?

২

ভয়েনে, কছোন মেঘ !
সেই মেঘ ? লই যাক
কালিদাসে "মেঘদূত"
কাব্য কৰিলে ৰচনা ?
যদি হব, তেনে মেঘ !

PLEASE HANDLE THE BOOK CAREFULLY.

কৰ মোকো উপকাৰ,
অথিৰ কৰিছে মোকো
তেনে বিৰহ যাতনা !

৩

মেঘ ! তই কবি গই
স্বামীৰ আগত গই,
"যুগমীয়া কৰি প্ৰাণ
তেঁওতে অৰ্পিছোঁ মই।
কবি গই মোৰ কথা
(শুনি জানো লাগে বেথা)
অকলে কান্দিছো মই
চকুলো দুধাৰি লই ॥

*　　*　　*

আৰু ক'বি (ক'লো তোক,)
বোলে, কিয় দিছে শোক ?
ক'বি তই, অভাগিনী
মৰে প্ৰাণ এৰি থই ॥

তৃতীয় সৰ্গ ।

(কুলি)

কিয় পখি ! কি কাৰণে
"কুউ-কুউ" কৰি ঘনে
বিৰহিনী তিৰুতাৰ দহিছ অন্তৰ ?
কোনেনো শিকালে তোক
এনে বিষময় মাত ?
অভাগিনী ৰমনীক কৰিবলি জৰ্জ্জৰ ॥

২

মই অতি অভাগিনী,
বহু কাল বিৰহিনী,
পৰাণৰ স্বামী মোৰ নাই যে ঘৰত !
কিয় কুউ কুউ কৰি
জ্বলালি পৰাণ মোৰ ?
দয়া মায়া তোৰ, কুলি নাইনে মনত ?

৩

লগত মলয়া সখী
পালেহি বসন্ত পখি !
দেখি মোৰ ঘনে ঘনে জ্বলিছে পৰাণ ;
তয়ো তাতে 'কুউ' কৰি

উগাৰিছ বিহ কুলি
ধিক্ তোক শত ধিক্ নাই তোৰ জ্ঞান ॥

৪

কালাকাল নাই জ্ঞান,
সদাই জ্বলাৱ প্ৰাণ,
কুট বুদ্ধি ভৰা তোৰ কলীয়া হৃদয় ।
বাহিৰে কলীয়া যেনে,
ভিতৰেও তেনে তোৰ,
সময়ত মিত্ৰ, শত্ৰু অসময়ে তই ॥

৫

কালাকাল নাই জ্ঞান
পৰৰ জ্বলাৱ প্ৰাণ,
জুড়াইছ নিজ প্ৰাণ কোকিলীক লই ।
বিষময় বসন্তত
বিৰহনো কেনেকুৱা,
কেনুৱা বিচ্ছেদ-দুখ নাই পোৱা তই ॥

৬

কোকিলীক লগে লই
ভুঞ্জিছ প্ৰণয় তই,—
শুছাম সি সুখ তোৰ বুজিবি তেতিয়া—
উঘালি মূৰৰ চুলি,
গছতলে বুটি পাতি
ধৰিম প্ৰিয়াক তোৰ বান্ধিম যেতিয়া,—

৭

বুজিবি তেতিয়া তই
বিৰহ কেনুবা ঐ,
বুজিব পাৰিবি,—মই কত পাওঁ দুখ।
নাথাকে তেতিয়া আৰু
আনন্দ মনত তোৰ
নাথাকিব 'কুউ' মাত হাঁহি মুৱা মুখ ॥

৮

কুউ কুউ গীত সুৰ
ভাল নালাগিব তোৰ
বিৰহে পুৰিব দেহা প্ৰাণ আদৰব ;—
মলয়াৰ ৰিব ৰিব
নস'ব পৰাণে তোৰ
পকা আম হব বিহ, বসন্ত দুখৰ ॥

৯

*   *   *   *

গছৰ দালত পখি
নাগা আৰু কুউ গান।
বিৰহে দহিছে মোৰ
ঘনে ঘনে মন প্ৰাণ ॥

১০

যদি চাৱ নিজ হিত
নাথাকিবি এইখিত,
মিনতি কৰিছোঁ, পখি আঁতৰি যা তই।

শুনি তোৰ কুউ মাত
অন্তৰ জ্বলিছে মোৰ
কোকিলীৰ সুখ দেখি দুখ পাওঁ মই

(সখীয়তী)।

বাঁহ্ গছে গছে পৰি
"সখি উ! সখি উ!!' কৰি
মাতা তুমি কোন সখী হেৰা সখীয়তী?
চোৰাঁ কাক চাকফালে উলটি পালটি?

২

হেকবালা কোন সখী
কোৰাঁছোন হেৰা পখি!
নেদেখি কেসুৰা সখী বিচাৰি ফুৰিছা?
কাৰ বিৰহত তুমি জগত ভ্ৰমিছা?

৩

যি সখীৰ বিচ্ছেদত
প্ৰাণ সদা ছট্ ফট্
'সখী উ! সখী উ!!' কৰি কৰিছা ক্ৰন্দন,—
তেওঁ কি তোমাৰ সঁচা বান্ধৱ ৰতন?

৪

তেওঁ কি তোমাৰ, পখী
অতি চেনেহৰ সখী?
মোহিলে তেওঁ কি পখি তোমাৰ হৃদয়?
ভাবি কি তেওঁকে মন বিয়াকুল হয়?

৫

তেওঁ কি তোমাক সেইদৰে ভাল পায়,
যেনেকই ভাল পোৱা তুমি ?
যদি পায় তেনে পখি বৰ বেয়া হ'ল,—
হেৰুৱালা প্ৰণয়ৰ ভূমি ॥

৬

কিন্তু পখি হেৰুৱালা, নাকান্দিবা তুমি ;
কান্দিলে নোপোৱা আৰু সখী ।
হেৰালে পোৱাটো টান বান্ধৱ ৰতন,
তুমি শোক এৰি দিয়া পখি ॥

৭

মোৰো যে আছিল পখি পৰাণৰ পতি ।
গাঁথিছিলো দুয়ো প্ৰাণে প্ৰাণে ।
পাইছিলে ৰব ভাল মোৰ এই মন
মোহিছিল সুমধুৰ তানে ॥

৮

কালৰ বতাহে কিন্তু নিলে উৰুৱাই,—
পেলালে দুৰত মোৰ পতি ;
কি ৰাতি কি দিন মই চিয়ঁৰোঁ তেওঁক,
নামাতে কোনেও কিন্তু পখি ॥

৯

কোনেনো মাতিব মোক স্বামী বিদেশত ।
মোক এৰি আছে অকলই ;

কান্দিছোঁ মাথোন পখি ফুৰিছোঁ চিয়ঁৰি,
কিন্তু হায়! মিছাতে এনেই॥

১০

কওঁ সি কাৰণে, পখি থাকাঁ মনে মনে;
সখী উ! নকৰা সখীয়তি!
তোমাৰ অমিয়া তানে সবে সুখ পায়,
কিন্তু মোক দিয়ে দুৰগতি॥

১১

সখী উ! বুলিলে তুমি স্বামীক মনত পৰে,
কঁপি কঁপি উঠে হিয়া,
হওঁ জ্ঞান নাইকিয়া,
স্বামীৰ ভাবনা ভাবি বিয়াকুল হওঁ!
মনে মনে থাকাঁ, পখি ভৰি চুই কওঁ॥

১২

যেতিয়া ওলাব পখি! ভাগ্য আকাশৰ বেলি,
নীলিম গগন ভেদি
বিৰহ এন্ধাৰ খেদি,
তোমাৰ নিজৰ সখী পাবা তুমি পখি!
ময়ো পাম তেতিয়াহে পৰাণৰ পতি॥

(কেতেকী)

ইগছ সি গছ কৰি
দালে দালে পৰি পৰি

খোজ কাঢ়ি যাম মই, যাবা উৰি উৰি,
বিচাৰিবা "স্বামী" তুমি, বিচাৰিম "পতি

(শালিকী)

চুটীয়া শালিকী!—কত সুখে আছ
সুন্দৰ সজাটী লই।
ৰূপৰ বাতিত খাইছ গাখীৰ,
কিয় কান্দি থাক তই?

২

নিতে নিতে আনি, দিছে তোক পখি!
নতুন নতুন ফল!
দেৱৰো-বাঞ্চিত খাইছ পায়স,
সোন্দা, চেনিচম্পা কল॥

৩

আপোন হাতেৰে চক্ৰবৰ্ত্তি ৰজা
কৰিছে আদৰ তোক;
ইমান সুখতো তথাপি, শালিকী!
কিয় কৰি থাক শোক?

৪

ফুটুকা-ফুটুকী নানাবৰণীয়া,
ওপৰে "চাঁদোৱা" তৰি,
তাৰ তলে দিনি সুন্দৰ সজাত
তোক যে থইছে আৰি॥

৫

কি ৰাতি কি দিন গাইছ সদাই
"কৃষ্ণ-নাম" সুধাময় !
"ৰাধা-কৃষ্ণ" বুলি নিতে চিয়ৰিছ,
হেপাহ পুৰাই লই ॥

৬

এনুৱা সুখতো কিয় কান্দ পখি !
কিয়নো বিমন তই ?
কিনো যে ভাবিছ, কিনো, যে শুনিছ !!
একো বুজা নাই মই ॥

৭

বধ লাগে—পখি ! কছোঁ তই মোক
কি দুখত থাক কান্দি ?
অৰণ্য-মাজত পৰাণৰ প্ৰাণ
এৰি কি আহিলি স্বামী ?

৮

বহুত কবিয়ে নানা কথা কয়
দুখৰ বিষয়ে তোৰ !
সঁছাকৈয়ে, পখি ! এটীটো যে তাৰ
বিশ্বাস নহয় মোৰ ॥

৯

কয় কোনো কবি, হেকৰালি তই
" স্বাধীনতা " মহাধন।

সি দুখতে তই কান্দি থাক নিতে,
সদা বিয়াকুল মন ॥

১০

এই কথা পখি! যিটো কবি কয়,
একোকে নাজানে তেঁও!
সংসাৰ-ক্ষেত্ৰৰ পলখত পৰি
নাই লোৱা তেঁও লেও ॥

১১

যি দিনা অৱধি আসাম মাতৃয়ে
হেৰালে স্বাধীন ধন।
সি দিনা অৱধি আসাম-বাসীৰ
পৰৰ অধীন মন ॥

১২

সি দিনা অৱধি অসমীয়া জাতি
আনৰ গোলাম হ'ল!
খোৱা, পিন্ধা, লোৱা, উঠা, বহা, শোৱা,
লোকৰ হাতত গ'ল!!

১৩

তথাপিও পখি! এটাৰো মুখত
নাই বিষাদৰ চিন!
তইতো, শালিকী!—আসামৰে পখী?
তয়ো হ'বি পৰাধীন ॥

১৪

স্বাধীনতা গ'ল, সেই বুলি তোৰ,
জানিছোঁ,—নাকান্দে মন।

নীলা পৰ্ব্বতৰ কাঠনী-মাজত
এৰিলি স্বোৱামী ধন !!

১৫

চেঙ্গেৰা কালৰ স্বামীক এৰিলি,
কান্দিছে সঘনে প্ৰাণ !
চকুৰ চকুলো তুলায় দুধাৰে,
কলা ভাবনাত কান !!

১৬

*　　*　　*

*　　*　　*

জুকলী-পুকলী কিয় হ'লি তই ?
গাখীৰ নাখাৰ কিয় ?
নাখাই-নবই স্বামীৰ শোকত
মাৰিব খুজিছ জীৱ ?

১৭

সঁছাকৈয়ে যদি এৰিলি সোৱামী !
যদি সঁছাকৈয়ে হয় !
তোৰে-মোৰে দেখোঁ একেই দুৰ্দ্দশা ?
স্বামী-বিৰহিণী মই !

১৮

নিষ্ঠুৰ মানৱ ! নাই দয়া মায়া ;
স্বামীৰ লগৰ পৰা
বান্ধিলি সঙ্গাত আজলী শালিকী
হিয়া দুখে শোকে ভৰা ॥

১৯

নির্দ্দয় বিধাতা! হৃদয়ৰ পৰা
লুকালি অমূল্য ধন!
কিয়নো নিৰ্দ্দিয় পুনু দেখুৱাই,
এনে নিদাৰুণ মন?

(কাউৰী)

উৰি যোৱা কোৱা!
কথা শুনি যোৱা,
পাৱা যদি কোৱা বতৰা মোক,
কেতিয়া আহিব
মোৰ প্ৰাণপতি?
কেতিয়ানো যাব বিৰহ দুখ?

২

ঘৰে ঘৰে তই
শুনিছোঁ, কাউৰি!—
কট ফুৰ সদা "অহা বতৰা";
কছোন কাউৰি!—
মোকো আজি তই,
আহিবনে মোৰ জীৱন-তৰা?

৩

আহিবনে মোৰ
পৰাণৰ প্ৰাণ?

* কোৱা—কাউৰী

জীৱন জুড়োৱা বুকুৰ ধন ?
পামনে আকউ
পামনে পিন্ধিব'
হেম-হাৰ মোৰ স্বামী ৰতন ?

৪

"কেলেলে-কেলেলে"
কৰি তুই, কোৱা !—
ঘৰৰ কাষৰ গছত পৰি
কই কুৰ সদা
"আলহি আহিব"
—লোকৰ আগত থমক ধৰি ॥

৫

নকৰ কিয়নো,
কলীয়া কাউৰি !—
মোৰো ওচৰত গছত পৰি
"নাকান্দা আইতি !—
আহিব তোমাৰ
সোৱামী ৰতন এতিয়া লৰি" ?

৬

*   *   *
*   *   *

কইয়া কাউৰি !
মোৰে মুৰ খাৱ !—
পাৰ যদি তই বাত্ৰা তেওঁৰ।

কেতিয়া আহিব ?
কেতিয়া দেখিম
সেই হাঁহি মুখ চকুৰে মোৰ ?

৭

যদিহে নক'ৰি
বাতৰি কাউৰি !—
জানিবি, অভাগী মৰিব আজি !-
বিৰহ জুইৰে
দেহা খৰি-দিব-
প্ৰণয় খৰিৰে চিতাটী সাজি ॥

চতুৰ্থ সৰ্গ।

(বসন্ত)

কিয় সাজ পাৰ পিন্ধি
আহিলি বসন্ত! তই?
কালাকাল তোৰ একো নাইনে বিচাৰ?
মিচিকীয়া হাঁহি মাৰি
জ্বলালি হৃদয় মোৰ!—
নিচিন নিৰ্ব্বোধ!—তই সময় হইঁাৰ?

২

স্বামী নাই ঘৰে মোৰ
ভুঞ্জিছোঁ কেলেশ ঘোৰ,—
বিৰহৰ সাগৰত ওপঙ্গি ফুৰিছোঁ!
জান কি বসন্ত! তই কিমান কান্দিছোঁ?

৩

বিৰহৰ সাগৰত
কেলেশ বিৰাজে য'ত
মই অভাগিণী ফুৰিছোঁ তাহি;
কিন্তু, হে বসন্ত! তই
মোৰ দুখে সুখী হই
মিচিকীয়া আজি হাঁহিছ হাঁহি!

৪

জানিলো, বুজিলো মই,
বসন্ত ! নির্দ্দয় তই !
বিৰহিনী গাভৰুক জ্বলা-কলা কৰ।
কি সময়, অসময়, একো নিবিচাৰ ॥

৫

শুছি যা বসন্ত ! তোৰ বৰ পক্ষপাত ;
কাকো দিয় মহাসুখ, জুই কাবো গাত !

৬

কোনো হাঁহে কোনো কান্দে,
কাবো বা হৃদয় ভাগে,
কাবো ভাগ্যে হয় মাথোঁ অশেষ ক্রন্দন।
জানিলো বসন্ত ! তোৰ পক্ষপাতী মন !

৭

মউ লই মউ লই
আহিলি বসন্ত ! তই,
ফুল লই ফুল লই আহিলি ভৰাই
নানিলি মোলই কিয় স্বোৱামীক চাই ?

৮

দিলিহি গছক পাত
(কোমল লাবণ্য পাত)
পিন্ধালি নতুন সাজ প্রকৃতি দেবীক।
নিদিলিহি কিয় আনি মোৰ স্বোৱামীক ?

৯

জানিলো বসন্ত! তই
অতিশয় নিৰদয়,
পক্ষ-পাতে ভৰা তোৰ কঠিন হৃদয়!
নাথাক বসন্ত আৰু; আঁতৰি যা তই॥

১০

গুচি যা, বসন্ত! তই,
এই অসময়,
এতিয়া নাহিবি তই, আহিবি পাছত।
আনিবি যেতিয়া মোৰ
পৰাণৰ প্ৰাণ,
হৃদয় ৰাজ্যৰ ৰজা স্বামীক লগত॥

(মলয়া)

ৰিব্ ৰিব্ ৰিব্ কৰি,
লাহে লাহে ল'ৰি ল'ৰি,
কিয়নো, মলয়া! তই আহিলি এনেই?
সেই দিন নাই মোৰ
যি দিনা আদৰ তোৰ,
গুচি যা উলটি তই আহিলি যেনেই॥

২

নাই আজি সেই দিন, ফুলনী মাজত
স্বামীয়ে সইতে বহি আনন্দ মনত

৩

যি দিনা আদৰ বহু কৰিছিলো তোক,
শীতল প্ৰাণেৰে ভুঞ্জি সমীৰণ সুখ ॥

৪

নাই আজি সেই দিন,
গুচি যা, মলয়া !
আদৰ নাপাব আজি মোৰ ফুলনীত।
গুচি যা তালই তই
বিৰাজিছে য'ত
প্ৰেমিক-প্ৰেমিকা গাই প্ৰণয়ৰ গীত ॥

৫

সৌভাগ্য উদয় যদি
কেতিয়াবা হয়,
সুখৰ বেলিটি যদি হাঁহে আকাশত ;
বিৰহ সাগৰ সিঁচি,
যদি কেতিয়াবা
স্বোৱামীক লই বহোঁ ফুলনী মাজত ;

৬

আহিবি তেতিয়া তই,
সাদৰী মলয়া !
বঙ্গে আদৰিম।
নহলে, জানিবি এই
"শেষ দেখা-দেখি"
আৰু নেদেখিম !

(মন)

কিয়নো হৈছ, মন !
ইমান কাতৰ ঐ ?
তেওঁৰ লগতে তই আছতো সদাই ?
চকুৱে যে দিন ৰাতি
টুকিছে চকুলো ধাৰি,
তাৰো যে কাৰণ আছে, দেখিব নাপাই।

২

পৰিছে চকুলো,
কান্দিছে দুচকু,
নাপাই দেখিব তেওঁৰ মুখ !
কিন্তু, কিয় মন ! কান্দিছনো তই ?
কিয়নো মিছাতে কৰিছ শোক ?

৩

দেহা যে ইমান ক্ষীণ
দিনে দিনে হৈছে,—
তাৰো যে কাৰণ আছে,—হ'ল বহু দিন
নাই পোৱা আলিঙ্গন
তেওঁৰ দেহাৰ, মন !
সি শোকতে হয় দেহা দিনে দিনে ক্ষীণ।

৪

কান যে উদ্বিগ্ন সদা,
নোৱাৰি শুনিব তাকো,—

শুনা নাই বহু দিন তেওঁৰ সুস্বৰ ।
কিন্তু, মন ! কি কাৰণে হইছ কাতৰ ?

৫

মুখ যে ইমান মোৰ
ক'লা ম'লা পৰিছে,—
খোৱা নাই মউ চুমা তেওঁৰ মুখত ।
তেঁওৰ লগতে, মন !—
আছতো সদাই তই ?
কাতৰ হইছ কিয় ?—কিহৰ শোকত ?

৬

* * *
* * *
কিন্তু, মন ! কান্দ তই
কিনো দুখ পাই ?

(চকু)

চকু ঐ !

কিয়নোসদাই চকুলো টোক ?
কান্দি কান্দি তই
জীৱন কটালি,
তথাপি নহ'ল কামনা পূৰ ?
আৰু কত দিন
কান্দিবিনো তই
নেদেখি প্ৰাণৰ স্বোমামী মোৰ ?

২

মোৰ দুখ দেখি,
হাঁহে জোন বেলী,
মিচিকীয়া আজি হাঁহিছে তৰা,
মোৰ দুখে দুখী
হয়েহে, ঐ চকু !
হয়েহে সদাই চকুলো-ভৰা ॥

৩

জানো তোৰ চকু !
কোমল অন্তৰ
পৰৰ দুখত কান্দিছ তই !
দুখিত মনেৰে
ব্যাকুল প্ৰাণেৰে,
পৰৰ দুখত বলীয়া হই ॥

৪

জানিবি, ঐ চকু !
পূৰ্ব্ব জনমত
কিবা পাপ কৰি আছিলো মই !
সি পাপে সদাই
নিতে কন্দা মোৰ,
কিন্তু কিনো পাপ কৰিলি তই ?

৭

তোৰ যে অন্তৰ
সদাই পবিত্ৰ,

কাকো যে নিহিংস কোনো (ও) কালে ;
কিয়নো ঐ চকু
কান্দি থাক তই
কি পাপত তোক বিষাদে পালে ?

৬

যি নামে পানীত
সেয়ে নিজে তিতে
মোৰ পাপে পাপী কিয়নো তই ?
নাকান্দিবি চকু !
কি হ'ব কান্দিলে
পৰৰ দুখত ব্যাকুল হই ॥

(হেপাহ)

হৃদয়ৰ দাৰুণ হেপাহ !
একোতে নহ'লি পূৰ,
বাঢ়িলি জানক-জানে,
কৰিলি দিনক-দিনে পৰাণ উদাস।
বলীয়া কৰিলি লোক,
পগলা হেপাহ ! তই,
অনন্ত কৰিলি মোৰ অন্তৰৰ আশ ॥

২

তেওঁ নেকি এমুৱা অমিয়া ?
অমৃত নইৰ পৰা

আনি অমৃতৰ টোপা
নিৰ্জ্জনে বিধাতা যাহ কৰিলে সৃজন ?
সি কাৰণে কি, হেপাহ !
ভুলিব নোৱাৰ তই ?
তেওঁতে পৰাণ মন কৰিলি অৰ্পন ?

৩

যেই দিনা তেওঁ এৰি গল,
জুচকু নীৰল হল,
চকুৰ টোপনী গ'ল,
নাইকিয়া হ'ল মন থাকিব ঘৰত !
বিয়াকুল হ'ল মন,
হিয় ঢৰি ফাটি গ'ল !
তথাপি, হেপাহ ! সুখ ন'হল মনত ?

৪

তেওঁতেই স'পিলো জীৱন
কুলত কলঙ্ক দিলো,
এৰিলো সুখৰ আশা !
হেৰুৱালো আপোনাক আপোন দোষত !
তথাপি, হেপাহ ! তই
একোতে ন'হলি পুৰ !
বাঢ়িলি দিনক-দিনে মোৰ অন্তৰত !

৫

তেওঁকেই ভাবোঁ দিন ৰাতি !
তেওঁকেই আশা কৰি

দিন গ'ল, মাহ গ'ল;
তেওঁকেই ভাবি প্ৰাণ জ্বলা-কলা হ'ল ;
গিয়াই তেওঁৰে নাম
সাজিছোঁ। যোগিনী মই,
ভাবোতে তেওঁৰ নাম বহু কাল গ'ল ॥

৬

হৃদয়ৰ হেপাহ দাৰুণ ;
ইমানতো তোৰ আশা
নহ'ল নহ'ল পূৰ
নুগুছিল চকু-পাণী দুচকুৰ পৰা ;
হৃদয়ৰ জুই মোৰ
নুমাই নগল আৰু,
মৃতকাল শোক-নই শোক-দুখ-ভৰা ॥

৭

ভৱলীলা সমাপণ হ'লে,—
দেখিম,—স্বৰ্গৰ মাজে
পাওঁ কি নাপাওঁ তাত,—
হব কি নহব পূৰ দেখিম, হেপাহ !—
চকুপাণী দুচকুৰ
যায় কি নাযায় মাৰ,—
গুচে কি নুগুচে মোৰ অনন্ত পিয়াহ ॥

(শান্তি)

শান্তি ঐ!

প্ৰেমসাগৰৰ ঢৌ-খলকত
নিৰ্জ্জীৱ নীৰৱ তই!
চিৰ্ বি-বাথৰি কত মাতোঁ তোক,—
বিচাৰি নাপাওঁ মই।

২

তপসীৰ হায়! নিৰ্জ্জন বহাত
প্ৰসন্নতা তোৰ পবিত্ৰতা স'তে
নীৰৱে নীৰলে বয়!
বিৰহিণী নাৰী কত মাতোঁ তোক
ওলাই নামাত তই!

৩

বিষম কঠোৰ সংসাৰৰ মাজে
নাথাক অলপো ৰ'ই!
বিৰহ ঢৌৰ গাজনীয়ে স'তে
যাৱ যে মিহলি হই।

৪

(কিন্তু) কেচুৱা কালৰ ফিলিকা হাঁহিত
সদাই আছিলি বই!
ইমান দিনত, জানিলো অ' শান্তি!—
মোক তিয়াগিলি তই।

৫

ৰা অ' বাক, শান্তি!—এৰি অভাগীক,—
কিন্তু নেৰোঁ তোক মই!

এই সংসাৰত পলাই থাকিবি,
পাম যে স্বৰ্গত গই ?

৬

আছে যে, অ’ শাস্তি !—এনুৱা এঠাই
পলাব নোৱাৰ য’ত !—
আছে যে সৰগ অনন্ত শান্তিৰ
তয়োতো থাকিবি ত’ত ।

৭

ত্ৰিলোকৰ পতি বিৰাজিছে তাত,
দাস যে তেওঁৰ তই !
সি ঠাইত, শান্তি কিৰূপে পলাবি ?
পামতো তেতিয়া মই ?

(বতাহ)

বতাহ ঐ !

বিৰহিণী নাৰী বিৰহ জুইত
পুৰি-দেই হই ছাই,
দুখে যমুনীয়া পেলাব খুজিলে
সিকালতো তোক পায় ॥

২

যমুনীয়া স’তে থাক তই সদা
আৰু থাক তই ত ত,

ফুলনী বাৰীত প্ৰেমিক-প্ৰেমিকা
একে লগে বহে য'ত ॥

৩

প্ৰেমি-প্ৰেমিকাৰ মিহলি নিশ্বাস
অতি হেপাহৰ তোৰ ;
তাকে পালে তন্ময়মায়াৰ কলৈকো
সদাই তাতেই ভোৰ ॥

৪

(কিন্তু) তই যে বতাহ! সৰ্ব্ব-ঠাই-গামী,
সকলো ঠাইতে যাব।
ফুৰোতে ঘুৰোতে জানো, কৰবাত
মোৰো স্বোৱামীক পাব ?

৫

বা অ'বা, বতাহ! যাছোন বেগাই,
তেওঁক ইকথা কবি,
বুলি, অভাগিনী আছে এতিয়াও
নমৰি, তেওঁকে জপি ॥

পঞ্চম সৰ্গ।

(মাধৈ লতাৰ পৰা নিয়ৰৰ টোপা সৰি থকা দেখি)

কিয়নো, মাধই লতা
কান্দ এই শেহ নিশা ?
কাৰ বিৰহত ? তোৰ আছেনো বা কোন ?
টপ্-টপ্-টপ্ কৰি
পৰিছে চকুলো তোৰ !
কিয় কান্দ ? কাত লাগি সঁহাই কছোন ?

২

মাটীয়ে বালীয়ে শুই,
চকুৰ পানীৰে তোৰ
তিয়াব তলৰ ঠাই কাৰ বিৰহত ?
কাকনো নাপাই তই
বিণাব ইদৰে আজি ?
কছোন, লাহৰী লতা নাৰাখি কপট ?

৩

তৰুৰ বিহনে তোৰ
ওলাইছে চকুপানী,
নাপাই তৰুক তই বাপৰ মাটীত ?

নিৰাশাৰ সাগৰত
ডুবিছ ওপঙ্গি তই,
তিতিছে সি ধুলি মাটী চকুৰ পানীত ?

৪

গুৰুৰ বিহনে তোৰ
কান্দিছে পৰাণ মন ?
মোৰ চকু দুটী তেন্তে কিয় নাকান্দিব ?
চাওঁতে চাওঁতে বাট
বিষালে দুচকু মোৰ,
ইমানতো নেকি মোৰ স্বোৱামী নাহিব ?

৫

আৰু কতদিন, লতা !
কান্দি কান্দি বাট চাম ?
কতদিন আৰু মই জপিম সি নাম ?
যি নাম জপিলে হায় !
জ্বলে হৃদয়ত জুই
বিয়াকুল হয় মন, অথিৰ পৰাণ ॥

(নই)

বিৰহৰ জ্বালা তুমি জানা ভালকই, নদি !
সিকাৰণে সদা তুমি সাগৰ-সঙ্গমে,
কোনো কালে চকু নিদি, নামানি বাধা-বুধনি
দিন ৰাতি যোৱা তুমি আকুল পৰাণে ॥

২

সি মহা জ্বালাতে আজি মইও তাপিত, নদি !
ময়ো যে ব্যাকুল আজি স্বামীক বিচাৰি ।
বিৰহৰ তুহ জুয়ে পুৰিছে হৃদয় মোৰো
স্বামীৰ বিৰহে ময়ো
কান্দিছোঁ বাগৰি ॥

*　　　*　　　*

৩

হেজাৰ হেজাৰ ঢউ থই থই আঁতৰাই
সমুদ্ৰে তোমাক, নদি !
কৰে আলিঙ্গন ।
তুমি দুয়ো হাত মেলি সুখে আলিঙ্গন কৰি
পতিয়ে সইতে হোৱা
আনন্দে মিলন ॥

৪

কিন্তু মোৰ দশা নদি ! চোৱাঁছোন ভাবি তুমি
টোপনীত কত দিন
দেখোতে সপোন,
হাত দুটি মেলি মেলি তেওঁক ধৰিব খোজোঁ,
নাপাওঁ ধৰিব হায় !
নহয় মিলন ॥

৫

সাৰ পাই কান্দো কাটোঁ চকুৰ চকুলো টোকোঁ
পুৰি মৰোঁ বিৰহৰ

জ্বলা অগনিত।
কোৰ্ ্বছোন কোৰ্ ্বা নদি! পাম কি ভেওঁক মোৰ?
পাম জানো মিলনৰ
সুখ পৃথিবীত?

(শোৱনী কোঠাত সোমাই)

কাৰ নিমিত্তেনো আৰু
ধাৰী-পাটী পাৰি থম?
থাক্ পৰি ধাৰী-পাটী!
মাটীতেই পৰি ৰ'ম॥

২

নাই মোৰ প্ৰাণপতি
বিহ যেন ধাৰী-পাটী
শিমলু তুলাৰ তুলি যেন কাঁয়েটীয়া।
থাক্ পৰি ধাৰী-পাটী
তোতকই ভাল মাটী,
মাটী যে শীতল,—তাত বিহ নাইকিয়া॥

৩

বিৰহৰ তুঁহ জুই
বুকুৰ মাজত লই
এনেই হইছোঁ মই পুৰি দেই ছাই॥
তাতে তয়ো, ধাৰী-পাটী
আছ কালকূট সানি
তুলি!—তয়ো আছ লই কাঁইট ভৰাই॥

৪

কমোৰা তুলাৰ গাৰু
কোমলতা নাই আৰু
শিলাময় হ'লি তই শুম কেনেকই ?'
আঠুৱা তয়ো যে ঐ
উঠিলি শতুৰু হই ;
সুখৰ শোৱনী ঘৰ জুই-শাল তই ॥

৫

দাপোন-কাকই যোৰ
কিবা কাজ আৰু মোৰ ?
গুছি যোৱা তোমা–দুয়ো আনৰ কাষত।'
কোনে চাব খোঁপা মোৰ
সেন্দুৰৰ ফোঁট যোৰ
চাই যিটো ধুন মোৰ নাই যে ঘৰত ॥

৬

শোৱনী কোঠাৰ চাকি
কিয়নো জ্বলিছ তই ?
জ্বলিছ,—কিন্তু যে নাই অলপো পোহৰ।
বিৰহ এন্ধাৰ খেদি
কোঠাটো পোহৰ ভৰা
পাৰ কি কৰিব তই বিহনে নাথৰ ?

৭

মিছা কথা, চাকি ! তই
নালাগে জ্বলিব আৰু

স্বোৱামী নাহিলে ঘৰ নহয় পোহৰ।
কি কাজ মিছাতে জ্বলি;
সুমা সুমা ছাকি তই
অল গই আছে যাৰ স্বোৱামী প্ৰাণৰ॥

(গোলাপ)

গোলাপ ঐ

স্বামী থকা হলে হায় এনুৱা কালত
আঁচুৰি মূৰৰ চুলি
সুন্দৰ খোঁপাটী বান্ধি
পিন্ধিলো তোমাক হয় আনন্দ মনত॥

২

গোলাপ তোমাক চিন্তি
সুন্দৰ দোলেৰে গাঁথি
সজালো হেতেন বঙ্গে ধাৰি পাটী মই।
নাই হায়! কিন্তু মোৰ আজি সি সময়॥

৩

স্বোৱামী যে নাই আজি
কি কাজ তোমাক পিন্ধি
কোনে চাব আজি মোৰ ফুলময় বেশ?
সি হেতু গোলাপ! মই পাওঁ বৰ ক্লেশ॥

(পৰ্ব্বত।)

শিলেৰে বন্ধোৱা দেহা
কঠিন পৰ্ব্বত

কিৰূপে বুজিবি তই
প্ৰাণৰ যাতনা ঐ
অন্তৰৰ দুখ মোৰ ? তোৰ যে হৃদয়
লোহাতো অধিক টান, তই শিলাময় !

২

কঠিনতা ছবি লই
আছ থিয় হই তই
কঠোৰ ভাবেৰে হায় দেখাইছ মুখ
পাৰ কি বুজিব তই অভাগীৰ দুখ ?

৩

কঠিন পদাৰ্থ লই
বন্ধাইছ হিয়া তই
পিন্ধি কঠিনতা-সাজ আছ থিয় হই
কিৰূপে বুজিবি দুখ বিৰহৰ তই ?

৪

কি দিন কি ৰাতি তোক
সহিব নোৱাৰি দুখ,
কান্দি কান্দি চকুলোৰে দিছোঁ ওপঙ্গাই,
চকুলোৰ নই হায় ! পঠালো বোৱাই ॥

৫

তথাপি নহ'ল দয়া,
নাই নেকি তোৰ মায়া ?
শুমুছিলি চকু-পানী মোৰ দুচকুৰ।
কঠিন পৰ্ব্বত ! তোৰ হৃদয় কঠোৰ ॥

(নইৰ দাতিত)

দেহি ঐ!

পৰোঁ-পৰোঁ-হোৱা ৰঙ্গা বেলিটীয়ে
ঢালিছে কিৰণ ৰ'দ্।
সোনালী সাজেৰে হাঁহে নই খনি
বজাই সুৱলা গদ্॥ *

২

সোনালী মুকুট পিন্ধিছে মুৰত
ঠৌকী-বাঠৌকী ঢৌ!
কুল কুল কৰি গীত গাই নদী
ঢালিছে অমিয়া মৌ॥

৩

সাগৰৰ ফালে উত্ৰাৱল নদী
একান্ত মনেৰে যায়।
শুনাব খুজিছে জানো প্ৰেমকথা
আজি মিঠা গীত গাই॥

৪

ৰ'বাচোঁ অলপ ৰই যোৱা, নদি!
শুনি যোৱাঁ মোৰ দুখ।
পাইছোঁ যেনুৱা সন্তাপ মনত
নেদেখি স্বামীৰ মুখ॥

"*গদ্" বা গৎ।

৫

বধ লাগে নদি ! ৰ'খাছোঁ খন্তেক
চকুলো এধাৰি নিবা ।
যদি ক'ৰবাত পোৱা স্বোৱামীক
তেওঁৰ পাৰতে দিবা ॥

৬

নাৰী জনমৰ শেষ উপহাৰ
চকুৰ চকুলো ধাৰি ।
লই যোৱা নদি ! দিবা স্বোৱামীক,
মাতিছোঁ কাকুতি কৰি ॥

ষষ্ঠ সৰ্গ।

(স্বপ্ন)

সপোন ঐ !

মিছাতে খন্তেক মাথোঁ
দেখুৱালি সেই মূৰ্ত্তি
অতীত প্ৰাণৰ দুখ কৰিলি দুগুণ।
সপোন! এনুৱা তই কিয় নিদাৰুণ?

২

বহু দিনাৱধি হায়!
নেদেখি নেদেখি মোৰ
প্ৰায় সহিছিল প্ৰাণে বিৰহ যাতনা।
কত ভাবি, কত কান্দি
মনকে বুজাই কত
প্ৰায় শেষ হইছিল প্ৰেমৰ ভাবনা॥

৩

সুন্দৰ লাৱণ্য ছবি,
মউ সনা, মৃদু হাঁহি,
মিছাতে খন্তেক মাথোঁ কিয় দেখুৱালি?
অনন্ত চিন্তাত পৰি

প্ৰায় হইছিল শেষ
আভা কেৰি মাথোঁ হায় আছিল উজ্জ্বলি ।

৪

কিন্তু যে সপোন তুই
এখন্তেক দেখুৱাই
এটি দুটি কৰি হায় সকলোটি জগালি ।
মিছাতে ছুঁয়াৰ দৰে কিয়নো যে দেখালি ?

৫

বহুত দিনৰ পাছে
দেখা হ'ল তেঁৱে সতে
দেখা হ'ল, সঁচা,—কিন্তু দেখাও নহ'ল ।
অক্ষয় অনন্ত কাল
প্ৰাণে চাব খোজে যাক
খন্তেক দেখিতো হায় হেপাহ নগ'ল ?

৬

কি দাৰুণ হেপাহত
সাগৰ শুহিব খোজে,
শুছে কি পিয়াহ তাৰ এটোপা পানীত ?
পূৰ্ণিমাৰ ৰঙ্গা জোন
চাব খোজে প্ৰাণে যাৰ,
তাৰ কি হৃদয় শাঁত হয় জোনাকীত ?

৭

সপোন ঐ !—
দেখা শেষ হই গ'ল
কি হ'বৰ সেয়ে হ'ল,

আকউ জ্বলিল সেই বিৰহ অগনি !
সুপুৰুতে মন আশা,
অনন্ত হেপাহ, হায় !—
সাৰ মাথোঁ হ'ল মোৰ দুচকুৰ পানী !

(স্বামী)

প্ৰাণনাথ ! ভাল পোৱা
যেন সপোনৰ খেলা ।
এযে শেষ নেকি, নাথ !
হ'লনে কি ভাব বেলা ?

২

পশ্চিম আকাশে দিনি
হাউলি পৰিছে বেলি !
ৰ দ গ'ল, বেলা গ'ল,
জুন্দীয়া কৰিছে কেলি ॥

৩

প্ৰাণৰ প্ৰেয়সী লই
বনৰীয়া পখী যায়,—
আপোনাৰ বাহে বাহে
বিচাৰি আপোন ঠাই ।

৪

আকাশত জোন দেখি
হাঁহিছে কুমুদ ফুল !

প্রাণনাথ !—মাথো মই
অভাগিনী বিয়াকুল ॥

৫

এটী দুটী কবি, হায় !—
শুনাইছে বহু তবা !
দেখি প্রেমিকার মন
পরাণ উলাহে ভবা ॥

৬

হাঁহে আকাশত তবা,
কান্দিছো মাথোন মই ।
কোৱাঁ নাথ ? ভাল পোৱা,
গ'লনে কি অন্ত হই ?

৭

হায় !

আজিও হেপাহ মোৰ
নাই নাথ ! পূৰ হোৱা !
আজিও আশাৰ নই
আছে হৃদয়ত বোৱা ॥

৮

আজিও শুকান দিজি
পিয়াহত বিয়াকুল,—
মন-ফুলনীত ফুলে
আজিও প্ৰেমৰ ফুল ॥

৯

সৰু বয়সৰে পৰা
মই, নাথ! তুমি-ময়,
শিৰৰ মাজে দি মোৰ
তোমাৰেই তেজ বয় ॥

১০

তুমি মই দুয়োটিয়ে
আছিলোঁতো অচেতন।
অকস্মাতে সাৰ পাই
কিয় বিৰহ দহন?

১১

প্ৰাণনাথ! ভাল পোৱা
যেন সপোনৰ খেলা!
এয়ে শেষ নেকি, নাথ?—
হল নেকি তাৰ বেলা?

(অকলে-অকলে)

(ক)

অকলে কান্দিছোঁ হায়!
বিচাৰি নাপাওঁ!
কি ৰূপেনো জীৱন কটাওঁ?

২

দেখিলো—পূৰ্ত্তী গুছি গ'ল!
দেখিলো—সন্ধীয়া আহি হ'ল,

দেখিলো—ওলাল বহু ভৰা
এটী দুটী কই,—হৰ্ষ-ভৰা ॥

৩

দেখিলো—সকলো মাৰ গ'ল
দেখিলো—পুঁৱতী পুনু হ'ল,
বিচাৰিলো মনৰ কামনা,
টুকিলো চকুৰ চকুপানী,—
চিঙিলো আশাৰ পুষ্প ডাৰি
নিৰাশাৰ শোকে কান্দি কান্দি।

৪

অকলে কান্দিছোঁ, হায়!—
বিচাৰি নাপাওঁ।
কি ৰূপেনো জীৱন কটাওঁ!

৫

দেখিলো—বহুত ফুল
ফুলিছিল ফুলনীত,—
শুনিলো,—বহুত পখী
জুৰিছিল নানা গীত ॥

৬

দেখিলো, মলয়া বায়ু
ৰিব ৰিব বলিছিলে!
পাতে পাতে ফুলে ফুলে
বৃক্ষ নচুৱাইছিলে ॥

৭

অকলে অকলে বহি
দেখিলো আগত,—
সকলোটী পুষ্প, হায়!—
লুকাল আঁবত॥

৮

অকলে যে
নোৱাৰোঁ থাকিব আৰু মই!
দাৰুণ বিষাদ! তই আহ!
হৃদয়ৰ ঘা মই
নোৱাৰো ঢাকিব!—
আঁউসী এন্ধাৰ! তই আহ!

৯

অকলে অকলে আছোঁ!
বিচাৰি নাপাওঁ!
কি ৰূপেনো
জীৱন কটাওঁ?

(অকলে-অকলে)

(খ)

টুকিলো বহুত দিন
চকুলো দুধাৰ!
কিয় আৰু মিছা মায়া
মোহৰ মোহিনী ছঁয়া?

ক'লা দাৱৰৰ গাত বিজুলীৰ হাৰ!
কিয় মধুময় সুৰে
মাতে পুনু জ্বূৰে জ্বূৰে?—
"আহাঁ আহাঁ" বাজে কিয় আশাৰ ঝংকাৰ?

২

কন্দা মোথোঁ সাৰ হ'ল!
হিয়া মোথোঁ ভাগি প'ল!
নীৰৱে চিগিল মোথোঁ তাঁৰ হৃদয়ৰ!
শূন্য মৰুভূমি, হায়!
মৰিচিকা দেখা পাই
দহিলে পিয়াহে মোথোঁ মানস অন্তৰ!

৩

হৃদয়ৰ মন্দিৰত
"বেদি" তুলি মানসত্
এক ধ্যানে থাপিছিলোঁ "দেৱ" হেপাহত!
হৈ মোৰ পৰাণ লই
চকুপানী মিহলাই,
উছৰ্গ কৰিছিলোঁ সেই চৰণত॥

৪

গোটেই জীৱন ভৰি,
অশেষ কামনা কৰি,
এক মনে সাধিছিলোঁ "দেৱ" তুল্য ভাবি।
কায়মনে,—এক প্ৰাণে

এক ধ্যানে, এক জ্ঞানে,
পূজিলো যতনে সেই প্ৰেমময় ছবি।

৫

নাই সেই ছবি আৰু,—
নাইকিয়া ছঁয়া তাৰো,
আঁতৰিল মূৰ্ত্তি সেই হিয়া শূন্য কৰি!
কি যে এটা কথা কই
এটা হুমুনীয়া থই,
সেই মূৰ্ত্তি বিসৰ্জ্জন! হৰি! হৰি! হৰি!

৬

তেনে, আৰু কিয় মায়া?
আশাৰ মোহিনী ছঁয়া?
ক'লা দাৱৰৰ গাত বিজুলীৰ হাৰ!
কন্দা মাথোঁ সাৰ হ'ল,
হিয়া মাথোঁ ভাগি গ'ল!
নীৰৱে চিগিল মাথোঁ হৃদয়ৰ তাঁৰ!
কান্দিলো অনেক দিন,—কান্দোছোঁ এবাৰ!

—⋄◇❦◇⋄—

(সুখ)

সুখ ঐ!—
সকলোৰে কয় মোক
আছ পৃথিবীতে তই,
বহুত বিচাৰি চালো

নেদেখিলো তোৰ মুখ।
বিৰহৰ তিক্ষ বাণ
নিতউ বিন্ধিছে প্ৰাণ,—
নিতে নিতে অপমান
পাইছোঁ কতনো মই!
সহিছোঁ কতনো দুখ।

২

সহিছোঁ,—আৰু সহিম,—
ভুগিছোঁ,—আৰু ভুগিম,
মৰিলেও নমৰিম,—
জগত ভ্ৰমিম মই
বিচাৰি বিচাৰি তোক॥
মনৰ হেপাহ, হায়!
এতিয়াও পুৰা নাই,
প্ৰাণে কৰে ৰাঁই-জাঁই!
সকলো দুৰাশা মিলি
কৰিলে উত্তলা মোক॥

৩

সুখ ঐ -
সকলো ঠাইতে মই
তোতে বিয়াকুল হই,
ধীৰে ধীৰে গই গই,
ছলনা কৰিলো কত,
ক'তো যে নাপালো তোক!

ভাবোঁ কেতিয়াবা, হায় !
"সুখ" বুলি একো নাই'—
কিন্তু পুনু দেখো চাই,—
হাঁহিছে জগতে কৰি
আনন্দত তোক ভোগ ॥

৪

হাঁহিছে জগতে যদি
মই কিয় নিৰবধি
কান্দিম চকুলো টুকি ?
আহ,—সুখ !—কৰোঁ ভোগ।
হাঁহিব জগত,—কান্দি
কিয় কন্দুৱাওঁ ?
আহছোঁ অলপ,— সুখ !—
ভোগ কৰি চাওঁ ॥

(চাৰিও কালে চাই)

সেই দৰে আকাশত
হাঁহি আছে সেই জোন,—
সেই দৰে মউ-মাখী
আছে কৰি গুণ-গুণ ॥
সেই দৰে এতিয়াও
ওলাইছে দিবাকৰ

সেই দৰে আছে কৰি·
ফুলে ফুলনী পোহৰ ।

৩

সি দৰে আজিও ৰাতি
হয় দিনৰ পাছত,—
এতিয়াও সেই দৰে
সেই মেঘৰ মাজত

৪

চমকি-চমকি নাচে
সেই বিজুলী ৰঙ্গিণী,—
ক'তো নাই জগতত
একো সলনা-সলনি ।

৫

এতিয়াও,—দেহি ঐ !—
আজি সেই একেদৰে
প্ৰকৃতি আইৰ ৰূপে
মন আৰু প্ৰাণ হৰে ।

৬

সেই দৰে এতিয়াও
সেই শীতৰ পাছত
বসন্ত উদয় হয় ;—
সেই গছৰ ডালত

৭

'কুউ-কুউ-কুউ' কৰি
সেই একে গান গায় ;

এতিয়াও দিঁয়ে শান্তি
সেই গহ্বৰ ছুঁয়াই।

৮

সেই একেদৰে, হায়!—
এতিয়াও আছে নই
'কুল্-কুল্-কুল্' কৰি
সেই ধীৰে ধীৰে বই।

৯

আগৈয়ে আছিল যি যি
আছে সেয়ে এতিয়াও;
সলনা-সলনি ক'তো
একো হোৱা নাই!
কিন্তু মাথোঁ অভাগিনী,—
মই চিৰ দুৰ্ভাগিণী
আপোন অৱস্থা, হায়!—
আনিলো সলাই!

১০

শোকাকুলা হই মাথোঁ
কান্দিছোঁ নিতউ মই!
দুয়োটী চকুৰে পানী
সদাই ধাৰেৰে বই।

(পুখুৰী)

তোৰ যে পাৰতে বহি
ধৰি কত বিধ ভাও
সাদৰে হাতত ধৰি
কইছিল "ভাল পাওঁ"।

২

নীলা আকাশত জোনে
হাঁহিছিল কত হাঁহি,
হঁহুৱাই পৰাণৰ
সেই ভেট ফুল পাহি।

৩

নীৰৱে উজ্জ্বল তৰা
চাইছিল জুঁপি জুঁপি
নতুন জোনক বেৰি
জ্বলিছিল থুপি থুপি।

৪

সেই মউ-সনা হাঁহি
আজিওতো সেয়ে আছে;
বিৰহত পুৰি মোক
তেওঁ কিয় গ'ল, পাছে?

৫

তুমোটিয়ে একেথিৰে
চাইছিলো 'জোন বাই'।

আজি দেখি সেই জোন
কিয় প্ৰাণ জ্বলে, হায়!

৬

যদি তেওঁ যাব গুছি,
কিয় ভাল পাইছিলে!
বিৰহৰ জ্বলা জুই
কিয়নো জ্বলাই দিলে!

৭

কি চকুৰে চালো হায়া!
ক'ব যে নোৱাৰোঁ মই,
তেঁওৰ কাৰণে প্ৰাণ
সদাই ব্যাকুল হয়॥

৮

মউ-সনা মনোহৰ
তেঁওৰ লাহৰী কথা
তপত হিয়াত মোৰ
নিতে ঢালিছিল সুধা॥

৯

নিজকে পাহৰি, হায়!
তেওঁকেই পালো ভাল।
ই ভাল পোৱাত কই
নোপোৱা আছিল ভাল॥

১০

প্ৰথম যৌবন কালে
দেখিছিলো, জানো, হায়!
অতৃপ্ত প্ৰণয় তাপে
পুৰি-দেই হ'লো ছাই!!

১১

জানো, কত দুখ পাই
তেওঁ মোৰ গুচি গ'ল!
মধুময়ী স্মৃতি মাথোঁ।
হৃদয়ত আঁকা ৰ'ল॥

১২

কিন্তু, আৰু কি আশাত
পৰাণ ৰাখিম মই!
তেওঁ কি আহিব ঘূৰি!
পুখুৰি! ক'ছে'ন তই?

১৩

জীৱনৰ আশা মোৰ
সকলোটি শেষ হ'ল!
চকু দুটি মাথোঁ। মোৰ
বাটলৈ চাই ৰ'ল

(নিজ মনতে)

দাৰুণ বিৰহ জুই
দিন ৰাতি দহে হিয়া,

PLEASE HANDLE THE BOOK CAREFULLY

হৃদয়ৰ ভিতৰত সেয়ে মাথোঁ বাতনা।
অন্তৰত (হাবে হাবে)
তেওঁৰেই ছবি ঔ'কা
হিয়া মন্দিৰত মোৰ তেওঁৰেই অৰ্চ্চনা॥

২

অতীতৰ যত সুখ
গ'ল এটি দুটি কই
আছে মৰু-সমনীয়া পৰাণৰ বেদনা।
নিৰাশা বলুকা তাত
চাক ফালে দেখা যায়!
তথাপিও কিয় মোৰ ই দাৰুণ কামনা।

৩

দেৱ তেঁও স্বৰগৰ
মই কীট নৰকৰ,
বুজিও নুবুজোঁ হায়! নিজে মাথোঁ দুৰাশা।
প্ৰণয়ৰ ফাঁহ পাটি
বান্ধিৰ তেওঁক খোজোঁ
চকুৰ আগত মোৰ, এয়ে মাথোঁ আকাঙ্ক্ষা॥

৪

*　　*　　*

*　　*　　*

তেওঁৰ পাৰতে মই
ই জীবন দিম ঢালি,

কৰিম অকলে বহি সেই মূৰ্ত্তি সাধনা।
মধুময় সেই নাম
হিয়াত জপিম স্থিতে,
পূৰ্ণ হ'ব আশা মোৰ পূৰ হ'ব কামনা॥

৫

অন্ত হলে ভৱলীলা,
তেওঁৰ পাৱৰ ধুলা
আপোন শিৰত তুলি কৰি ল'ম থাপনা।
দেখোঁতে দেখোঁতে যেন
প্ৰাণ পখী উৰি যায়,
আৰু যে নালাগে একো, এয়ে মাথোঁ কামনা।

(পদুম)

সংস্কাৰ পুখুৰি তই
শোভাৰে ভৰাই লই
ফুলিছ পদুম ফুল। অনন্ত শোভাত।
কিন্তু কিয় দিছ দুখ অভাগীৰ গাত!

২

আকাশৰ মাজে হাঁহে
ৰঙ্গচুৱা বেলিটিয়ে
(পৰাণৰ স্বামী তোৰ);—তই দেখা পাই
বিদ্ৰুপি হাঁহিছ মোক? দয়া মায়া নাই?

* * *

* * *

৩

কিয়নো পদুম তই
দিছ অভাগীক দুখ ?
কিয়নো কৰিছ মোক উপহাস, হায় !
কিয় হাঁহ ? থাক তই দুচকু জপাই ॥

৪

হায় ! বিধতাৰ কিনো
নিষ্ঠুৰ বিধান !
ফুলৰ কোমল হিয়া
কিয়নো নিৰ্দ্দয় বিধি
পৰ্ব্বতৰ শিল আনি কৰিলে নিৰ্ম্মাণ ॥
দিলে কিয় তাতে হায় ! নিষ্ঠুৰ পৰাণ ?

৫

সৰলতা ভৰা যেন
দেখি মুখ খানি !
পদুম ! কিয়নো তেনে
কি ভাব মনত গুণি
হৃদয় কৰিছ তই এনুৱা কুটিল ?
লোকৰ দুখত কিয় হাঁহ খিল্ খিল্ ?

হায় !

৬

সুখৰ সপোন যেন
বিজুলীৰ ৰেখা !
সপোন ভাগিলে পাছে

নিৰাশাৰ বজ্রপৰে
যি দৰে শিৰত,—মোৰো তেনেকুৱা হ'ল !
খন্তেকীয়া স্বপ্ন—আহা ! ভাগি চিগি গ'ল !

৭

ক'ত গ'ল, হায় ! মোৰ
সুখৰ সপোন ?
যি স্বপ্নত তেঁৱে স'তে
অতি হৰষিত মনে
খন্তেক সাঁতৰিছিলো প্রেম সাগৰত,
ক'ত গ'ল সেই স্বপ্ন এনুৱা কালত ?

*   *   *

*   *   *

৮

কিয়নো সপোন সেই
উলটি নাহিল পুনু ?
পদুম ! সি কথা কই
নিতে দিনে ৰাতি শুনো।

৯

সেই কথা যেই হোক,
কিয়নো, পদুম !
মোৰ কান্দোনত তই
মিচিকি মিচিকি হাঁহ ?
নালাগেনে বেয়া তোৰ ? তোৰ হিয়া খনি
শিলেৰে বন্ধোৱা ? নাই চেনেহ একনি !

১০

ফুলৰ কোমল হিয়া,
মিছা কথা ভেনে।
মিছা সৰলতা ছবি,
মিছা মিচিকীয়া হাঁহি
সকলোটি হ'ল বেয়া আজি দুৰ্দ্দিনত!
ভাল মাথোঁ থাকে ভাল সম্পদ কালত॥

*　　　*　　　*
*　　　*　　　*

থাক থাক, সন্ধ্যা হ'ক
বেলিটিও মাৰ য'ক
কান্দিব লাগিব তয়ো
পৰি বিৰহত!
এতিয়া হাঁহিছ মোক,
জানিবি পাছত॥

বিৰহিণী বিলাপ কাব্যৰ

“ওপৰঞ্চি” ।

“Forgive my grief for one removed,
Thy creature whom I found so fair,
I trust, he lives in thee, and there
I find him worthier to be loved.
Forgive these wild wandering cries
Confusions of a wasted youth ;
Forgive them where they fail in truth,
And in thy wisdom make me wise.”

———————Alfred Lord Tennyson.

“অনন্ত নিৰাশা মাজে
আশাৰ ছবিটী ৰাজে
নিৰাশাৰ ৰূপে পুনু শূন্যত লুকাই যায় ।
প্ৰাণৰ লাহ্‌ৰী বীণা,
নাবাজে যে আজি দিনা,
ঝঙ্কাৰ নীৰব, যেন নিদ্ৰাত চেতনা নাই ।
লাহ্‌ৰী ছবিটী গ’ল,
মাথোঁ সোঁৱৰণী ৰ’ল,
শিলেৰে বন্ধোৱা হিয়া
কান্দে কিয় নিশা দিন ?”

———————“আঁজলী” (অপ্ৰকাশিত) ।

যদি

জীৱনৰ নউ তুপৰ হওতে
হেকৰাই থাকা ভনিতী প্ৰাণৰ,
অতি মৰমৰ জন্মদাত্ৰী আই
স্নেহৰ নিজৰা অমৰা পুৰৰ ॥

যদি

অতি আদৰৰ তুমলীয়া ভাই
জীৱনৰ সঙ্গী সংসাৰ ক্ষেত্ৰত
হেৰাইছে কাৰো দুৰ্ভাগাৰ দৰে
"ওপৰঞ্চি" দিলো তেওঁৰে হাতত ॥

(আ:ক) যদি

জিতেনৰ দৰে
ভাঙ্গিছে কোনোৱে
কোনো বাপেকিৰ হিয়া,
তেওঁৰে হাততে
দিলো "ওপৰঞ্চি"
সাদৰে হাতলৈ নিয়া ॥

ইতি।

ভনিতী ।*

———"Oh tell me once and tell me twice
And tell me thrice to make it plain,
When we who part this weary day
When we who part shall meet again."
————————Christina G. Rossetti.

স্নেহৰ ভনিতি ! তুমি গইছা কলই ?
যি দেশত গ'লা তুমি,
তাতনে কি নাই মাটি ?
গঢ়িছে সি দেশ বিধি মালতী ফুলেৰে ?
মন্দাকিনী তাতনে কি বলিছে ধাৰেৰে ?
তাতনে কি নাই ৰোগ,
বন্ধু বান্ধৱৰ শোক ?
ভাই ভনী তাতনেকি বিচ্ছেদ নহয় ?
জাহ্নবী ভনিতি !—তুমি গ'লা কি তালই ?
তাতনে কি নাই কন্দা,
শোকত-হৃদয় ফটা,
চকুৰ চকুলো নেকি সিদেশত নাই ?
শোকত মানৱে তাত নাকান্দে বীনাই ?
তাত কি নিতউ হাহে ?
আনন্দ-ঢউত ভাহে ?

*মৃত্যু সময় ১৪ এপ্ৰেল ১৯০৩ ।

মানৱৰ প্ৰাণ তাত হৰিষ সদাই ?
তাত কি, ভনিতি! দুখ কনা মাত্ৰো নাই ?
তাতনে কি ফুলি ফুল
গোন্ধত আমোল মোল ?
সি দেশত-ব'দে নেকি ফুল সুশুকায় ?
সদাই বসন্ত তাত, জাৰ নেকি নাই ?
কুলু কুল কৰি নই
তাত কি ধীৰেৰে বয় ?
উকা ঢৌ, ধমনীৰ পানী তাত নাই ?
পাৰৰ ফুলনী তাত নিনিয়ে উটাই ?
স্নেহৰ ভনিতি! তুমি গইছা ক'লই ?
যি দেশত গ'লা তুমি
সি দেশ কি ৰম্য ভূমি ?
কেনেকুৱা পথতাৰ, কেনি গ'লে পায় ?
বাটত যাওতে বোকা ক'তো কি নাপায় ?
সি দেশ কিমান দূৰ ?
সেয়ে কি অমৰাপুৰ ?
তাত নেকি ভাৰতীয়ে "কছপী" বজায়
সা-ৰে-গা মা-পা-ধা-নি-সা বীণাত মিলাই ?
সেয়ে নেকি স্বৰ্গ পুৰি ?
তাত নেকি থাকে হৰি,
অগতিৰ গতি প্ৰভু পতিত পাৱন
যোগী মুনি নিতে যাৰ আৰাধে চৰণ ?
গ'লে নেকি সেই ঠাই

স্রষ্টোতাক দেখা পাই ?
সংসাৰৰ মায়া নেকি গুছে সি দেশত ?
চিৰ শান্তি লাভ তাত হয়কি প্ৰাণত ?
তাত নেকি নাই দুখ ?
তাত কি সদাই সুখ ?
কালৰ কৰাল মূৰ্ত্তি নাই সি ৰাজ্যত,
নপৰে কি কোনো তাত ৰোগৰ মুখত ?
সি দেশ সুখৰ ঠাই,
চিৰ শান্তি তাত পায,
কালে কি নিচিঙ্গে তাত দোল মৰমৰ ?
কৃতান্তে নহৰে তাত লাহৰী প্ৰাণৰ ?
কিন্তু কিয, সোনকনি !—
আছা মনে ২ শুনি,—
উত্তৰ নিদিযা কিয় লাহৰী মাতেৰে ?
তাত গ'লে নেকি, হায় । সকলো পাহৰে ?"
ভাল পোৱা সংসাৰৰ
লীলা খেলা মৰতৰ
মৰণতে নেকি শেষ, তালই নাযায় ?
সংসাৰৰ ভাল পোৱা মাথোঁ স্বপ্ন-প্ৰায ?
তেন্তে নেকি, সোনকনি ।
মিছাতে কান্দিছো আমি ?
আমাৰ কান্দোন তুমি তাত শুনা নাই ?
মিছাতেই নেকি আমি কান্দিছো বীনাই ?
কিন্তু কোৱাঁছেন তুমি

মৃত্যুৰ পাছত আমি
তাত গ'লে পাম নেকি বিচাৰি তোমাক ?
আপোনাৰ, বুলি জানো চিনিবা আমাক ?
এই স্নেহ ভাল পোৱা
ৰঙ্গে উদঙ্গাই হিয়া
তাতো কি আমাক দিবা প্ৰাণৰ লাহৰি ?
দিবা কি লাহৰী চুমা মুখত সাদৰি ?
তাতো "মাজুকাই" বুলি
মাতিবা কিঁ সোনকনি ?
তাতো নেকি দিবা স্নেহ ভনিতো প্ৰাণৰ ?
মৰম চুমাৰে মুছি ছবি বিষাদৰ ?

ভনিতি !

অন্তৰত এয়ে দুখ
অন্তিম কালত মুখ
নেদেখিলো দুচকুৰে তোমাৰ লাহৰি !
দুৰ্ভাগাৰ আশা পূৰ্ণ নকৰিলে হৰি ॥
পীড়িতা ঘৰত তুমি,
দাসত্ব দোলেৰে আমি
দূৰ দূৰন্তত বন্ধা ;—অন্তিম কালত
নাপালো শুনিব মাত তোমাৰ মুখত ॥
কত যে হেপাহ কৰি
নশ্বৰ জীৱন এৰি
যাব খোজোঁ সি ৰাজত গইছা য'লই,—
সংসাৰৰ মায়া মোহ সংসাৰতে থই ॥

কিন্তু আহা! সোনকনি!
জানিছা নিজেই তুমি
মানবৰ মৃত্যু থাকে কালৰ হাতত।
ইচ্ছা মৃত্যু মানবৰ নাই জগতত!
সেই বুলি একে থিৰে
তধা হই ধীৰে ধীৰে
থাকিম নিতউ চাই সি দেশৰ ফালে,—
জীৱনৰ শেষ হই, সন্ধীয়া লাগিলে,
নশ্বৰ জীৱন এৰি
তোমাক বিচাৰ কৰি,
"প্ৰাণৰ ভণি-তী বুলি ভাত চুমা খাম,—
স্নেহেৰে কোলাত তুলি মুখ খনি চাম॥
অনন্ত সুখৰ ভূমি
যি ৰাজত আছা তুমি,
তোমাৰ কাৰণে আৰু নাকান্দো শোকত।
অনন্ত সুখেৰে থকাঁ তুমি সি দেশত॥

ভাইতি।

———He was born in the the spring,
And died before harvesting
On the last summer day
He left us, he would not stay
For autumn twilight cold and grey.
Sit we by his grave, and sing
He is gone away."
————Christina G. Rosstti.

সংসাৰৰ এচুকে দি,
ফুলনী শুৱনী কৰি,
একেটী ঠাঁৰিতে আমি ফুলিছিলো ভাই।
বিষাদৰ চোকা ৰ'দ
তুচ্ছ ভাব কৰিছিলো,
কালৰ ধুমুহা বায়ু দিছিলো উৰাই॥
আউশীৰ এন্ধাৰক
এন্ধাৰ নাভাবিছিলো,
পূহৰ আৰকো ভাই! নাই ভৰা আৰ!
নিতে তৰাৱতী নিশা
আকাশত শোভিছিল,
আছিল নিতউ যেন বসন্ত আমাৰ!!
প্ৰকৃতি কোলাত শুই
তিনোটীয়ে হাঁহিছিলো

*মৃত্যু সময় ডিচেম্বৰ ১৯০৬।

তিলোৰে তিনোক চাই উলাহ্ মগন।
দেখিব নোৱাৰি কিন্তু
দুৰন্ত কৃতান্তে তাকে,
অকালত এটী ফুল কৰিলে হৰণ।।
তিনটী আছিলো ভাই
কৰিলে কৃতান্তে দুটী
নিৰ্দ্দয় কৃতান্ত!—তাৰ দয়া মায়া নাই।
আধা ফুলা ঢোপাকলি
ফুলতে চিঙ্গলে আজি,
নিদিলে ফুলিব ফুল ফুলনী শুৱাই!!
সুমলীয়া ভাই তুমি,
লাহৰি সোনাই কনি।
সুৰেশ! আমাৰ তুমি দৰিদ্ৰৰ ধন।
কৃতান্ত দস্যুৱে পাই
দৰিদ্ৰক কন্দুৱাই
বলেৰে তোমাক আজি কৰিলে হৰণ।
শিলেৰে বন্ধোৱা জানো
কৃতান্তৰ মন প্ৰাণ
মানবৰ কান্দোনত নাকান্দে অন্তৰ?
নজনমে দয়া জানো
তাৰ হৃদয়ত হায়!—
ঘূৰাই নিদিয়ে পুনু ধন দৰিদ্ৰৰ?
কিন্তু ভাই! যদি
বিষময় সংসাৰত

বিষম কেলেশ পাই
দুৰন্ত ৰোগৰ হাত এৰাই সোনাই !
বিচাৰি অনন্ত শান্তি,
পাহৰি মৰ্ত্ত্যৰ মায়া,
প্ৰভুৰ প'ৰত গই ল'লা তুমি ঠাই ! !
———যোৱা তুমি যোৱা তেনে,
থাকাঁ তুমি স্বৰগত,
ৰাণী কমলাৰে স'তে বিৰাজিছে য'ত
দয়াৰ সাগৰ প্ৰভু
পতিত পাৱন হৰি,
থাকাঁ, ভাই ! চিৰসুখে থাকাঁ তুমি ত'ত ॥
ভাগ্যৱন্ত তুমি, ভাই !
পালা সি সুখৰ ঠাই,
নাই তাত ৰোগ শোক বিষাদৰ ছঁয়া,
চিৰসুখ চিৰশান্তি
নিতউ বিৰাজে তাত,
নাই তাত কন্দা-কটা, সংসাৰৰ মায়া ॥
সংসাৰীৰ ঘোৰ জ্বালা
নাই তাত নাই, ভাই !
কৃতান্তে নহৰে তাত লাহৰী প্ৰাণৰ ;
পুত্ৰ হেৰুৱাই তাত
নাকান্দে মাকৰ প্ৰাণ,
নাটাকুৰে হিয়া তাত, নদহে অন্তৰ ॥
যোৱাঁ, ভাই ! যোৱাঁ তুমি

থাকা মহা সুখে তাত,
তোমাৰ কাৰণে আৰু নাকান্দো বিনাই ;
নহয় যাথোন তুমি
গইছা অকলে তাত,
আমিও এদিন যাম, প্ৰাণৰ সোনাই ।
মৰ জগতত, ভাই !
নহয় অমৰ কোনো,
এই জগতত কোনো নাথাকে সদাই,—
যি ৰূপে গইছা তুমি
আমিও এদিন যাম,
দুদিনৰ আগে মাথোঁ গইছা, সোনাই ।
———ভাগ্যৱন্ত তুমি, সোন ।
শীঘ্ৰে এৰি দুখৰ সংসাৰ
পালা তুমি যাবলই
শান্তি ভৰা স্বৰগত,
দুৰ্ভগীয়া আমি কিন্তু থাকিলো ইয়াত ।
সংসাৰীৰ ঘোৰ জ্বালা
নিতে জ্বলে পৰাণত
সন্তাপ শোকৰ জুই জ্বলিছে হিয়াত ।
সি কাৰণে কওঁ শুনা
নহয় নহয়, সোন !
নাকান্দো নাকান্দো আৰু,
নিশ্চয় নাকান্দো ভাই ! তোমাৰ শোকত,
একে থিৰে ৰখা লাগি

সেই দিন বাট চাম,
যি দিনা লাগিব সন্ধ্যা এই জীৱনত॥
জীৱনত সন্ধ্যা লাগি
বেলিটীও মাৰ যাব,
আমিও তিয়াগি দেহা, যাম সি থানত।
অতি চেনেহৰে সতে
তোমাক সাবটি ধৰি
মৰমৰ থাম চুমা লাহৰী গালত॥
সংসাৰত যেনেকই
আমি ভাল পাইছিলো,
শতোধিক পাম ভাল তাতো, সোনকনি!
মউ সনা মৃত হাঁহি
নিতউ হাঁহিম আমি,
স্বৰ্গীয় ভাৱত ভৰি হিয়া কেউ খনি।
কিন্তু ভাই! এটী কথা,
সুধিছো তোমাক আমি,
শোকত বিদৰে হিয়া, নোলায় মুখত।
পাইছানে দেখা তাত
প্ৰাণৰ ভনিটী কনি,
লাহৰী বিমলা, গই সেই স্বৰগত?
প্ৰাণৰ ভনিটী বুলি
খাইছানে তাতো চুমা?
তাতো কি কোলাত লই কৰিছা আদৰ?
বিমলায়ো নেকি তাত

কাষত তোমাক পাই,
গাল ওপছাই দিছে চুমা মৰমৰ ?
ৰঙ্গে 'সককাই" বুলি
তাতো কি মাতিছে, সোন ?
তাতো কি দুহাতে ধৰে সাৱটি দিছিত ?
সুৰলা লাৱণ্য হাঁহি
তাতো কি ভনিটী হাঁহে ?
মউ সনা মাতে কৰে তাতো কি মোহিত ?
তাতো কি "দাইতি" বুলি
সুধেনে ধৰে তোমাক ?
তাতো কি বোকোচা উঠে অতি হেপাহত ?
শোধেনে তোমাক, সোন !
তাতো কি আমাৰ কথা ?
কমনে কি "দাইতাৰ" কথা সি দেশত ?
আৰু ———

সুখৰ দুখৰ কথা
শোধেনে কি ভনিটীয়ে
সংসাৰৰ ভাল পোৱা পৰেণে মনত ?
স্বৰগত থাকি নেকি
স্বৰ্গীয় সুখত মজি,
পাহৰিলে সকলোটী দেহাৰ লগত ?
নহয় নহয়, সোন !
ভাই ভনিতীৰ প্ৰেম
দেহা স'তে সংসাৰত বিনাশ নহয়।

সংসাৰৰ ভাল পোৱা
আত্মাৰ লগত গাঁথা
আত্মা সতে থাকে প্ৰেম, আত্মা প্ৰেমময় ;
যোৱাঁ সোন ! যোৱা তুমি,
ভাই ভনী দুয়োটীয়ে
থাকিবা অনন্তকাল অনন্ত সুখত !
আলই-আথানি মাথোঁ
নকৰিবা সুৰেনক,
তুলি ল'বা সোনটিক বুকুৰ মাজত !
চিৰ প্ৰেমে, চিৰ সুখে
থাকাঁ, সোন ! স্বৰগত,
তোমাৰ কাৰণে আমি নাকান্দো মনত !
এয়েই মাথোন দুখ
থাকিল আমাৰ, ভাই !
[illegible]মটী আছিল, হ'লো দুটী সংসাৰত ॥
সংসাৰ কৰ্ম্মৰ ক্ষেত্ৰ,
কৰ্ম্ম মাথোঁ মূল মন্ত্ৰ,
প্ৰাৰম্ভতে সি কৰ্ম্মৰ (লিখা কপালত !)
চিগিলে এখনি হাত,
অকালত বজ্ৰপাত !
নিসহায় দুটী ভাই ব্ৰহ্মাণ্ড-মাজত !!
হৃদয়ৰ যত আশা

হৃদয়তে পালে লয়

শতুকৰ হ'ল ৰঙ্গ আনন্দ মনত !

অন্তৰৰ হাবিয়াস

নহ'ল আমাৰ পূৰ !

এয়েই থাকিলে মাগোঁ দুখ অন্তৰৰ । !

আইতা।

"—But wherefore weep? Her—Spirit soars
Beyond where splendid shines the orb of day;
And weeping angels lead her to those bowers
Where endless pleasures virtue's deeds repay.
———Lord Byron.

ল'ৰা তিক্ততাৰে ভৰা ; কিন্তু কিয় হয়
শূন্যভাব ? লাগে ঘৰ কিয় শূন্যময় ?
কিয় আজি এনে ভাব ? কিয় ভাবান্তৰ ?
কান্দে কিয় মন প্ৰাণ ? কিয়বা অন্তৰ ?
যাৰ পৰা এই জন্ম (মানৱ জনম)
যাৰ যত্নে কৰ্ম্মী আজি ই কৰ্ম্ম-ক্ষেত্ৰত,
সেই মাতৃ জন্মদাত্ৰী (স্নেহ মূৰ্ত্তিমতী)
নৰ দেহা এৰি আজি যায় স্বৰগত ॥
নোহে মানুহৰ দেহা, দেৱৰ শৰীৰ !—
স্বৰগৰ জীৱ,—হ'ল পুনু স্বৰ্গলাভ !
মায়া ত্যজি সংসাৰৰ চিৰ শান্তি পালে,—
তবু কিয় কান্দে প্ৰাণ ? কিয় শূন্য ভাব ?
কিয় কান্দ, হে নিৰ্ব্বোধ ! হে অবোধ মন !
নৰভাগ্যে জন্ম মৃত্যু বিধিৰ লিখন ॥
—ৰোৱাঁ ৰোৱাঁ, আই !
কি হ'ব বীনাই,

মিছাতে কিয়বা কান্দো ?
মাউৰা কৰিলা
দুয়োটী ভাইকে,
সি বুলি চকুলো টোকোঁ।
গ'লা তুমি ষোৰ্ঁ।
ষোৰ্ঁ। স্বৰগত,
কি কৰি বাঁধিম, আই ?
অমিয়া মধুৰ
"আইতা" কথাটী
আৰু যে আমাৰ নাই !!
আৰু জনমত
নাপাওঁ তোমাক
মাতিব "আইতা" বুলি।
সংসাৰৰ মায়া
এৰি গ'লা আই।
স্বৰ্গৰ মায়াত ভুলি।
আৰু জগতত
মোৰোলা আমাক
"ষোপাই" সাদৰ কৰি।
স্বৰগৰ মোহে
মোহিলে তোমাক
চিঙ্গিলা স্নেহৰ জৰি !!
গ'লা গ'লা ষোৰ্ঁ।
ষোৰ্ঁ। তুমি আই।

কিৰূপে ৰাখিম আমি?
তোমাৰ খাউতি
স্বৰণৰ কালে,
কি হ'ব মিছাতে কান্দি?
নাকান্দো নাকান্দো
তোমাৰ নিমিত্তে,
নপমে তোমাৰ মন ;
আগৰ নিচিনা
এতিয়া নোহোৱা
বেলেগ এতিয়া মন ॥
মনুষ্যৰ দেহা
নতুন এতিয়া
নাই সংসাৰত মায়া ;
পুত্র পৰিয়াল
সকলো এৰিলা,
কাৰাৰ লগতে ছায়া ॥

* * *

* * *

আঠৌটী তুলিলা
চাৰিটী বান্ধিলা
সমানে কালক দিলা!
ইয়া টাকুৰি
বহুত কান্দিলা,
এয়ে সংসাৰৰ লীলা ॥

যোৱা আই যোৱা
থাকা যেন তুমি
স্বৰ্গত অনন্ত কাল।
নোহে যেন আৰু
"পুনৰ জনম"
নৰ জন্ম মোহে ভাল ॥
নৰ জনমৰ
থাকে লগে লগে
হাঁহি কন্দা পলে পলে ॥
কেতিয়া হাঁহিবা
কেতিয়া কান্দিবা
কেতিয়া অন্তৰ জ্বলে ॥
এনুৱা সংসাৰ
সংসাৰৰ ভোগ
সংসাৰ ভেলেকী বাজী ॥
সংসাৰৰ আশা
আকাশ কুসুম,
ভুৱে বালী-ঘৰ সাজি ॥
যিটোকে পাতিবা
সিটেই ভাঙিব,—
পুখুৰি খনেৰে খনা।
বিষম সংসাৰ
বিষময় মূৰ্ত্তি
উপাৰে বিহৰ কনা ॥

এনে সংসাৰত
আৰু যেন আই
আহিব নালাগে ঘুৰি ;
যত দিন জীম
ইয়াকে ভাবিম
প্ৰভুৰ পাৱত ধৰি ।

প্ৰাণৰ জিতেন।

"'—Yet is remembrance of those virtues dear,
Yet fresh the memory of that beauteous face
Still they call forth my warm affection's tear,
Still in my heart retain their wonted place"

——Lord Byron.

"'—True—has forced thee from my breast,
Yet, in my heart thou keepest thy seat,
There, there thine image still must rest,
Until the heart shall cease to beat."

———Lord Byron.

——ফুলনীৰ মোৰ
গোলাপ জুপিত
ধৰিলি চাৰিটা কলি;
চাৰিটাৰে এটা
কিয়, ঐ জিতেন!
থিতাতে লেৰেলি গ'লি?
ফুলনী ভৰাই
আছিলি সোনাই!
তোক কিহে নিলে হৰি?
চকু পচাৰতে
হিয়া উদঙাই
ত্রিলোক আন্ধাৰ কৰি?

নিৰদয় শোকে
কুটিলে কি তোক
শুৱনী গোলাপ পাহি ;
চণ্ডালী বদে কি
পেলালে লেৰেলা,
সাঁহাহ মধুৰ হাহি ;
বাসন্তী কুলিৰ
'কুউ' শবদত
নহয় শীতল প্ৰাণ।
(শ্ৰৱ) মউসনা কথা
আধা আধা ফুটা
অমৰা পুৰৰ গান ;
পূৰ্ণীমাৰ জোন,
নহয় ধুনীয়া
তাতো কলঙ্কৰ ছিন।
তোৰ যে মুখশি
কেনুৱা শুৱনী
কাৰেনো তুলনা দিম ?
মোৰ সংসাৰৰ
শুৱনী গোলাপ !
নি[ ]ল কোনে আজি হৰি ?
কিয় অকস্মাত
সুন্দৰ ফুলনী
পৰিলে আন্ধাৰে ভৰি ?

কিয় ধৰিছিলি
গোলাপৰ কলি।
থাপালি ফুলিব দেহি।
অকালতে গ'লি,
ঢোপাতে শুকালি,
থিতাতে পৰিলি খহি।

সোন ঐ

——কত হেপাহেৰে
তুলিছিলো তোক,
ফুই দি কিয়নো গ'লি?
"মা-গ"-দেইতা"ক
ক'তনো এৰিলি,
কিয় এনেকুৱা হ'লি?
"বুঢ়ী আইতা"ক
আৰু কি নামাত,
কোলাত নবহ, সোন?
আৰু কি নাহাঁহ
মিচিকীয়া হাঁহি,
আউনী নিশাৰ জোন?
যদি সেয়ে হয়
কিয় আহিছিলি
মাথোন ভুদিবলৈ?
কিয়নো মিছাতে
মৰম লগালি

মউসনা কথা কই ?
মৰম লগাই
বুকত সোমাই
বুকতে কুঠাৰ দিলি !
মৰমৰ বস্তু !
মহ'ল মৰম,
কিযনো নির্দয় হ'লি ?
মাইকী বাপেকী
আমি দুয়োটীৰে
আছিলি স্নেহৰ অতি,—
"বুলি আইতা'ৰ
পৰাণতো প্ৰিয়,
কিন্তু কি কৰিলি গতি ?
মাইকী এৰিলি,
বাপেকী এৰিলি,
ত্যজিলি ককাই ভাই ;
এৰিলি কাপোৰ
পিন্ধাৰ সজুলী,
হেপাহ একোতে নাই !
পূৰ্ব্ব জনমত
শতুৰ আছিলি,
শতুৰ শালিলি, গ'লি !
বন্ধুৰ সাজেৰে
শতুৰ আছিলি

এতিয়া চিনাকি দিলি।
সোন ঐ।
——নহয়, নহয়,
নহয় শতুৰু,
সোনটী প্ৰাণৰ ভই।
যেনে মৰমৰ
আছিলি আগেয়ে,
থাকিবি তেনুৱা হই।
পৰাণৰ সোন,
চিৰকালে সোন,
আৰু কি দোছোৰা হ'ব?
মৰিও সোনাই
জীয়ায়ো সোনাই,
সোনাই সোনায়ে ৰ'ব।
জীৱন মৰণ
একে সোনকনি।
মৰণ ৰৰঞ্চ ভাল।
বিষাদৰ কন্দা
নাথাকে তেতিয়া
অন্তৰ নদহে কাল।
সংসাৰৰ দুখ
নউ পাওতেই
গইছ সংসাৰ এৰি।
সুখৰ জীৱটী

গ'লি সুখতেই
সুখেৰে লাহৰী ফেৰি।
বিষম সংসাৰ,
গতি বিষময়,
সংসাৰ অশান্তিময়,
কাল চক্রে তাত
নৰ প্ৰাণ কান্দে
দুখে জৰ্জ্জৰিত হই॥
কাল সংসাৰৰ
কালৰ চক্ৰত
নউ ঘুৰোতেই তই;
নউ কান্দোতেই
দুখৰ কান্দোন
দুধাৰি চকুলো লই;
এবিলি সংসাৰ
অশান্তিৰ ঠাই
ভালে ভালে যোৱা কৰি।
স্বৰগৰ জীৱ!
গালি পুণ্য স্বৰ্গ,
অনন্ত সুখৰ খনি॥
দেৱ কন্যা সবে
নিতে কোলা ল'ব
অতি যে সাদৰ কৰি,
তুৰৰ বেলিকা

বাযত সুৰাব,
দিঙ্গিত সাৱতি ধৰি ॥
কান্দিব খুজিলে
নিচুকাব তাত,
আছে জগতৰ আই,
ভোকৰ বেলিকা
অন্নদা খুৱাব,
দুখ কোনোটিতে নাই!
কিন্তু———
যদি কেতিয়াবা
"দে-তা"ক বিচাৰ,
"মা-গ"লৈ মনত পৰে,—
ৰাতি সপোনত
আহি দেখা দিবি,—
জানো বা হেপাহ পূৰে॥
স্বপ্নতে একোনা
লম, সোন কনি!
স্বপ্নতে একুমা খাম!
এখন্তেক জানো
শান্ত হয়, সোন!
বাপেকী মাকৰ প্ৰাণ॥
হৃদয়ৰ জুই
জানোবা খন্তেক
নজ্বলে, দুখাই থয়,

জানোৰা জুড়ায়
দুচকু আমাৰ
স্বপ্নতে দেখিব পাই ॥

সোন ঐ!
দৰ্জ্জিৰ হাতেদি
শিয়ালো চাৰিটা
ছোলা হাবিয়াস কৰি;
তিনিৰ তিনটা
পায়েই পিন্ধিলে
তোৰটী থাকিল পৰি !!
আপোন আপোন
পিন্ধিলে তিনিয়ে
তোৰটো নিপিন্ধ কিয়?
জাৰৰ দিনত
উদঙ্গে থাকিবি
জাৰত কপাই জীব?
বেলাটোতে, সোন!
পিন্ধ তিনি বেলি
তিনটা ছোলা নতুন!
দিনে দিনে লাগে
নতুন "চুলিয়া" (১)
নিতউ নতুন ধুন ॥
নতুন দেখিলে

(১) অৰ্থাৎ "চুৰিয়া"!

পেলাব পুৰণি,
নতুন মাথোন বাক।
তেন্তুৱা নতুন
ছোলাকো নিপিন্ধ,
নালাগে “চুলিয়া” আক!
নে,— সংসাৰ এৰিলে
একোকে নালাগে
উদঙ্গে স্বৰ্গত থাকে?
ছোলা চুৰিয়া
সংসাৰৰ বস্তু,
ইয়াতে মাথোন লাগে?

* * *

* * *

“মোৰ” কথা নেকি
মাথোঁ সংসাৰত,
স্বৰগত ই কথা নাই?
ভিয়াগি সংসাৰ
গ'লে স্বৰগত
মোৰ” কথা পাহৰি যাব?
পাহৰিছ যদি
পাহৰ সোনাই! .
সুবুলিবি আক “মোৰ”!
“মোৰ” বুলিবলৈ
নাই সংসাৰত,

সংসাৰ যে ভ্ৰান্তি ঘোৰ ॥

*　　*　　*

*　　*　　*

মোৰ মোৰ বুলি
"দে-তা"ক ধৰিছি,
নিদিছিলি কাকো চুৰ ।
"মোৰ মা-গ" বুলি
লগে লগে ফুৰ,
এতিয়া কোননো যাব ?
"মোৰ" বুলিছিলি
"পৰ" ভাবি ল'লি
হঠাতে তিয়াগি গ'লি ।
যি "আপোন" তোৰ
এৰিলি সবকে,
"পৰ"ক বিচাৰি ল'লি !

*　　*　　*

*　　*　　*

জয়ামৰ ।

অসাৰ সংসাৰ
সকলো অসাৰ
সংসাৰত একো নাই !
কোনো লোকে কয়,
সংসাৰেহে সাৰ,
সংসাৰতে মোক্ষ পায় ।

স সাৰ ক্ষেত্ৰত
তয় লীলা প্ৰভু।
বুজিব নোৱাৰোঁ একো।
স্বাৰ্থত ব্যাঘাত
লাগিলে মাথোঁ
চকুৰ চকুলো টোকোঁ।
সাৰ কি অসাৰ
ই ভৱ সংসাৰ
বুজিব নোৱাৰোঁ আমি।
সংসাৰ ৰহস্য
তুমি মাথোঁ জানা
সৰ্ব্বজ্ঞ অন্তৰয্যামি।
জানো মাথোঁ আমি
জগতৰ পিতা।
মূল সকলোৰে তুমি।
স্ৰজোঁতা মাৰোতা,
দিওঁতা, নিওতা,
পালোতা সকলো প্ৰাণী।
সকলোৰে আদি,
অনাদি কাৰণ
তোমাৰ বিভূতি ভৱ,
তোমাৰ ঐশ্বৰ্য্য
তিনিও ত্ৰৈলোক্য
তোমাৰে সকলো জীৱ।

সংসাৰ সন্তুতি
দিছিলা চাৰিটী
তুমিয়ে মাথোন, হৰি !
চাৰিটীৰে এটি
নিলা ! তুমি নিজে,
তুমি কাল মূৰ্ত্তি ধৰি !
আপোনাৰ বস্তু
নিলা যে আপুনি
তাত কি মাতিম আমি ?
সংসাৰ হাটত
তয়ু লীলা খেলা,
অহা যোৱা কৰে প্ৰাণী॥
কিবা ভাব কৰি
দিছিলা পঠাই
লাহৰী জিতেন ফেৰি।
কিবা মন হ'ল,
নিলা পুনৰায়,
কি সাধ্যে ৰাখিম ধৰি ?
দুদিনৰ হেতু
দিছিলা পঠাই,
দুদিন সমাপ্ত হ'ল !
জীৱনৰ লীলা
কৰি সমাপন
যোৱা যে জিতেন গ'ল।

তোমাৰেই মায়া,
(সংসাৰৰ মায়া)
সি মায়া-জালতে পৰি
সোনক হেৰাই
কান্দি উঠে প্ৰাণ,
ওলাব চকুলো ধাৰি ॥
সি মায়া জোলতে
বান্ধ খাই, প্ৰভূ !
তালই চিন্তনী লাগে,
জানো, সি পুৰিতো
"মা-গ দে-উতা"ক
নেদেখি জিতেন কান্দে ॥
যদি কোনো দিন
কান্দে সোনে তাত
আমাৰ সলনি ; হৰি !
কোলা লই তাক
চুমা এটা দিবা
দিঙ্গিত সাবাত ধৰি ।
জগতৰ পিতা !
দিবা জিতেনক
বাৎসল্য স্নেহৰ ভাগ ।
কুমলীয়া ল'ৰা
অকলে নেৰিবা,
ছাগকে ভাবিব বাঘ ॥

নজনা লৰাই
যদি দুষ্ট কৰে
তুমি নোকোবাবা তাত ।
আদৰৰ বস্তু
থ'বা আদৰত,
দুখৰ নিদিবা ছাত ॥
তুমি দয়াময়
জগতৰ পতি
তুমি ব্ৰহ্মা বিষ্ণু হৰি ।
তোমাৰ কাষত
ইয়াকে খাটিলো
দুখানি চৰণ ধৰি ॥

প্ৰিয়তমা।

"My love involves the love before;
My love is vaster passion now;
Tho' mix'd with God and Nature thou,
I seem to love thee more and more.
Far off thou art, but ever nigh;
I have thee still,——— ——
I shall not lose thee tho' ———
—— ---Alfred Lord Tennyson.

——আৰু কি বাজিব
লাহৰী বীণাত
প্ৰাণৰ অমিয়া সুৰ ?
বাজিব খোজোঁতে
চিগিলে যে তাঁৰ—
আৰু কি লাগিব জোৰ ?
আকমে প্ৰাণত
মিচিকীয়া হাঁহি
খেলিব বিজুলী সাজি ?
বিজুলীয়ে স'তে
আকনে নাচিব
যি হিয়া গইছে ভাগি !
ভগা হিয়া খনি

আৰু জোবা থাব,—
"সাহাবা" ফুলনী হ'ব ?
সকৰ মাজত
ফুলিব গোলাপ ?
আৰু মন্দাকিনী ব'ব ?
কুল্ কুল্ সুৰে
আৰু নেকি গাব
অমিয়া মধুৰ গান ?
শান্তিৰূপী নেকি
শীতল নিজৰা
শান্তিৰে ভৰাব প্ৰাণ ?
হায় !———
———যি অমূল্য ধন
হেৰাল হাতত
হিতেশে আৰু কি পাব ?
হিতেশৰ প্ৰাণ
হিতেশৰ মন
আৰু কি আগৰ হ'ব ?
আকৌনে হিতেশে
হাঁহিব মিচিকি
প্ৰাণৰ অমিয়া হাঁহি ?
বাজিবনে ধীৰে
আৰু হিতেশৰ
প্ৰাণত মধুৰ বাঁহি ?

নাই।———

নাবাজে!—নাবাজে!
আকতো নাবাজে!!—
আক যে নাগাব গান!
প্ৰাণব অৰ্দ্ধাঙ্গী
গইছে তিয়াগি
ভাঙ্গি অকালত প্ৰাণ!!
অকালে ভাগিছে
বীণা হিতেশব
অকালে নীবব আজি!
ভগা বীণা নেকি
আক জোবা খাব?
আক কি উঠিব বাজি?

নহয়!———

প্ৰাণব মইনা!
প্ৰাণব প্ৰতিমা!
প্ৰাণব অৰ্দ্ধাঙ্গী মোব!
যি বীণা ভাঙ্গিলা
তুমি অকালত
আক সি নাথায় জোৰ!!
ভগা বীণা খনি
ভগা হৈয়ে ব'ল,
গোটেই জীৱন জুৰি!—
মধুময় সুৰে

পৰে কেতিয়াবা
স্বপ্নত দিবাহি দেখা।
স্বপ্নতে এবাৰ
চাম মুখ-খনি
মোৰ প্ৰাণ-মন-হৰা।
দাৰুণ অশান্তি
জানোবা আঁতৰে
খন্তেক মনৰ পৰা॥

সামৰণি।

"Thine are these orbs of light and shade;
Thou madest Life in man and brute;
Thou madest Death, and lo, thy foot
Is on the skull whichthou hast made.
Thou wilt not leave us in the dust;
Thou madest man, he knows not why,
He thinks, he was not made to die:
And thou hast made him thou art just,
Thou seemest human and divine,
The highest, holiest manhood, thou:
Our wills are ours, to make them thine,
Our little systems have their day;
They have their day and cease to be:
They are but broken lights of thee
A beam in darkness -
— — ———Alfred Lord Tennyson.

ক্ষমা কৰাঁ, প্ৰভু! তুমি
অজ্ঞান মানৱ আমি,
তোমাৰ অনন্ত মায়া
বুজিব নোৱাৰি,
মিছাতে চকুলো টোকোঁ
বিলাপো চিঞৰি ॥
জগতৰ স্রষ্টা তুমি
তোমাৰ সৃজিত প্ৰাণী

তোমাৰে মায়াত ঘূৰে
সংসাৰ ক্ষেত্ৰত,
কাল পূৰ্ণ হ'লে—যায়
তোমাৰে কাষত ॥
মোৰো ভাই, ভনী, নাথ !
এৰাই সংসাৰ হাত
মৰ্ত্ত্যৰ লীলাৰ ছঁয়া
থই মৰতত .
লভিলে অনন্ত শান্তি
তোমাৰ পাৰত ॥
জন্মদাত্ৰী—মাতৃ,—সোণ !
লাহৰী জিতেন মোৰ
(আদৰৰ বস্তু তযু)
নিলা তুমিয়েই,
মায়ামুগ্ধ নৰ আমি
কান্দিছোঁ এনেই ॥
পৰাণৰ অৰ্দ্ধাঙ্গিনী
সুখে দুখে সমভাগী,
হিয়া শূন্য কৰি মোৰ,—
নিলা কিবা ভাবি
অকল সৰিয়া কৰি
জীৱনৰ বাকি।
তোমাৰে সম্পত্তি, প্ৰভু !
তুমিয়েই নিলা পুনু

PLEASE HANDLE THE BOOK CAREFULLY.

অবোধ মানৱ, হায়!
　কান্দিছোঁ বিনাই।
মায়াত বিভোল আছি
　কাণ্ডজ্ঞান নাই॥
প্ৰভু! মোক ক্ষমা কৰা,
অজ্ঞান এন্ধাৰ হৰা।
অন্তৰত দিয়া জ্ঞান
　পবিত্ৰ নিৰ্ম্মল,
মানৱ জনম মোৰ
নকৰা "বিফল"॥

অন্ত

2938

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.